Assam Legislative Assembly Debates

OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIV
ASSEMBLY ASSEMBLED AFTER THE NINTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

SEPTEMBER SESSION

No. 4

The 21st September, 1995

Price—Rs. 18.00

CONTENTS

September Session

No. 4

Dated, the 21st September 1995

	Page
Questions and Answers	1—64
Voting on Supplementary Demands for Grants	65 - 115
Introduction, Consideration and Passing of the Assam Appropriation (No. III) Bill, 1995	116—129
Adjournment	130
Annexure I, to XXX.	131— 186

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBL

Thursday the 21st September, 1995

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

Mr. Speaker : Now Starred Question No. 61. Question Shri Nagen Sarmah, Minister, Food & Civil Supplies is t reply.

বিষয় ঃ খুচুৰা বিক্ৰীৰ নিৰিখ

শ্ৰীনগেন শৰ্ম্মাই সুধিছে,

* ৬১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৩-৯৪ চনত অসমত চাউল, মচুৰ দাইল, মুগ দাইল, বুট দাইল কাবুলী বুট, মিঠাতেলৰ খুচুৰা বিক্ৰীৰ নিৰিখ কি আছিল ?

খ) ১৯৯৪-৯৫ চনত অসমত চাউল, মচুৰ দাইল, মুগ দাইল, বুট দাইল বহুৰ দাইল, কাবুলী বুট, মিঠাতেলৰ খুচুৰা বিক্ৰীৰ নিৰিখ কি আছে

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে,

ক) ১৯৯৩-৯৪ চনৰ তথ্যসমূহ নিম্নধৰণৰ (অনুবন্ধ—ক)।

(See the Annexure—I)

খ) ১৯৯৪-৯৫ চনৰ তথ্যসমূহ নিম্নধৰণৰ (অনুবন্ধ—খ)।

(See the Annexure— II)

* শ্রীচিত্তেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই ষ্টেটমেণ্ট-খিনি পঢ়ি সময়খিনি এনেয়ে ওচি গৈছে। যোৱাবাৰ আনষ্টাৰ্ট কুৱেশ্চনত যিটো ৱিপলাই দিছিল সেইটো আজি ইয়াৰ লগত সম্পূর্ণ অমিল। গতিকে ছাউচক মিচলিড্ কৰিক নেলাগে। ১৯৯৪ চনত মচুৰ দাইলৰ দাম দেখুৱাইছে ১১·০০-১২·৫০ টকা। সক মচুৰ দাইলৰ দাম ১২·০০-১৪·০০ টকা। গতিকে ইয়াৰ লগত আগৰ যিটো ষ্টেটমেণ্ট আছিল সেইটো সম্পূর্ণ অমিল।

* ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অর্ডাৰ চাৰ। যোৱাবাৰ একেখিনি আৰ্টিকুলৰ দাম ডিফাৰ কৰিছে। যদি ভালদৰে উত্তৰ দিব নোৱাৰে তেন্তিয়াহলে এই প্রশ্নটো পেণ্ডিং ৰাখক। ছাউচত যোৱাবাৰ এটা কথা কৰ এতিয়া এটা কথা কৰ সেইটো কেনেকৈ হব।

ডাঃ অর্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো তথ্য মই পিচত দিম।

শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, গোটেই তথ্যখিনি পঢ়ি থাকিলে প্রশ্ন কাললৈ গোটেইখিনি সময় লাগিব আৰু আমাৰ মনতো নাথাকিব গতিকে সদনৰ টেবুলত এই তথ্যখিনি দিলেই হল।

মাননীয় অধ্যক্ষ : আপোনালোকৰ ৰাইট আছে প্রশ্ন কৰাৰ আৰু মিনিষ্টাৰৰ ৰাইট আছে উত্তৰ দিয়াৰ। প্রশ্ন যেনেকৈ কৰিছে উত্তৰ তেনেকৈ দিছে।

ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, কোনো তথ্য সদনৰ টেবুলত দাখিল কৰিলে আৰু গাই দিব নালাগে। এইটো তথ্য টেবুলত লে কৰিছে।

শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, মই প্রতি মাহৰ তথ্য বিচৰা নাই বছৰ হিচাপেহে বিচাৰিছো।

মাননীয় অধ্যক্ষ : আপুনি প্রশ্ন কৰিছে "১৯৯৩-৯৪ চনত অসমত চাউল, মচুৰ দাইল, মুগ দাইল, বুট দাইল, কাবুলী বুট, মিঠাতেলৰ খুচুৰা বিক্রীৰ নিৰিখ কি আছিল ?" প্রশ্ন যেনে বিচাৰিছে তেখেতে তেনে উত্তৰ দিছে।

শ্রীনগেন শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এভাৰেষ্টটোহে বিচাৰিছো।

মাননীয় অধ্যক্ষ : আপুনি যিটো প্রশ্ন কৰিছে তাত এভাৰেষ্টৰ কথা নাই।

---

* Speech not corrected.

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে চেণ্ডেম্বৰ দাম কৈ আছে, অক্টোবৰৰ দাম কওঁক ?

* ডাঃ অধেন্দু কুমাৰ দে (খাদ্য আৰু যোগান মন্ত্রী) : মই অক্টোবৰটোও কম।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, প্রতি দিনৰ দাম কি আছিল সেইটোও কওঁক ?

* ডাঃ অধেন্দু কুমাৰ দে (খাদ্য আৰু যোগান মন্ত্রী) : অধ্যক্ষ মহোদয়, জেনে প্রশ্ন কৰিলে মই সেইটোও কম।

* শ্রীমনসিং বংপী : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৰ অর্ডাৰ আছে, মন্ত্রী মহোদয়ে যিবিলি উত্তৰ দিছে—It is not possible to remember whatever he has been saying.....

Mr. Speaker : মই এই প্রশ্নটো বাদ দিম নেকি ? What can I do ? You have put the question and the Minister is replying. You have put the question and according to the question the reply has become a lengthy one. What can I do ?

Dr. Zoii Nath Sarma : When the reply is a lengthy one, the Minister is to place the reply alongwith all the documents on the Table of the House.

Mr. Speaker : If you desire then it can be placed on the Table of the House.

* শ্রীমনসিং বংপী : অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল মন্ত্রী মহোদয়ে যি তথ্য দিছে সেইটো ষ্টেনোগ্রাফাৰ সকলেও পাইছে, প্রেছৰ মানুহেও পাইছে কিন্তু আমি কিয় নাপাওঁ ?

* ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ইমান বিলাক তথ্য পঢ়ি দিলে সকলোবিলাক তথ্য আমাৰ মনত নাথাকে। আমিটো কম্পিউটাৰ নহয়। গতিকে আমাক কপি বিলাক দিব লাগে।

---

* Speech not corrected.

নীয় অধ্যক্ষ : প্রশ্নটো যেনেকৈ কবিব উত্তৰটোও তেনেকৈ দিব লাগিব।

শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, পইণ্ট অব অর্ডাৰ, এই প্রশ্নটোৰ উত্তৰ পঢ়াতেই বিশ মিনিট গৈছে। অৱশ্যে আমাৰো ভুল হ'ল দীঘলীয়া উত্তৰ বিচৰা কাৰণে। কিন্তু গোটেই বিলাক সপ্তাহ সদনৰ মেজত দিব পাৰিলেহেতেন।

Mr. Speaker : Hon'ble Members to see that the questions do not invite much lenghty answers.

Shri Hitendra Nath Goswami : Mr. Speaker Sir, at the same time Hon'ble Ministers should also see that it made in a concise manner.

Shri Dewan Joynal Abedin : Mr. Speaker Sir, we are spending as long as twenty minutes. But Sir, questions have not been admitted and returned with this or that plea. What is the justification ?

Mr. Speaker : I have got this right.

(Interruptions)

Please take your seat Mr. Abedin. I am telling you are obstructing the proceedings of the House.

নগেন শর্মা : অধ্যক্ষ মহোদয়, ১৯৯৪-৯৫ চনৰ মাৰ্চ মাহৰ যিখন তালিকা দিছে তাৰ লগত বৰ্ত্তমানৰ মূল্য তালিকাৰ মিল নাই। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰন বিচাৰিছো এই তালিকা সত্যৰ ওপৰত ভিত্তি কৰি দিছে নে অসত্যৰ ওপৰত ভিত্তি কৰি দাখিল কৰিছে। এই তালিকা যিখন দিছে এই মতে খুচুৰা দোকানৰ পৰা যদি মন্ত্ৰীয়ে কিনি দিব পাৰে তেন্তে ধন্যবাদ জনাম। তাৰ উপৰিও যিখন তালিকা তেখেতে আগতে দিছিল সেই তালিকাৰ লগত বৰ্ত্তমান তালিকাৰ দ্ৰব্যমূল্যৰ মিল নাই। এতিয়া চেপ্তেম্বৰ মাহত বহৰ দাইলৰ দাম ২৭'৫০ আৰু কহিনুৰ কোম্পানীয়ে কৰা পেকেটৰ দাম ৪৭ টকা কহিনুৰ কোম্পানীৰ মছুৰ দাইলৰ দাম

* Speech not corrected.

৩৩.৫০। মিঠাতেল ৪২ টকাব পবা ৪৪ টকা। অনুপমব পেকেটত আৰু ইঞ্জিনব দাম ৪৬ টকা। আইজুং ১৯.৫০ পইচা। গতিকে তেখেতে দিয়া ১৯৯৪ চনব দ্রব্যমূল্যব তালিকাব লগত ১৯৯৪-৯৫ চনত এতিয়া দিয়া তালিকাব মিল নাই।

* ডাঃ অর্ধেন্দু কুমাব দে (যোগান মন্ত্রী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গবাকীয়ে যিটো প্রশ্নব উত্তব বিচাবিছিল সেই মতেই দিয়া হৈছে। তেখেতে ১৯৯৩-৯৪, ১৯৯৪-৯৫ হিচাব বিভাগিছিল কাবণেই তেনেদৰে মূল্যসূচী দিয়া হৈছে। ১৯৯৫-৯৬ চনব বিচবা নাই কাবণে দিয়াব প্রশ্ন নাহে। প্রশ্নত এটা বিচাবি এতিয়া আৰু অন্য এটা বিচাবিলে উত্তব দিয়াত অসুবিধা হয়। প্রশ্নব ওপবত পবিপূবক প্রশ্ন কবিলে উত্তব দিব পাবিম।

* ডাঃ জয়নাথ শর্মা: অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীনগেন শর্মা ডাঙবীয়াই পোনপটীয়া প্রশ্ন সুধিছিল কেইটামান কোম্পানীয়ে দাম ধবি বস্তু বিক্রী কবি আছে ৪২ টকাব পবা ৪৭ টকা পর্যন্ত। যোৱা বিধান সভাত যিটো মাহব দ্রব্য মূল্যব ক্ষেত্রত উত্তব দিছিল তাব লগত এতিয়া সেই মাহব দ্রব্য মূল্যব দিয়া তালিকাব মিল নাই। এইটো সদনক ভুল পথে পবিচালিত কবা হৈছে। ইয়াত দ্বিতীয় বহুনব কথা কোৱা নাই। We have no question about Financial year. You are concerned with the practical things. Do not try to mislead the members.

(ভালে কেইজন মাননীয় সদস্যই একেলগে কবলে উঠে। কাবো মাত স্পষ্টকৈ শুনা নাযায়)

* ডাঃ অর্ধেন্দু কুমাব দে (যোগান মন্ত্রী): চাব, সদনব অবগতিব কাবণে কব বিচাবিছো যে মিঠাতেল জুলাই '৯৩ ব পবা বাটি বাটি এতিয়া ৩৫ টকাব পবা ৪০ টকা হৈছে লুজ হিচাবে। কিন্তু পেকেটব মিঠাতেল কেজি হিচাবে বিক্রী হয় লুজটো লিটাব হিচাবে হয়। পেকেটবটো লিটাব হিচাবে নহয় কাবণে দাম অলপ বেছি হয়।

* শ্রীনগেন শর্মা: মাননীয় অধ্যক্ষ মহোদয়, এতিয়া লুজ তেলব খুচুবা বিক্রী ৩৯ টকা ৪০ পইচা। অবশ্যে পেকেট তেলব দাম অলপ বেচি। ইঞ্জিন

* Speech not corrected.

তেলৰ দাম ৪২·৫০ টকা, কোহিনুৰ তেলৰ দাম ৪১·৫০ টকা, অনুপম তেলৰ দাম ৪৩·৫০ টকা। অধ্যক্ষ মহোদয়, ইয়াৰ লগত মন্ত্ৰী মহোদয়ে যিটো কৈছে তাৰ কোনো মিল নাই। মন্ত্ৰী মহোদয়ে যিটো দিছে সেই মাৰ্চ মাহলৈ, ডিচেম্বৰ মাহলৈ দিয়া নাই। পতিকে তেখেতে কোৱা উত্তৰ ভুল হৈছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সদনত মই অসত্য কথা কোৱা নাই। মই ১৯৯৩ চনত যিটো দাম সেইটো কৈছো আৰু '৯৫ চনৰ দামৰ কথাটো কৈছো। তেখেতে কৈছে কিন্তু ফাইনেন্সিয়েল ইয়েৰৰ কথা কৈছে। তেখেতে যদি বছৰ হিচাবে বিচাৰিছিল তেতিয়াহলে কৰ লাগিছিল ১৯৯৩, ১৯৯৫ এনেধৰণে। কিন্তু তেখেতে কৈছে ১৯৯৩-৯৪, ১৯৯৪-৯৫ এনেধৰণে।

* শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দেবী কৰা কথাটো কোৱা নাই। তেখেতে সেইটো কৰ লাগে। (গণ্ডগোল)

* ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বাজেট অধিবেশনৰ যিটো ষ্টাৰ লগত ডিফাৰ কৰিছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এতিয়া মোৰ হাতত তথ্য নাই পিচত মিলাই চাম।

* Shri Hitendra Nath Goswami : Point of order Sir, The Minister has categorically stated that the data supplied by him is correct and true. অধ্যক্ষ মহোদয়, এতিয়া আমাৰ কাগজ আছে। সত্য বুলি প্ৰমাণ কৰিব পাৰিলে প্ৰিভিলেজ মোচন আনিব দিব নেকি ?

মাননীয় অধ্যক্ষ : নতুন কিবা অভিযোগ থাকিলে আপোনালোকে মোক দিব।

ডঃ জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে ষ্টাষ্টিচক মিচলিড কৰিছে, আপোনাকো মিচলিড কৰিছে। যোৱা বিধান সভাত যিটো মূল্যসূচী আছিল সেইটোৰ লগত আজি নিমিলে। এইটো পৰীক্ষা কৰিব লাগে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই বাৰে বাৰে

* Speech not corrected.

কৈছো যে আগৰ মূল্যৰ লগত এতিয়াৰ মূল্য বহু মিলাই চাম। এতিয়া মোৰ লগত নাই।

Mr. Speaker : Now Starred Question No. 62. Questioner Shri Alauddin Sarkar. Hon'ble Minister, Fisheries is to reply.

বিষয় : মীন উন্নয়ন

শ্রীআলাউদ্দিন সৰকাৰে সুধিছে,

* ৬২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলকগঞ্জ সমষ্টি এলেকাৰ মুঠ কিমানখন বিল অসম বাজ্যিক মীন উন্নয়ন নিগমে উন্নয়নৰ বাবে অন্তৰ্ভুক্ত কৰিছে ? (বিলৰ নামবোৰ উনুকিয়াব)

খ) কি কি আঁচনি উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে আৰু মুঠ কিমান ধনৰ মঞ্জুৰী ধৰাদ্দ কৰা হৈছে ? (প্ৰতিখন বিললৈ ধৰাদ্দ ধনৰ পৰিমান উনুকিয়াব)

গ) উন্নয়নৰ কামত ঠিকাদাৰ নিয়োগ কৰা হয় নকি ?

ঘ) যদি হয় কিদৰে ঠিকাদাৰ নিয়োগ কৰা হয় ?

ঙ) নিগমৰ অন্তৰ্ভুক্ত বিল সমূহৰ উন্নয়নৰ কামকাজ বিভাগীয় পৰ্যায়ত কিদৰে চোৱা চিতা কৰা হয় আৰু উন্নয়নৰ ফল ভোগ কৰাত বাইজলৈ কিদৰে সা-সুবিধা আগবঢ়োৱা হয় ?

শ্রীচামছুল হুদা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) গোলকগঞ্জ সমষ্টিত অনেকুৱা ৮ খন বিল আছে। সেইবোৰ হ'ল— (১) বকনদাঙ্গা (২) হৰিণচৰা (৩) কালিদাঙ্গা (৪) নন্দিনি (৫) শালমাৰী দোৱা (৬) সাৰেশ্বৰ (৭) টাঙিয়াচৰা (৮) ভেৰভেৰী।

খ) সাৰেশ্বৰ, টাঙিয়াচৰা আৰু হৰিণচৰা বিলৰ আঁচনি ৰূপায়ন কৰা হৈছে। সাৰেশ্বৰ বিলৰ বাবে ১৩,৫২,১৩৬'০০ টকা, হৰিণচৰা বিলৰ বাবে ৯,৪০,৬১৯'০০ টকা আৰু টাঙিয়াচৰা বিলৰ বাবে ১৩,৩৮,৪১৪'০০ টকা ধন ধৰাদ্দ কৰা হৈছে।

---

* Speech not corrected.

গ) হয় ।

ঘ) নিবিদাৰ জৰিয়তে

ঙ) বিভাগীয় কাৰিকৰী বিষয়া ও কৰ্মচাৰীৰ দ্বাৰাই চোৱা চিতা কৰা হয় । উন্নয়নৰ কামত স্থানীয় আৰু উন্নয়নৰ পাছত স্থানীয় অনুসূচীত সম্প্রদায় আৰু দুখীয়া ভূমিহীন লোকক নিয়োগ কৰা হয় ।

* শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ৮ খন বিলৰ ভিতৰত ৩ খন বিলৰ উন্নয়নৰ কথা কৈছে । বাকী কেইটাৰ কি হ'ল নহ'ল তেখেতে জনাওঁক। আৰু যি কেইটাৰ উন্নয়ন হ'ল তাৰ কেনেকুৱা উন্নয়ন হ'ল তাৰ অলপ আভাস দাঙি ধৰক ।

* শ্রীচামছুল হুদা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, গোলকগঞ্জ সমষ্টিৰ মুঠ ৮ খন বিল উন্নয়নৰ বাবে নির্ব্বাচন কৰা হৈছে, ইয়াৰে দুখন বিল সাবেখৰ আৰু টাবিয়াচৰা বিল পাইলট পর্য্যায়ত উন্নয়ন কৰা হব । বাকী, ৬ খন বিলৰ ভিতৰত হবিণচৰা বিল সম্প্রসাৰন পর্য্যায়ত উন্নয়ন কৰা হৈছে । নন্দিনী মুঠ ৩,২৫,২১৫·০০ টকা আৰু বকুলদাঙ্গা বিলৰ মুঠ ৯,০২,৯১৮·০০ টকাৰ কাম অক্টোবৰ, নবেম্বৰ মাহৰ ভিতৰত আৰম্ভ কৰা হব । কাজিদাঙ্গা, শোণমাৰী দোৱা আৰু ভেৰভেৰী বিলৰ প্রকল্প প্রতিবেদন প্রস্তুত কৰি থকা হৈছে । বিশ্বখাদ্য আচনিৰ সম্প্রসাৰন পর্য্যায়ত নিবিদাৰ যোগে ঠিকাদাৰ নিয়োগ কৰা হয় । উন্নয়নৰ কাম কাজ তদাৰক কৰিবৰ বাবে প্রতিখন বিলৰ দায়িত্বত এজনকৈ সহকাৰী প্রকল্প বিষয়াৰ অধীনত শাখা সহায়ক থাকে । এনে ধৰণৰ কাম কৰিবৰ কাৰণে প্রস্তুত কৰি ৰাখে ।

* শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো কেনেধৰণৰ উন্নয়ন কৰা হয়, বিল চাফা কৰা হয়, পাৰ বন্ধা হয় নে কেনেকুৱা কৰা হয় । সেই বিল বিলাকত মাছৰ পোনা এৰি দিয়া হয় নে বাহিৰৰ পৰা মাছৰ পোনা সোমাই ।

* শ্রীচামছুল হুদা (মন্ত্রী) : অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ যিবিলাক বিল আছে সেই বিলাক উন্নয়নৰ পৰিকল্পনা হাতত লোৱা হৈছে । আসাম ফিচাৰী ডেভালাপমেণ্টৰ জৰিয়তে কিছুমান কাম কৰা হৈছে । সেই বিলাকত আমাৰ বিধায়ক সকলো জৰিত হৈ আছে ।

* Speech not corrected.

* শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, কেনেকুৱা ধৰণৰ উন্নয়ন কৰা হৈছে, যিবিলাকত লাখ লাখ টকা খৰচ কৰা হৈছে।

* শ্রীচামছুল হুদা (মন্ত্রী) : অধ্যক্ষ মহোদয়, যিবিলাক বিল আমি আঁচনিৰ ভিতৰত লৈছো সেই বিলাক সম্পূর্ণ পৰিষ্কাৰ কৰা হৈছে। মাছৰ পোনা এৰি দিয়া হৈছে। সেই বিলাক আঁচনিৰ জৰিয়তে স্থানীয় দুখীয়া জনসাধাৰণক কামত লগাই দুখীয়া পৰিয়ালৰ লোকক শ্রমিক নিয়োগত অগ্রাধিকাৰ দিয়া হৈছে। ইয়াৰ পৰা যিটো ইমপেক্ট হৈছে সেইটোত আমি আপ্লুট হৈছো।

* শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, বিশ্বখাদ্য আচনিৰ জৰিয়তে যি কৰা হৈছে তাত বহুতো দুর্নীতি চলি আছে। এই বিলাক নিৰাৱনৰ কিবা ব্যৱস্থা মন্ত্রী মহোদয়ে লব নেকি ?

* শ্রীচামছুল হুদা (মন্ত্রী) : অধ্যক্ষ মহোদয়, দুর্নীতিৰ কিবা তথ্য পালে আমি নিশ্চয় বিহিত ব্যৱস্থা লম আৰু আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নজৰলৈ আনিম।

* শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই বিল বিলাকত বিদেশী মাছৰ পোনা দিয়া হৈছিল নেকি ? থাইলেণ্ডৰ মাগুৰ মাছৰ পোনা দিছিল নেকি যিটো মাছ সোনকালে বহুত ডাঙৰ হয়।

* শ্রীচামছুল হুদা (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, শ্রীশইকীয়া ডাঙৰীয়াৰ প্রশ্নৰ উত্তৰ দিয়াৰ কাৰণে বর্ত্তমান মোৰ হাতত তথ্য নাই।

Mr. Speaker : Now Question No. 63. Questioner Shri Rameswer Dhanowar Hon'ble Minister, Labour is to reply.

বিষয় : ওৱেলফেয়াৰ আফচাৰ নিযুক্তি

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে,

* ৬৩। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

* Speech not corrected.

) অসমত কিমানখন চাহ বাগিছাই ওৱেলফেয়াৰ অফিচাৰ নিযুক্তি এতিয়ালৈকে দিছে আৰু কিমানখন চাহ বাগিছাই এতিয়ালৈকে নিযুক্তি দিয়া নাই জনাবনে ?

) কিমানজন ওৱেলফেয়াৰ অফিচাৰ মালিকপক্ষই নানান অজুহাতত চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে জনাবনে ?

) চাকৰিৰ পৰা বৰ্খাস্ত হোৱা ওৱেলফেয়াৰ অফিচাৰসকলৰ কি পদ্ধতিৰে চৰকাৰে মীমাংসা কৰিবলৈ লৈছে জনাবনে ?

াদিলেশ্বৰ তাঁন্তি (শ্ৰমমন্ত্ৰী) য়ে উত্তৰ দিছে,

) অসমত এতিয়ালৈকে ৫১৮ খন চাহ বাগিছাই ওৱেলফেয়াৰ অফিচাৰ নিযুক্তি দিছে আৰু ১২৫ খন চাহ বাগিছাই এতিয়ালৈকে নিযুক্তি দিয়া নাই। চৰকাৰৰ হাতত বৰ্ত্তমানলৈকে এজনৰ বাহিৰে তেনেধৰণৰ কোনো তথ্য নাই। শ্ৰম আয়ুক্তই এনে তথ্য বাগানসমূহৰ পৰা সংগ্ৰহ কৰি আছে। চাকৰিৰ পৰা বৰ্খাস্ত হোৱা ওৱেলফেয়াৰ অফিচাৰ সকলে অসম চৰকাৰৰ The Plantations (Welfare Officer) Assam Rules, 1977 ৰ ৬নং বিধিৰ উপবিধি (৩) মতে আপীল কৰিব পাৰে আৰু ৬নং বিধিৰ উপবিধি (৫) মতে ওৱেলফেয়াৰ অফিচাৰৰ নিয়োগ কৰ্ত্তাৰ শুনানী লৈ দিয়া সিদ্ধান্তই নিয়োগ কৰ্ত্তাসকলৰ কাৰণে চূড়ান্ত সিদ্ধান্ত হয়।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, যিজন কল্যাণ বিষয়া আনন্দ বাগ চাহ বাগিচাৰ পৰা নিলম্বিত কৰিলে তেখেতৰ 'কজহ' কি অভিযোগ আছিল। সেই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদিলেশ্বৰ তাঁন্তি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আনন্দ বাগ চাহ বাগিচাৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই। তাৰ কল্যাণ বিষয়াজনক 'ডিচ্‌মিচ্‌' কৰা আজি এবছৰ হল। তেখেতে চৰকাৰৰ ওচৰত আপীল কৰিছিল, তিয়াৰ আগতে ওৱেলফেয়াৰ অফিচাৰ জনে তিনিচুকীয়া ডিষ্ট্ৰীক জাজৰ ওচৰত আপীল কৰিছিল তাৰ পৰা উঠাই লৈ চেক্কেটৰী লেবাৰৰ ওচৰত কৰাজ এপ্লিকেণ্ট অথৰিটি'ৰে শুনানী লৈ কেছটো নিষ্পত্তি কৰিছে।

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লেবাৰ চেক্কে-টৰীৰ ওচৰত আছিল যদিও তাৰ পিছত মালিক পক্ষই আপীল কৰিলে। মালিক

* Speech not corrected.

পক্ষৰ আপীলৰ ওপৰত চেক্ৰেটৰীয়ে আলোচনা নকৰিলে, সেইটো পিছত এডিশ্যানেল চেক্ৰেটৰীয়ে আলোচনা কৰিছিল।

* শ্ৰীদিলেশ্বৰ তাঁতি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিটো কমিচনাৰে হিয়েৰিং লৈছিল মালিক পক্ষ আছিল দুয়ো পক্ষৰ ওচৰত শুনানী লৈহে আলোচনা কৰিছিল।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় সচিবে নথি-পত্ৰ পৰীক্ষা নকৰাকৈ শুনানী লৈছিল। ষ্টেচটো মেণ্টেন নকৰাকৈ মালিক পক্ষৰ যিটো অৰ্ডাৰ দিছিলে সেইটো খাৰিজ নকৰাকৈ এডিশ্যানেল চি এচ এ মালিক পক্ষৰ হৈ শুনানীৰ ৰায় দিলে।

* শ্ৰীদিলেশ্বৰ তাঁতি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত যি জন চেক্ৰেটৰী আছিলে তেখেত বিটায়াৰ হোৱাৰ পিচত যি জনে চাৰ্জ'ত আছিল তেখেতে শুনানীৰ ৰায় দিছিলে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় সচিবে চ'কজ ৪/৭/৯৪ দিয়াৰ পিচত সেই চ'কজৰ ওপৰত আলোচনা নকৰাকৈ ৫/৭/৯৪ তাৰিখে ডিচমিচ কৰিছে। এই গোটেইখিনি কথা কাগজে পত্ৰে দিছে, মেনেজমেণ্টৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে।

* শ্ৰীদিলেশ্বৰ তাঁতি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চেক্ৰেটৰীয়ে হওঁক বা এডিশ্যানেল চেক্ৰেটৰীয়ে হওঁক যি জনে দায়িত্বত আছিল তেখেতে শুনানী লৈ আলোচনা কৰিছে। অফিচাৰ দুজন হব পাৰে চেক্ৰেটৰী লেবাৰ বিটায়াৰ হোৱাৰ পিচত এডিশ্যানেল চেক্ৰেটৰী দায়িত্বত আছিল কাৰণে চেক্ৰেটৰী হিচাপে তেখেতে কৰিছিল।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এই কেচটোৰ শুনানী লোৱা হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে গোটেই শুনানীৰ কাগজ পত্ৰখিনি এই সদনত দাখিল কৰিব নেকি ?

* শ্ৰীদিলেশ্বৰ তাঁতি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কৰিব পৰা যাব এইটো গোপনীয় নহয়।

---

* Speech not corrected.

* শ্রীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা তথ্য বিধান সভাত দাখিল কবিব বিচাবিছো, মাননীয় মন্ত্রীয়ে যিটো কথা কৈছে সেইটো সত্য নহয়, মালিক পক্ষই আবেদন কবিছিল ১২ তাবিখে মাননীয় মন্ত্রী ১৫ তাবিখে ডাইবেক্ট অর্ডাব দিছে – necessary approval of the termination of the welfare officer may be given. মালিকী পক্ষব সেই আবেদনব ওপবত ভিত্তি কবিয়ে এডিশ্যানেল চিফ চেক্রেটবীয়ে অর্ডাব দিছে।

* শ্রীনগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটোব ওপবত এটা 'কলিং' দিব লাগে।

মাননীয় অধ্যক্ষ : এইটো 'কলিং'ব কথা নাহে। মন্ত্রীয়ে সমস্ত কাগজ পত্র সদনত দিয়াব কথা কৈছে।

Mr. Speaker : Now, Question No. 64, Questioner Shri Cittendra Nath Mazumdar, Minister, Revenue is to reply.

* Shri Devanand Konwar (Minister, Revenue) : I do not find the Questioner in the house.

(Starred Question No. 64 was not taken up for disposal as the Questioner was not present in the House when called for.)

Mr. Speaker : Now Question No 65, Questioner Shri Mahendra Bora, Minister Food and Civil Supplies is to reply.

বিষয় : Wheat (ঘেঁহু) আমদানি

শ্রীমহেন্দ্র বৰাই সুধিছে,

৬৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) চিনামৰা সত্যব্রতী বাইচ ফ্লাৰ মিলক আৰু মালিকৰ পিতৃৰ নাম ? এই

* Speech not corrected.

মিলটোৰ ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈকে কিমান wheat ৰ প্ৰতি মাহে আৱণ্টন দিছিল ? প্ৰতি মাহৰ Electricity Bill মাহিলী কিমান টকা দিব লাগে ?

খ) যোৰহাটৰ 'গটানি এণ্ড কোং' মালিকৰ নাম কি ? এই কোম্পানীৰ মালিকৰ Roller Flour Mill আৰু চাকি মিল কেইটা ? এই মিলটোৱে wheat ৰ মাহিলী আৱণ্টন কিমান পায় ? সেই অনুপাতে বিদ্যুত বিভাগক মাহিলী কিমান টকা দিব লাগে ?

গ) যোৰহাটৰ সকলো চাকি মিলৰ ঘেঁহু চোৰাং ভাৱে কিনি লোৱাৰ অভিযোগ সচাঁনে আৰু এনে অভিযোগ চৰকাৰে তদন্ত কৰিবনে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) চিনামৰাৰ সত্যৱতী ৱাইচ এণ্ড ফ্লাৱ মিলৰ মালিকৰ নাম শ্ৰীউজ্জ্বল গোস্বামী আৰু মালিকৰ পিতৃৰ নাম শ্ৰীনিৰ্মল গোস্বামী। এই মিলটোৱে ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈকে পোৱা PDS ঘেঁহুৰ মাহিলী আৱণ্টন অনুবদ্ধ ১ ত দেখুওৱা হ'ল। প্ৰতি মাহৰ Electricity Bill ৰ টকাৰ পৰিমাণ অনুবদ্ধৰ ২ ত দেখুওৱা হ'ল। (See The Annexure III and IV)

খ) যোৰহাটৰ গটানি এণ্ড কোম্পানী নামৰ কোনো ৰোলাৰ ফ্লাৱ মিল বা চাকি মিল নাই। সেয়েহে ঘেঁহু আৱণ্টনৰ প্ৰশ্ন নুঠে।

গ) তেনে কোনো অভিযোগ চৰকাৰৰ হাতত নাই।

* শ্ৰীমহেন্দ্ৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত যিটো তথ্য দাঙি ধৰিলে প্ৰকৃততে সেইটো সত্য নহয়। প্ৰাপ্ত তথ্য মতে জনা যায় যে আগতে যিবিলাক পাৰমিট দিয়া হৈছিল সেই মিলে পাৰমিট নাপালে কিয়নো বিভাগীয় দুজন মানুহে ৭ হাজাৰ টকাকৈ দিমাণ্ড কৰিছিল আৰু সেই টকাটো নোপোৱাৰ কাৰণে মিলৰ পাৰমিট নাপালে।

(সদনত হুলস্থুল পৰিবেশ বিৰাজমান)

* Speeeh not corrected.

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : মই মাননীয় সদস্য গৰাকীক এই বিষয়টো লৈ চেলেঞ্জ কৰিছো, তেখেতে এইটো প্ৰমাণ কৰক।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলে তথ্য ছিচাবে দাঙি ধৰিব নোৱাৰিলে তেনে প্ৰশ্নৰ অৱতাৰণা কৰিব নালাগে।

(পুনৰ সদনত হুলস্থুল)

(ভইচ : আমি আগতে বহুতো বিষয়ৰ ওপৰত তথ্য ছিচাবে দাঙি ধৰিছো ভাবনো কি ব্যৱস্থা হৈছে ?)

(কেবা গৰাকী মাননীয় সদস্য মাননীয় অধ্যক্ষৰ টেবুলৰ ওচৰলৈ নিজৰ আসন এৰি উঠি যায়।)

এইটো এক্সপাঞ্জ কৰিব লাগে।

(পুনৰ সদনত হুলস্থুল)

মাননীয় সদস্য সকলে পৰাপক্ষত নিজৰ আসনত থাকিব লাগে।

এতিয়া তৰাচিহ্ন প্ৰশ্ন নং ৬৬ ! মাননীয় সদস্য শ্ৰীমিছন ৰঞ্জন দাস।

Re : Rice Experimental & Research Centre.

Shri Mission Ranjan Das asked,

*66. Will the Minister of Agriculture be please to state.

a) Whether the Government will consider to start an Agricultural College at Akbarpur Rice experimental & Research Centre in Karimganj District ?

b) If yes, when and if not, why ?

Smti. Sayeda Anowara Taimur (Minister, Agriculture) replied,

a) No.

b) Does not arise.

* Shri Mission Ranjan Das : I would like to know from the Hon'ble Minister whether there is a proposal for any Agricultural College in any district in Assam.

---

* Speech not corrected.

* Smti. Sayeda Anowara Taimur (Minister, Agriculture) : No. There is no proposal for opening any new Agricultural College in Assam as there is unemployment of Agriculture Graduates numbering nearly 780. Moreover, the Agricultural Univercity Jorhat has reduced the total seat in College of Agriculture in Jorhat from 170 to 100. That means total 70 seats reduced. So, at persent there is no such proposal with the Government as there is no scope to open any college because the number of seats have already been reduced.

Mr. Speaker : Now Question No. 67. Questioner Shri Jew Ram Boro. Hon'ble Minister Irrigation is to reply.

বিষয় : বান্ধ নির্ম্মান।

শ্রীজীউৰাম বড়োই সুধিছে.

* ৬৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) কালাইগাওঁ বিধান সভা সমষ্টিৰ অন্তর্গত খৈবাবাৰীত অৱস্থিত হুতুমা, কুলশী নদীৰ ওপৰত মাকেলী কান্দা, বেগা নদীৰ কলিতাপাৰা বান্ধ, লক্ষী বান্ধ, মহলীয়াপাৰাত অৱস্থিত সোনাঘাট আৰু মঙ্গলদৈ নদীৰ কালাইগাওঁ আদর্শ গাওঁত অৱস্থিত লিফট ইৰিগেচন বর্ত্তমান কি অৱস্থাত আছে চৰকাৰ অৱগতনে ?

খ) বর্ত্তমান যি অৱস্থাত আছে তাৰ উন্নতিৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে অনুগ্রহ কৰি জনাবনে ?

শ্রীজেছিকল ইছলামযে উত্তৰ দিছে,

ক) হয়, চৰকাৰ অৱগত। অৱশ্যে মহলীয়াপাৰাত সোনাঘাট নামৰ কোনো বান্ধ বা আঁচনি নাই, কিন্তু সোনাঘাটত এটা আঁচনিৰ বাবে জৰীপ আদি কৰা হৈছে। কালাইগাওঁ আদর্শ গাওঁত মঙ্গলদৈ নদীৰ ওপৰতো কোনো লিফট ইৰিগেচন নাই, অৱশ্যে নোৱানদীৰ ওপৰত কালাইগাওঁ উত্তোলন জলসঞ্চন আঁচনি এখন আছে।

* Speech not corrected.

খ) বর্তমান যি অৱস্থাত আছে তাৰ উন্নতিৰ বাবে আঁচনি সমূহৰ সামগ্ৰিক মেৰামতি কৰি থকা হৈছে। সংশ্লিষ্ট মেৰামতি নিতান্ত প্ৰয়োজনীয় পুঁজি পালে আঁচনি সমূহৰ সম্পূৰ্ণ উন্নতি সাধন কৰিব পৰা যাব।

* শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয় এই প্ৰশ্নৰ সম্পৰ্কত মই চমুকৈ কেইটামান কথা ক'ব বিচাৰিছো।

(কুৱেশ্চ্যন আণ্ডাৰ ইজ অভাব)

(Starred Question No. 68 to 80 could not be taken up as the Question hour was over. However the replies of the said questions deemed to have been disposed of.)

Re : Agriculturre Research Centre.

Shri Parameswar Brahma asked,

* 68. Will the Minister of Agriculture be pleased to state :

a) Whether the Government has a policy to upgrade the Agricultural Research Centre of Gossaigaon, (Telipara) to an Agriculture College ?

b) Will the Government take step to upgrade it to a College ?

Smti. Sayeda Anowara Taimur (Minister, Agriculture) replied,

a) No.

b) Does not arise.

Re : Number of Unemployed.

Shri Samarendra Nath Sen asked,

* 69. Will the Minister, Employment be pleased to state :

a) What are the number of registered Unemployed in Cachar District ?

---

* Speech not corrected.

b) Whether the Govt. has got any Scheme for their employment ?

Shri Samsul Huda (Minister of Employment) replied,

a) The total number of registered unemployed in Cachar District at the end of June, 1995 was 49,867.

b) The Govt. has no separate scheme particularly for the unemployed youths of the Cachar District only. The State Govt. has, however, been implementing various programmes of employment generation, self employment schemes like Prime Minister's Rojgar Yojana, 20 Point Programme, TRYSEM etc. through various Deptts./Agencies like D.R.D.A. D.I.C. etc. for the purpose of employment of the unemployed of the entire state including the Cachar District.

বিষয় : চাহ খেতিৰ মাটিৰ পৰিমান

শ্রীনিজামুদ্দিন খানে সুধিছে,

* ৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চাহ বাগিছাৰ মালিক সকলৰ অধীনত চাহ খেতিৰ বাবদ থকা মাটিৰ পৰিমান কিমান ?

খ) প্ৰকৃতপক্ষে চাহ খেতি কৰা মাটিৰ পৰিমান কিমান ?

গ) চাহ খেতিৰ ওপৰঞ্চি মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) ২৬,৪৩,৭৫২ ঘিঘা ৩ কঠা ১৭ লেচা।

খ) ১৮,৬১,৮৮৬ ঘিঘা ৩ কঠা ১৯ লেচা।

গ) অসম ভূমি সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰন আইনত ১৯৫৬ (Assam Fixation of Ceiling on Land Holding Act 1956) চাহ বাগানৰ অতিৰিক্ত মাটি অধিগ্ৰহণৰ ব্যৱস্থা আছে।

বিষয় : পাতা তুলার নিরিখ বৃদ্ধি।

শ্রীমধুসূদন তেওয়ারী জিজ্ঞাসা করেছেন,

* ৭১। মাননীয় শ্রম বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) চা বাগানের প্রতিজন শ্রমিকের প্রতি দিন ১৬ কিঃ গ্রাম পাতা তুলার পরিবর্তে বর্তমান ১৮ কিঃ গ্রাম করা হয়েছে ইহা চরকার অবগত আছেন কি ?

খ) পাতা তুলার নিরিখ বৃদ্ধি করায় চা শ্রমিকদের অসন্তোষের কথা অবগত আছেন কি :

গ) যদি অবগত তবে চা শ্রমিকদের এই শোষনের হাত হইতে রক্ষা করার কি পদক্ষেপ গ্রহণ করিয়াছেন জানাবেন কি ?

শ্রীদিলেশ্বর তাঁতী (শ্রম দপ্তরের মন্ত্রী) যে উত্তর দিছেন,

ক) হ্যাঁ।

খ) পাতা তুলার নিরিখ বৃদ্ধি করায় চা শ্রমিকদের অসন্তোষের কথা এখন পর্য্যন্ত সরকারের নিকট আসে নাই।

গ) প্রশ্ন উঠেনা।

বিষয় : মীন ক্ষেত্র উন্নয়ন।

শ্রীবুবুল দাসে সুধিছ.

* ৭২। মাননীয় মীন বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

ক) অসম মীন উদ্যোগ উন্নয়ন নিগমব অধীনস্থ মীন ক্ষেত্র সমূহব বিশ্ব খাদ্য আঁচনিব দ্বাবা উন্নয়ন আঁচনি রূপায়ন কবাটো মন্ত্রী মহোদয় অবগত নে ?

খ) যদি অবগত বিশ্ব খাদ্য আঁচনিব পুজিবে উন্নয়ন আঁচনি লোৱা মীন ক্ষেত্র সমূহব নাম, জিলাব নাম, চন, ধার্য্য কবা পুজি আৰু বর্তমান-লৈকে হোৱা খবছব বিবৰণ সদনব মেজত দাঙি ধবিব, বিশ্ব খাদ্য আঁচনিব পুজিব ওপবিও অন্য কি কি বস্তু মঞ্জুবি হয় জনাবনে ?

গ) মৰিগাওঁ জিলাত চোৱা আঁচনি সমূহৰ নাম কি কি, প্ৰতিটো আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰা টকাৰ পৰিমাণ, কামৰ বিপৰীতে কৰা বৰ্তমান-লৈকে খৰছ, আঁচনি ৰূপায়ন কৰোতে দায়িত্ব ন্যাস্ত কৰা ব্যক্তিৰ নাম ও ঠিকনা বিতংকৈ প্ৰতিবেদন সদনৰ মেজত দাখিল কৰিব ?

ঘ) এই আঁচনি সমূহ ৰূপায়নত ব্যাপক দুৰ্নীতি চোৱা বুলি উত্থাপিত অভিযোগ সম্পৰ্কে মন্ত্ৰী মহোদয় জ্ঞাত নে ?

ঙ) যদি হয় এই আঁচনি সমূহ সঠিক ৰূপায়িত হৈছেনে নাই উচ্চ পৰ্য্যায়ৰ তদন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীচামছুল হুদা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) হয় ।

খ)	বিলৰ নাম	জিলাৰ নাম	চন	ধাৰ্য্য কৰা পুঁজি	বৰ্তমানলৈ চোৱা খৰছ
১।	ধীৰ	খুবুৰী	১৯৯২	১৮,৮৯,০১৩	১৮,৮৯,০০০/-
২।	সাৱেৰ্থৰ	”	”	১৩,৫২,১৩৬	১৩,৫০,০০০/-
৩।	দলনী	”	”	৫,০৫,৯১৫	৫,০৫,৯০০/-
৪।	তা বাজ	”	”	১১,০৭,৮২৩	১১,০৭,০০০/-
৫।	টাবিৰাচৰ	”	”	১৩,৩৮,৪১৪	১৩,৩৮,১০০/-
৬।	হৰিণচৰ	”	”	৯,৪০ ৬০০	৯ ২০,৬০০/-
৭	বকণদঙ্গ	”	১৯৯৫	৯,০২,৯১৮	৯.০২,৭০৫/-
৮।	নন্দিনী	”	”	৩,২৫,২৯৫	৩,২৫,২০০/-
৯।	জৈচপুৰী	”	”	৩.৭৯,৩৭৯	৩,৭৯,২০০/-
১০।	কপিলী	ৰৰপেটা	১৯৯২	১৮,১১,৫২৪	১৮,১১,০০০/-
১১।	শিলশুবিজান	কামৰূপ	১৯৯৩	১,২০,০০০	১,১০,০০০/-
১২।	ধোৱাজান	”	১৯৯২	২১,২৩,৪৬৭	২১,২৩,০০০/-
১৩।	৪৬ মযাকলং	মৰিগাওঁ	১৯৯৪	১৮,২১,৪০০	১৮,২০,০০০/-
১৪।	দেওৰা বিল	”	”	৮,৭৮,৮৪০	৮,৭৮,০০০/-
১৫।	কুজিবিল	”	”	৭,৯৬,৯০০	৭,৯৬,২০০/-
১৬।	কাছধৰা	”	”	৮,৯০,৪৬০	৮,৯০,২৩০/-
১৭।	জালুগুটি	”	”	১৩,৬২,৩০০	১৩,৬২,০০০/-

১	২	৩	৪	৫
১৮।	ববমনহা	"	"	৩,৮৪,৮৫৭	৩,৮৪,০০০/-
১৯।	চাবন	"	"	১১,১৩,১৮৫	১১,১৩,০০০/-
২০।	মবিকলং পোটা কলং	নগাওঁ	১৯৯২	১১,৯৮,৩২২	১১,৯৮,৩০০/-
২১	শিবস্থান	"	"	২২,৩৭,৫২০	২২,৩৭,০০০/-
২২।	মেবৰিল	"	"	৮,১৯,৩৫৮	৮,১৯,২০১/-
২৩।	হাবিভঙ্গা	"	"	১২,৭০,৪৮০	১২,৭০,৪২০/-
২৪।	ববাখাল	কাছাব	১৯৯২	৬,০৯,২৩৫	৬,০৯,২০১/-
২৫।	ৰবকবিয়া	"	"	১৪,৮৬,৬৪২	১৪,৮৬,৩৩২/-
২৬।	ৰূপাইবালি	"	"	১২,১৫,৬৪৭	১২,১৫,৪৩২/-
২৭।	ফুলৰাবী	"	"	১৩,৮৫,০১৬	১৩৮৫,০০০/-
২৮।	ভিতৰপুনি	"	১৯৯৫	১০,৩০,৬২২	১০,৩০,৬০০/-
২৯।	ৰাছকান্দি	"	"	২,২৯,৭৭৭	২,২৯,৭০০/-
৩০	সাগৰ বিল	"	"	২,৩৯ ৪৭২	২,৩৯,৪০০/-
৩১।	শিৱনাৰায়ণপুৰ	"	"	৫৭,৬৮০	৪৭,৬০০/-

চৰকাৰৰ পৰা পোৱা পুঁজিৰ উপৰিও বিশ্ব খাদ্য কাৰ্য্যক্ৰমে চাউল, দালি আৰু খোৱা তেল যোগান ধৰে।

গ)	আঁচনি সমূহৰ নাম	ধনৰ পৰিমাণ ও খৰছ	বৰ্ত্তমানলৈকে খৰছৰ পৰিমাণ	ব্যক্তিৰ নাম
১।	৪৬ নং মৰাকলং	১৮,২১,৪০০	১৮,২১,০০০	শ্ৰীজ্যোতিষ চন্দ্ৰ শইকীয়া, সহ প্ৰকল্প বিষয়া।
২।	চাবণ বিল	১২৯,৪৩২	১,২৯,৪০০	ঐ
৩।	ৰবমনহা	৩,৮৪,৮৫৭	৩,৮৪,৮০০	ঐ
৪।	দেওবা	৮,৭৮,৮৪০	৮,৭৮,৮০০	শ্ৰীমহিতোষ বৰ্মন
৫	কুজি	৭,৯৬,৯০০	৭,৯৬,০০০	ঐ
৬।	কাছধৰা	৮,৯০,৪৬০	৮,৯০,৪০০	শ্ৰীজ্যোতি প্ৰসাদ শইকীয়া
৭।	জালুগুটি	১৩,৬২,০০০	১৩,৬২,০০০	ঐ

ঘ) নহয়

ঙ) প্ৰশ্ন নুঠে।

Re : Irrigation Schemes.

Shri Karendra Basumatary asked,

* 73. Will the Minister of Irrigation be pleased to state :

a) Whether Government propose to take up new Irrigation schemes under Mangaldoi Irrigation Division as will as in Tangla Irrigation Division of Darrang Distriet ?

b) Whether allocation against the new schemes for Irrigation development has been alloted in other districts of the State ?

Shri Zahirul Islam (Minister, Irrigation) replied,

a) There is no proposal for taking up new schemes in this year in view of huge spill over costs of the ongoing schemes. The Planning Commission has stressed upon the State to complete all the ongoing schemes before commiting for any new schemes.

b) Not yet.

বিষয় : চৰকাৰৰ ভূমিনীতি।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে,

* ৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৯ চনৰ চৰকাৰৰ ভূমিনীতি অনুসৰি clause 14.3 ৰ উদ্দেশ্য কি ?

খ) বৰ্তমান চৰকাৰৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী মহোদয়ৰ কিমানজন সম্পৰ্কীয় মানুহে গুৱাহাটী মহানগৰীত কিমান পৰিমাণৰ আৰু কিমান মূল্যত মাটি settlement পাইছে জনাবনে ?

শ্ৰীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) চৰকাৰৰ ভূমিনীতি অনুসৰি দফা ১৪.৩ ৰ উদ্দেশ্য হল বৃহত্তৰ গুৱাহাটী

আরু অন্যান্য চহরত ১৫ বছর বা ততোধিক কাল ঘরবাড়ী সাজি বসবাস করি থকা রাজ্যর থলুরা লোকক প্রিমিয়াম আদায় ক্রমে মাটি পট্টন দিয়া।

খ) তেনে কোনো তথ্য চরকারর নথিত নাই।

বিষয় ঃ ব্যক্তিগত শিল্প প্রতিষ্ঠানর নামত নামজারি।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে,

* ৭৫। মাননীয় রাজহ বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) ডিব্রুগড় জিলার জয়পুর মৌজার কাল্‌টুঙোলা গারঁর চরকারী বিজার্ভ দাগর ১৩৫, ১৩৬ আরু ১৪৫ কোনো এটা ব্যক্তিগত প্রতিষ্ঠানর নামত নামজারি করা হৈছে এই তথ্য সত্য নে?

খ) পুৱণি কীর্ত্তি সত্ত্বারে সমৃদ্ধ এই বিজার্ভ দাগ সমূহর মুঠ ২ বি: ১ লেছা মাটি চরকারর কোন স্তরর সিদ্ধান্ত আরু কোন আদেশর বলত এই অবৈধ নামজারি বা নথিভুক্ত করা হ'ল।

শ্রীদেবানন্দ কোঁৱর (রাজহ মন্ত্রী) য়ে উত্তর দিছে,

ক) হয়, সচাঁ।

খ) ইং ৪-১০-৭৫ তারিখর ডিব্রুগড় জিলার অতিরিক্ত উপায়ুক্তর প্রস্তাব মর্ম্মে মেচার্চ শারদা প্লাইউদ কোম্পানীর নামত চরকারর ইং ৭-১২-৭৭ তারিখর নির্দেশ নং আর, এচ, এচ, ১৬৭/৭৬/১২ যোগে উক্ত জমি পট্টনর হুকুম দিয়া হৈছিল আরু ডিব্রুগড় জিলার অতিরিক্ত উপায়ুক্তর ইং ২২-৩-৯১ তারিখর প্রতিবেদন মর্ম্মে উক্ত জমি বজার মূল্য প্রতি বিঘাত ৪,৭৭৩ টকার শতকরা ২০০% হিচাবে চরকারর ইং ৯-১০-৯১ তারিখর আর, এচ, এচ, ১৬৭/৭৬/১৭ যোগে প্রিমিয়াম নির্দ্ধারন করা হৈছিল।

বিষয় ঃ বান আক্রান্ত গাওঁ।

শ্রীকমল ব্রহ্মই সুধিছে,

* ৭৬। মাননীয় রাজহ বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) বিজনী মহকুমাৰ কি কি বাজহ গাওঁক বান আক্রান্ত বুলি চিনাক্ত কৰা হৈছে ?

খ) এই বান আক্রান্ত গাওঁ কেইখনত কিমান পৰিমাণৰ খাদ্য আৰু অন্যান্য সামগ্রী দিয়া হ'ল জনাবনে ?

শ্রীদেবানন্দ কোঁৰৰ (বাজহ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) বিজনী মহকুমাৰ ১৪৪ খন বাজহ গাওঁক বান আক্রান্ত হিচাবে চিনাক্ত কৰা হৈছে (তালিকা এখন ইয়াৰ লগত দিয়া হ'ল) ।

(See the Annexure V)

খ) উক্ত বান আক্রান্ত গাওঁ কেইখনত যোগান ধৰা সামগ্রীৰ তালিকা তলত দিয়া হ'ল—

ক)	চাউল	— ১৯৬৩'৬০	কুইন্টল ।
খ)	দাইল	— ১৩৬'০০	"
গ)	নিমখ	— ৪০'০০	"
ঘ)	মিঠাতেল	— ৫০	টিন
ঙ)	চিৰা	— ৪১৮'৫০	কুইন্টল
চ)	গুৰ	— ৩০'৭০	"
ছ)	আটা	— ১৯৮'১৫	"

বিষয় : পানী যোগান আঁচনি ।

শ্রীমিলন বড়োই সুধিছে

* ৭৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) সৰভোগ ডিভিজন (মাইনৰ) ৰ অন্তর্গত ববপেটাৰোড ছাব-ডিভিজন (মাইনৰ ইৰিগেচন) ত বর্ত্তমানলৈ সর্বমুঠ কিমানটা আচনি নির্মান কৰা হল ? আচনি সমূহৰ নামৰ তালিকা (নির্মাণ কার্য্য শেষ হোৱা চন উল্লেখ কৰি) সদনৰ মেজত দাখিল কৰিব ।

খ) বর্ত্তমান উক্ত আঁচনি সমূহৰ কোন বিলাক আঁচনিৰ জৰিয়তে পানী যোগান ধৰা হৈছে তালিকা সহ জনাবনে ?

গ) কুন্তাৰা ফ্লো-ইৰিগেছন আঁচনিটো পুনৰ কার্য্যক্ষম কৰাৰ বাবে যোৱা ১৯৯১-৯২ বিত্তীয় বর্ষৰ পৰা বর্ত্তমান ১৯৯৫-৯৬ বিত্তীয় বর্ষৰ ভিতৰত

কি কি ব্যৱস্থা লোৱা হৈছিল আৰু উক্ত দ্বিতীয় বৰ্ষলৈকে কিমান কিমান ধন আৱণ্টন দিয়া হৈছিল জনাবনে ?

শ্ৰীজেহিদুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) সৰভোগ Divn. (Minor) ৰ অন্তৰ্গত ৰঙপেটাৰোড Sub-Divn.ত বৰ্ত্তমানলৈ ১৪ খন আঁচনি নিৰ্মান কৰা হৈছে। আচনি সমূহৰ তালিকা নিৰ্মান কাৰ্য্য শেষ হোৱা চন উল্লেখ কৰি প্ৰপত্ৰ (ক)'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annexure VI)

খ) উক্ত আঁচনি সমূহৰ ভিতৰত ৭ খন আচনিত আংশিক ভাবে পানী যোগান ধৰি থকা হৈছে। পানী যোগান ধৰা আচনি সমূহৰ তালিকা প্ৰপত্ৰ (খ) ৰ জৰিয়তে সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annexure VII)

গ) কুণ্ডীৰা Flow Irrigation আচনি আংশিক ভাবে কাৰ্য্যক্ষম হৈ আছে। আচনিটো সম্পূৰ্ণ কাৰ্য্যক্ষম কৰিবলৈ দ্বিতীয় নাটনিৰ বাবে কোনো ব্যৱস্থা লোৱা হোৱা নাই। ১৯৯১-৯২ দ্বিতীয় বৰ্ষৰ পৰা ১৯৯৫-৯৬ দ্বিতীয় বৰ্ষলৈ (জুনলৈ) খৰছৰ হিচাব প্ৰপত্ৰ (গ)ত সদনৰ মেজত দিয়া হ'ল।

(See the Annexure VIII)

বিষয় : খাস মাটিৰ বিৱৰণ।

মোঃ মহিবুল হকে সুধিছে,

* ৭৮। মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী জিলাত সৰ্ব্বমুঠ কিমান খাস মাটি আছে ?

খ) উক্ত মাটি কোন কোন চাৰ্কোলৰ কোন স্থানত আছে, ইয়াৰ এখন তালিকা সদনৰ মেজত দিবনে ?

গ) যোৱা ৪ বছৰত সৰ্বমুঠ কিমান মাটি ভূমিহীন ব্যক্তি সকলৰ মাজত বিতৰণ কৰা হৈছে, সমষ্টি ভিত্তিত তালিকা দিবনে ?

শ্রীদেৱানন্দ কৌৰৱ (বাজহ মন্ত্রী) য়ে উত্তৰ দিছে.

ক) ধুবুৰী জিলাত খাল মাটি সৰ্বমুঠ ৬,৩০,৬১৯ বিঘা ১ কঠা ১৭½ লেচা আছে ।

খ) তথ্য অনুসন্ধি উক্ত মাটিৰ তালিকা তলত দেখুৱা হ'ল ।

১।	ধুবুৰী	চাৰ্কোল	৫২,৫৭৯	বিঘা	০	কঠা	১৭½ লেচা
২।	গোলকগঞ্জ	"	৮৮,৮২৬	"	৩	"	৭ "
৩।	আগমনি	"	১৮,২১৫	"	৩	"	৬ "
৪।	বিলাসীপাৰা	"	৮,৯৫৮	"	১	"	১৯ "
৫	ৰগৰীবাৰী	"	২,২১,৫৩৯	"	২	"	১৬ "
৬	চাপৰ	"	২৬,৮৩৩	"	২	"	২ "
৭।	দক্ষিণশালমৰা	"	১,৭৭,২৮৯	"	১	"	১২ "
৮।	মানকাচাৰ	"	৯৬,৩৭৫	"	১	"	১৮ "

মুঠ — ৬,৩০,৬১৯ বিঘা ১ কঠা ১৭½ লেচা

গ) যোৱা চাৰি বছৰত সৰ্বমুঠ—৬,৫৩৮ বিঘা ৩ কঠা ৩½ লেচা মাটি ভূমিহীন লোকক সংলগ্নিত তালিকাত দেখুৱা ধৰণে সমষ্টি ভিত্তিত দিয়া হৈছে ।

(See the Annexure IX)

বিষয় : বানপানীত ক্ষয় ক্ষতি ।

শ্রীমুনীন মহন্তই সুধিছে.

* ৭৯. মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯৫ চনৰ বানপানীত অসমৰ বিভিন্ন জিলাত কিমান হেক্টৰ খেতিয়ক মাটিৰ অনুমানিক কিমান শস্যৰ ক্ষতি হ'ল আৰু কৃষক পৰিয়ালৰ সংখ্যা জনাবনে ?

(জিলা ভিত্তিত বেলেগে মাটিৰ পৰিমাণ, কৃষক পৰিয়ালৰ সংখ্যা আৰু আনুমানিক শস্য নষ্ট হোৱাৰ বিৱৰণ দিব) ।

খ) 'শস্য বীমা আঁচনিত' অন্তর্ভুক্ত হিচাবে থকা কৃষকৰ সংখ্যা আৰু সুবিধা পোৱাৰ ব্যৱস্থা সম্পর্কে জনাবনে ?

গ) বানপানীত ক্ষতিগ্রস্ত লোক সকললৈ চৰকাৰে কঠিয়া যোগানকৈ কৰি সাহায্য আগবঢ়াইছে নে ?

ঘ) যদি দিয়া হৈছে কি কি ভাবে সাহায্য দিয়া হৈছে ?
(বিভিন্ন জিলা ভিত্তিত সাহায্যৰ পৰিমাণ বেলেগে বেলেগে দি সদনৰ মেজত দিব) ।

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) ১। খেতিৰ মাটি ৫,৮০,৩৪৪ হেক্টৰ ।

২। শস্যৰ ক্ষতিৰ পৰিমাণ আনুমানিক ১৩৮,৬৯ কোটি টকা ।

৩। কৃষক পৰিয়ালৰ সংখ্যা ৭,৮৩,২২৯ টা ।

(জিলা ভিত্তিত তালিকা গাঠি দিয়া হল) Annexure I

খ) ১৯৯৫ চনৰ খাৰিফ বতৰ চলি থকা বাবে শস্য বীমা আঁচনিৰ অন্তর্ভুক্ত কৃষকৰ প্রকৃত সংখ্যা ভাৰতীয় সাধাৰণ জীৱন বীমাৰ পৰা এতিয়াও পোৱা নাই। খাৰিফ বতৰ শেষ হলেহে এই তথ্য পোৱা যাব।

গ) হয়, হৈছে ।

ঘ) চৰকাৰে বান বিধ্বস্ত খেতিয়ক সকলৰ সাহায্যৰ অর্থে ১ কোটি টকা আৱণ্টন দিছে। এই টকা ১৮ খন বান বিধ্বস্ত জিলাৰ উপায়ুক্ত সকললৈ পঠিওৱা হৈছে। জিলা উপায়ুক্ত সকলে জিলা কমিটিৰ জৰিয়তে হিতাধিকাৰীৰ তালিকা প্রস্তুত কৰি জিলা উপায়ুক্তৰ অনুমোদন সাপেক্ষে মাটি মাহৰ বীজ, কঠিয়া ধান, গছ কঠিয়া ১৮ খন জিলাত আৱণ্টন কৰিবলৈ দিয়া হৈছে। ইয়াৰ বাহিৰেও মাটি চহাবৰ বাবে সম্ভৱপৰ হলে ট্রেক্টৰেৰে হাল বাই দিয়া আৰু প্রয়োজন বোধে কীট নাশক ঔষধ দিয়াৰো ব্যৱস্থা কৰা হৈছে।

জিলা ভিত্তিত ক্ষতিগ্রস্ত জিলাৰ বিতৰণৰ তালিকা সদনৰ মজিয়াত দিয়া হল। Annexure I তে দিয়া হল।

(See the Annexure X)

বিষয় : গুৱাহাটী সংলগ্নৰ জলসিঞ্চন আঁচনি।

শ্রীঅতুল বৰাই সুধিছে,

৮০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) জলসিঞ্চন বিভাগৰ গুৱাহাটী সংমণ্ডলত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ এ
দুটা বিত্তীয় বছৰত কিমান টকাৰ কাম হৈছে আৰু আঁচনি সমূহ
নাম আৰু প্ৰতিখন আচনিৰ বিপৰীতে কিমান টকা ধৰা হৈছে আৰু
কিমান টকা খৰছ কৰা হৈছিল জনাবনে ?

খ) কোন কেইজন ঠিকাদাৰে বা ঠিকা কৰা ফাৰ্ম বা যোগানকাৰীয়ে উক্ত
দুটা বছৰত কিমান টকা আদায় পাইছে জনাবনে ?

গ) মেৰামতিৰ নামত কিমান টকা ? দমহা দিয়াৰ নামত কিমান টকা
নতুন আচনিৰ নিৰ্মাণ কামত কিমান উক্ত দুটা বছৰত খৰছ কৰি কৰ
হৈছে জনাবনে ?

ঘ) অসমৰ বিভিন্ন সংমণ্ডলত বিত্তীয় বিভাগে ডব্লিও/চি আৰু মাষ্টাৰ ৰোল
বা ফিক্স পেত নিযুক্তি বন্ধ ক'ৰ বখাৰ সময়ত আপোনাৰ বিভাগ
নিযুক্তি দি থকা হৈছে নেকি জনাবনে ?

শ্ৰীজেহিকুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) গুৱাহাটী সংমণ্ডল জলসিঞ্চনত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ বিত্তীয় বছৰ
দুটাত যথাক্ৰমে ২৮'০৪ লাখ আৰু ৩৫'৭৬ লাখ টকাৰ কাম হৈছে
তাৰ বিপৰীতে যথাক্ৰমে ৫'১৬ লাখ টকা আৰু ১৯'৬৮ লাখ টকা খৰচ
কৰা হৈছে আচনি সমূহৰ নাম, টকাৰ পৰিমান আৰু খৰছ প্ৰ-প
'ক'ত দেখুওৱা হৈছে ।

(See the Annexure XI)

খ) ঠিকাদাৰ বা ঠিকা কৰা ফাৰ্ম বা যোগানকাৰীয়ে আদায় পোৱা টকা
হিচাব প্ৰ-পত্ৰ 'খ'ত দেখুওৱা হৈছে ।

(See the Annexure XII)

গ) উক্ত বছৰ দুটাত যথাক্ৰমে মেৰামতিৰ নামত ০'৪০ লাখ টকা আ
১'৩৬ লাখ টকা W/C, ফিক্স পে, আৰু মাষ্টাৰ ৰোল শ্ৰমিকৰ দৰ
মহাৰ বাবে ২৭'৩৪ লাখ টকা আৰু ২১'৮৯ লাখ টকা আৰু নতু
আঁচনি নিৰ্মাণৰ কামত ৫'১৬ লাখ টকা আৰু ১৯'৫৮ লাখ টকা খৰ
কৰা হৈছে ।

ঘ) চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী ১-৪-৯৩ চনৰ পাছত W/C, M.R.
Fixed pay ত নিযুক্তি বন্ধ ৰখা হৈছে সেই মৰ্ম বিভাগৰ বিষয়াবৰ্গ

নির্দ্দেশ দিয়া হৈছে। নিযুক্তি বন্ধ কৰি আজ্ঞা দিয়া সময়তে দুই এটা সংমণ্ডলৰ কেনে নিযুক্তিৰ খবৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে তৎকালিন ভাবে সেইবোৰ নিযুক্তি বাতিল কৰা হৈছে আৰু সংশ্লিষ্ট বিষয়াৰ বিৰুদ্ধে বিভাগীয় ভাবে ব্যৱস্থা লোৱা হৈছে। অৱশ্যে দুই এটা ক্ষেত্ৰত সমপুৰক ভিত্তি আৰু মানবীয়তাৰ খাতিৰত বিশেষ বিবেচনা কৰা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় : সমবায়ৰ জৰিয়তে ঘেঁহু বিতৰণ।

হীন চন্দ্ৰ দাসে সুধিছে,

। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

) নগাওঁ জিলাত ১৯৯৫ চনৰ প্ৰতিমাহে মিনি মদাৰ্ন মিল বিলাকত কিমানকৈ PDS অৰ ঘেঁহু দিয়া হৈছে আজিলৈকে জনাবনে ?

) যথাবিধিমতে মিল বিলাকে বাইজৰ মাজতে আটা বিতৰণ কৰেনে ?

) যদি কৰে তেন্তে ১৯৯৫ চনৰ জানুৱাৰী মাহৰ পৰা আগষ্ট মাহলৈকে কোন কোন সমবায়ৰ জৰিয়তে বিতৰণ কৰিছে জনাবনে ?

অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

) নগাওঁ জিলাত ১৯৯৫ চনৰ প্ৰতিমাহে মিনি মদাৰ্ন মিলবিলাকত বাজহুৱা বিতৰণ ব্যৱস্থাৰ ঘেঁহু আবণ্টন দিয়াৰ পৰিমান অনুবদ্ধ ১ত দেখুৱা হ'ল।

(See the Annexure XIII)

মিলবিলাকে পোনপতীয়াকৈ বাইজৰ মাজত আটা বিতৰণ কৰাৰ বিধি নাই। মিলবিলাকত বাজহুৱা বিতৰণ ব্যৱস্থাৰ আবণ্টিত ঘেঁহুৰ পৰা উৎপাদিত আটা, জিলাধিপতি/মহকুমাধিপতিয়ে সমবায় সমিতি, সুলভ মূল্যৰ দোকান, ৱেডফেড আদিৰ জৰিয়তে মিলবিলাকৰ পৰা উঠাই

বাইজৰ মাজক বিতৰণ কৰে।

গ) ১৯৯৫ চনৰ জানুৱাৰী মাহৰ পৰা আগষ্ট মাহলৈকে আটা বিতৰণ কৰা সমবায় সমিতি আদিৰ তালিকা অনুবন্ধ ২ ত দেখুৱা হ'ল।

(See the Annexure XIV)

Re : Proposal for Irrigation Project.

Shri Derhagra Muchahary asked,

118. Will the Minister of Irrigation be pleased to state :

a) Whether Government have proposed to take up the Irrigation Project on river Darrang near Sandrup Jongkar under Tamulpur Constituency ?

b) If yes, when work will be started and what would be the amount involve for the said Project ?

Shri Zahirul Islam (Minister, Irrigation) replied,

a) Yes, There is a proposal for flow Irrigation scheme on river Darrang near Sandrup Jongker under Tamulpur Constituency.

b) Due to inadequacy of fund, no new schemes could be taken up as yet.

Re : Regularisation of Service.

Shri Hitendra Nath Goswami asked,

119. Will the Minister of Irrigation be pleased to state :

What action the Chief Engineer, Irrigation Department has taken on the letter of Executive Engineer, Jorhat Mech. Divn. (Irrigation) bearing No. MIJ/M/37/25/441 dtd. 10-3-95 whereby the case of Shri Hemanta Das a

M/R Worker of the Jorhat Mech. Division has been recommended for regularisation of his service to fill up the back-log of S. C. quota in the division ?

Shri Zahirul Islam (Minister, Irrigation) replied,

Govt. has taken already a policy decision to regularies all W/C & M/Roll workers who were engaged prior to 1-4-93. Accordingly the list of such workers had been sought for from all divisions, but till date information has been received from 48 (forty eight) divisions only out of 68 (sixty eight) divisions and same have been sent to the Finance Department for concurrence.

Jorhat Mechanical Division is also one of the defaulting division. The Exacutive Engineer, Jorhat Mechanical (Irrigation) forwarded the case of Sri Hemanta Das vide letter No. MIJ/M/37/25/441 dt. 10-3-95 as an individual case for regularisation of his service. But as the process is on for all employees, engaged prior to 1-4-93 no action has been taken against an individual proposal.

বিষয় ঃ জোখ মাখ বিভাগৰ প্ৰচাৰ শাখা

শ্ৰীবিনোদ গোৱালা
শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী } য়ে সুধিছে,

১২০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰৰ অধীনত থকা জোখ মাখ বিভাগটো নতুনকৈ নামাকৰণ কৰা হৈছে নেকি ? যদি হৈছে কিদৰে কৰিছে ?

খ) এই বিভাগত এটা প্ৰচাৰ শাখা আছে নেকি আৰু এই শাখাটোৰ নিয়ন্ত্ৰকৰ কাৰ্য্যালয়ত এজন প্ৰচাৰ বিষয়া, এজন সহকাৰী প্ৰচাৰ বিষয়া

আৰু প্ৰতিটো সহকাৰী নিয়ন্ত্ৰকৰ কাৰ্য্যালয়ত এজোজনকৈ প্ৰচাৰ সংগঠক থাকে নেকি? এই পদবী সমূহত কাম কৰি থকা কৰ্মচাৰী সকলে শাখাটোৰ ভিতৰতে কোনো পদোন্নতিৰ ব্যৱস্থা নাই নেকি? যদি নাই কিয়?

গ) জোখ মাখ বিভাগৰ পৰিদৰ্শক পদটোৰ ক্ষেত্ৰত চাভিচ কল অনুসৰি বিজ্ঞান স্নাতকহে যোগ্য বুলি আছে নেকি? যদি আছে বিভাগত বিজ্ঞানৰ স্নাতক নোহোৱা কিমানজনে পৰিদৰ্শক পদত চাকৰি কৰি আছে তেওঁলোকক কি ভিত্তিত মকৰল কৰা হৈছে?

ঘ) প্ৰচাৰ শাখাটোৰ কৰ্মচাৰী সকলৰ পদোন্নতিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লব?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) নাই হোৱা নাই। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীনত থকা নিয়ন্ত্ৰক, জোখ মাখ (Controller, Weights and Measures) আদি পদবী কেইটা চৰকাৰী জাননী নং এফ, এচ, এ ৯৪/৯৩/৭, তাং ১৮/৭/৯৫ ইং যোগে নতুনকৈ নামাকৰণ কৰা হৈছে।

খ) হয় আছে। নিয়ন্ত্ৰকৰ কাৰ্য্যালয়ত এজন প্ৰচাৰ বিষয়া, এজন সহকাৰী প্ৰচাৰ বিষয়া আৰু মুঠ ১৩টা সহকাৰী নিয়ন্ত্ৰক কাৰ্য্যালয়ৰ বিপৰীতে ১৩ জন প্ৰচাৰ সংগঠক আছে। এই পদবী বোৰৰ কোনো পদোন্নতিৰ ব্যৱস্থা নাই যেহেতু এই পদবোৰ বৰ্গহীন (Ex-Cadre) আৰু কোনো সেৱাবিধিৰ অন্তৰ্ভুক্তও নহয়।

গ) হয় আছে। এই বিভাগত বৰ্ত্তমানে ৮ জন পৰিদৰ্শকে বিজ্ঞানৰ স্নাতক হোৱাকৈ কাম কৰি আছে। পদ সমূহ খালী হোৱাৰ সময়ত, সেই সময়ৰ বিভাগীয় সেৱাবিধিৰ বিধি অনুসৰি আৰু অসম লোকসেৱা আয়োগে কৰা বাচনিৰ ভিত্তিত চৰকাৰৰ দ্বাৰাই মকৰল কৰা হৈছে।

ঘ) সদ্যহতে কোনো ব্যৱস্থা হাতত লোৱা নাই।

বিষয় : মীন পালকক মীন ঋণ

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মই সুধিছে,

১২১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) মীন সঞ্চালক বিভাগত যোৱা ১৯৮৬ চনৰ পৰা এতিয়ালৈকে (১৯৯৫) জনজাতিৰ কিমান জন মীন পালকক মীন ঋণ দিয়া হৈছে ?

শ্রীচামছুল হুদা (মীন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) মীন সঞ্চালক বিভাগৰ জৰিয়তে ১৯৮৬ চনৰ পৰা ১৯৯৫ চনলৈ কোনো মীন পালক/হিতাধিকাৰীক মীন ঋণ পোনপটীয়াকৈ দিয়া হোৱা নাই, কাৰণ মীন বিভাগৰ এনে পোনপটীয়াকৈ ঋণ দিয়াৰ আঁচনি নাই।

বিষয় : ছুটকীয়া চাউল যোগান

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে,

১২২। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ৰাজ্য চৰকাৰে ছুখীয়া পৰিয়াললৈ ছুটকীয়া চাউল যোগান আঁচনিত অসমৰ কিমানটা পৰিয়ালক আজি তাৰিখলৈ অন্তর্ভুক্ত কৰিছে ?

খ) এই আঁচনিৰ অধীনৰ ধেমাজি জিলাত কিমানটা ছুখীয়া পৰিয়াল অন্তর্ভুক্ত কৰা হৈছে সম্পূর্ণ নাম ঠিকনা ও পৰিয়ালৰ সদস্য সংখ্যাৰে এখন তালিকা সদনৰ মেজত দাখিল কৰিব ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) ই উত্তৰ দিছে,

ক) ১৫,৮০,৩৫৭ টা পৰিয়ালক এতিয়ালৈ অন্তর্ভুক্ত কৰা হৈছে।

খ) ধেমাজী জিলাত এই আঁচনিত ৩৯,৪৮০ টা দৰিদ্র সীমাৰেখাৰ তলৰ পৰিয়ালক অন্তর্ভুক্ত কৰা হৈছে। নাম আৰু ঠিকনা সংশ্লিষ্ট স্থানীয় কর্তৃপক্ষৰ পৰা বিচৰা হৈছে পালেই সদনৰ মজিয়াত দাখিল কৰা হব।

বিষয় : মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা

শ্রীমতী কণম কুৰ্ম্মীয়ে সুধিছে,

১২৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) মৰিয়নী সমষ্টিৰ চাহ শ্ৰমিকে ভোগদখল কৰি থকা আৰু বাৰ বিঘা
লোক সকলক চৰকাৰী মাটিত থাকিবলৈ দিয়া লোকক চৰকাৰে কী
পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে ? যদি কৰে কেতিয়া ?

খ) মৰিয়নী নগৰৰ ৫টা ওৱার্ডৰ মানুহে ভোগদখল কৰি থকা চৰকাৰী মাটি
পট্টা দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব ? যদি কৰে কেতিয়া ?

শ্রীদেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) ব্যৱস্থা কৰি থকা হৈছে । চলি থকা জৰীপৰ কাম শেষ হলেই পট্টা
দিয়া হব ।

খ) পট্টা দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে ।

বিষয় : জলসিঞ্চনৰ ব্যৱস্থা লোৱাৰ প্রতিশ্রুতি ।

শ্রীপানীৰাম বাঙাই সুধিছে,

১২৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কাৰ জনাবনে

ক) উত্তৰকুছি চকিত বান্ধ (Chaki) নিৰ্মাণ কৰি জলসিঞ্চনৰ বাবে ব্যৱস্থা
লবলৈ মন্ত্রী মহোদয়ে যোৱা বিধান সভাত প্রতিশ্রুতি দিয়াৰ বিষয়ে
অৱগতনে ? আৰু যদি অৱগত, কার্য্যকৰী ব্যৱস্থা নোলোৱাৰ কাৰণ কি
জনাবনে ?

খ) আলগাজাৰ জলসিঞ্চন আঁচনি দুটাৰ বিষয়ে চৰকাৰ অৱগতনে ?

গ) যদি অৱগত, কার্য্যকৰী ব্যৱস্থা লব নেকি ?

শ্রীজেহিকল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয় অৱগত । এই আঁচনিৰ বাবে প্রাক্কলন যুগুত কৰা হৈছে
কিন্তু দ্বিতীয় নাটানিৰ বাবে কার্য্যকৰী কৰিব পৰা হোৱা নাই ।

খ) আলগাজাৰ জলসিঞ্চন আঁচনি নামৰ কোনো আঁচনি নাই । কিন্তু
"আলেকজাৰ গভীৰ নলী-নাদ" নামৰ এখন জলসিঞ্চন আঁচনি আছে ।

গ) হয়, কার্য্যকৰী ব্যৱস্থা লৈ থকা হৈছে ।

Re : Irrigation Sub-Division at Ramkrishna Nagar.

Shri Rampyare Rabidas asked,

125. Will the Minister of Irrigation be pleased to state

a) Whether Government has taken step to setup the proposed Irrigation Sub-Divisional Office at Ramkishna Nagar in the interest of poor cultivations ?

b) Whether the proposal was placed and approved in the departmental Planning committee's meeting ?

If yes, when ?

If not, why ?

c) Has it already sent to the Planning & Development (P & D) as well as Finance Secretariat for their approval ?

If yes, when ?

d) If not, why ? Whether the Government will expedite the process so that the Irrigation Office may be set-up soon ?

hri Zahirul Islam (Minister Irrigation) replied,

a) Yes.

b) Yes, on 12-7-95.

c) Sent to Planning & Development Department on 31-7-95 and approved by them on 16-8-95. Sent to Finance Department on 16-9-95.

d) The proposal is under examination in the Finance Department.

বিষয় : বানপানীত ক্ষতিগ্রস্ত পুখুৰী সম্পৰ্কত।

ীভূপেন বাৰ্য়ে সুধিছে,

২৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বঙাইগাওঁ জিলাত হৈ যোৱা বানপানীত বাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ মীন পালন পুখুৰী সমুহৰ ক্ষতিগ্রস্ত হোৱা কথাটো চৰকাৰৰ অৱগতনে ?

খ) যদি অন্তৰ্গত, কিমানটা পুখুৰী ক্ষতিগ্ৰস্ত হৈছে অনুগ্ৰহ কৰি জনাবনে

গ) উক্ত পুখুৰী সমূহৰ বাবে ক্ষতিপূৰণ আদায় দিয়াৰ কিবা ব্যৱস্থা বিভাগে হাতত লৈছেনে? যদি লৈছে কি ব্যৱস্থা হাতত লৈছে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীচামছুল হুদা (মন্ত্ৰী, মীন বিভাগ) য়ে উত্তৰ দিছে,

ক) হয়, চৰকাৰ অন্তৰ্গত।

খ) বঙাইগাওঁ জিলাৰ বঙাইগাওঁ, শালমাৰা আৰু বিজনী মহকুমাৰ ব্যক্তিগত খণ্ডৰ ১০২২ টা পুখুৰীৰ (মুঠ পানী আলি ১২৬'১৩ হেক্টৰ) ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰী খণ্ডৰ বৌমাৰী আৰু অভয়াপুৰী মীন পামৰ মুঠ ১'৬ হেক্টৰ পানী আলিৰ ৭ টা পুখুৰী ক্ষতিগ্ৰস্ত হৈছে।

গ) হয়। এই পুখুৰী সমূহৰ ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে।

বিষয়: জলসিঞ্চন আঁচনিৰ কাম

ডঃ জয়নাথ শৰ্মাই সুধিছে,

১২৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) ছিপাঝাৰ সমষ্টিত জলসিঞ্চনৰ কোন কোন আঁচনিৰ কাম চলি আছে (নিৰ্মিত অৱস্থাত) (নিৰ্মাণৰ অগ্ৰগতি ১৯৮৮ চনৰ পৰা বাৰ্ষিক ভিত্তিত দেখুৱাব)

খ) ফুকৰা LISs ৰ কাম কেতিয়া আৰম্ভ হৈছিল? উক্ত আঁচনিৰ কাম ১৯৯১-৯২ চনৰ পৰা বাৰ্ষিক ভিত্তিত অগ্ৰগতি দেখুৱাবনে?

গ) ১৯৯১ চনৰ পৰা দৰং জিলাৰ বিভিন্ন আঁচনিৰ কামৰ অগ্ৰগতি ক'ত কিমান হৈছে?

ঘ) ছিপাঝাৰ সমষ্টিত কৰ্মক্ষম হৈ থকা আঁচনি সমূহৰ নাম জনাবনে?

শ্ৰীজেহিকল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) ছিপাঝাৰ সমষ্টিত মঙ্গলদৈ সংমণ্ডলৰ অধীনত ১২ খন, টংলা সংমণ্ডলৰ অধীনত ১ খন আৰু মঙ্গলদৈ অনুসন্ধান সংমণ্ডলৰ অধীনত ৪ খ সৰ্ব্বমুঠ ১৭ খন আচনিৰ কাম চলি আছে। (নিৰ্ম্মাণৰ অগ্ৰগতি ১৯৮

চলন্ত পন্থা বার্ষিক ভিত্তিত প্র-পত্র 'ক' ত সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annexure XV)

খ) কুকৰা জলসিঞ্চন আঁচনিখন ১৯৮৭ চনৰ মাৰ্চ মাহত প্রশাসনীয় অনুমোদন পোৱা হয় আৰু তেতিয়াৰ পৰাই কাম আৰম্ভ হয়। কামৰ অগ্রগতি সদনৰ মেজত দাখিল কৰা প্র-পত্র 'ক'ৰ ক্রমিক নং ২ ত দেখুৱা হৈছে।

(See the Annexure XV)

গ) ১৯৯১ চনৰ পন্থা দৰং জিলাৰ বিভিন্ন আঁচনিৰ কামৰ অগ্রগতি প্র-পত্র নং 'খ' ত সদনৰ মেজত দাখিল কৰা হল।

(See the Annexure XVI)

ঘ) ছিপাঝাৰ সমষ্টিত টংলা সংমণ্ডলৰ অধীনত কেৱল ৰবনদী, জলসিঞ্চন আঁচনি কার্য্যক্ষম অৱস্থাত আছে।

বিষয় : জলসিঞ্চন বিভাগৰ অনিয়ম।

: কমলা কলিতাই সুধিছে,

৮৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) যোৱা ৯ এপ্রিল, ১৯৯৫ ইং তাৰিখে "আজিৰ অসম" কাকতত প্রকাশিত "অগাধ দুর্নীতি অনিয়মৰ বোকাত নিমজ্জিত জলসিঞ্চন বিভাগ" শীর্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে ?

খ) যদি হৈছে, তেন্তে বাতৰিত উল্লেখিত অভিযোগ সমূহৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

গ) যদি তদন্ত হৈছে, ইয়াৰ প্রতিবেদন সদনৰ মেজত ৰাখিবনে ?

জেহিকল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হয়, দৃষ্টিগোচৰ হৈছে।

খ) বিভাগীয় ভাৱে তদন্ত কৰি থকা হৈছে। কিন্তু এতিয়ালৈ তদন্ত সম্পূর্ণ হোৱা নাই।

গ) (খ) উত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিষয় : কেৰাচিন তেলৰ বিতৰণ।

শ্ৰীযতীন মাজীয়ে সুধিছে,

১২৯। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰতিখন জিলাত বৰ্ত্তমান কিমানকৈ কেৰাচিন তেল বিতৰণ কৰি আছে জনাবনে ?

(জিলাভিত্তিত সদনৰ মেজত তথ্য দিব)

খ) কেৰাচিন তেল জিলাভিত্তিত বিতৰণ কৰা সম্পৰ্কীয় সিদ্ধান্ত সাধাৰণতে কোনে লয় ।

গ) ১৯৯০ চনৰ পৰা ১৯৯৫ চনৰ ৩১ জুলাই পৰ্য্যন্ত অসমৰ বিভিন্ন জিলাত কিমান পৰিমাণৰ কেৰাচিন বিতৰণ কৰা হৈ আছে সবিশেষ জনাবনে ? বছৰ ভিত্তিত তথ্য সদনৰ মেজত দিব।

ঘ) কামৰূপ জিলাৰ বাবে আৱণ্টিত কেৰাচিনৰ পৰিমান ১৯৯০ চনৰ পৰা ১৯৯৫ চনৰ ৩১ জুলাই পৰ্য্যন্ত কিমান জনাবনে ?

ঙ) হঠাতে কামৰূপ জিলাৰ বাবে আৱণ্টিত কেৰাচিনৰ পৰিমান কমাই দিয়াটো সঁচানে ?

চ) যদি সঁচা, ইয়াৰ কাৰণ জনাবনে ?

ডা: অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) ৰে উত্তৰ দিছে,

ক) অসমৰ প্ৰতিখন জিলাত কেৰাচিন তেলৰ আৱণ্টনৰ তালিকা ইয়াৰ লগত (অনুবন্ধ-১) সংলগ্ন কৰি দিয়া হ'ল।

(See the Annexure XVII)

খ) কেৰাচিন তেল জিলাভিত্তিত বিতৰণ কৰা সম্পৰ্কীয় সিদ্ধান্ত চৰকাৰৰ ফালৰ পৰা লোৱা হয়।

গ) ১৯৯০ চনৰ পৰা ১৯৯৫ চনৰ ৩১ জুলাই পৰ্য্যন্ত প্ৰতি জিলাৰ বাবে বছৰ ভিত্তিত বিতৰণ কৰা কেৰাচিন তেলৰ তালিকা ইয়াৰ লগত (অনুবন্ধ-২) গাঠি দিয়া হ'ল।

(See the Annexure XVIII)

খ) ১৯৯০ চনৰ পৰা ১৯৯৫ চনৰ ৩১ জুলাই পৰ্য্যন্ত কামৰূপ জিলাৰ বাবে আৱণ্টিত কেৰাচিনৰ পৰিমাণৰ তালিকা ইয়াৰ লগত (অনুবন্ধ-১) পাঠি দিয়া হ'ল।

(See the Annexure XIX)

ঙ) সঁচা।

চ) জনসংখ্যা ভিত্তিত আৱণ্টন দিয়াৰ বাবে কামৰূপ জিলাত দিয়া কেৰাচিন তেলৰ অতিৰিক্ত পৰিমান যোগান কমাই দিয়া হৈছে।

বিষয় : কেৰাচিন তেলৰ বিতৰণ

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে,

১৩০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ধুবাইগাওঁ জিলাৰ নামত আৱণ্টিত কেৰাচিন তেল কাটি নগাওঁ জিলাৰ হোজাইত নিয়া কথাটো সঁচানে ?

খ) অসমত কেৰাচিন তেল গাওঁৰ চুবীয়া জনসাধাৰণে নিয়মিত ভাৱে পোৱা নাই বুলি বিভিন্ন সময়ত বাতৰি কাকতত দেখিবলৈ পোৱা যায় এই কথাটো সঁচানে ?

গ) নিত্য প্রয়োজনীয় সামগ্রী বিতৰণৰ খেলিমেলিও কলা বেপাৰী সকলক দমন কৰাত মন্ত্রী মহোদয়ে ব্যৱস্থা লোৱা নাই বুলি কোৱা অভিযোগ সঁচানে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) সঁচা নহয়।

খ) মাজে সময়ে কেৰাচিন তেল গাওঁৰ চুবীয়া জনসাধাৰণে নিয়মিতভাৱে পোৱা নাই বুলি সময়ে সময়ে বাতৰি কাকতৰ যোগে প্রকাশিত অভিযোগৰ বিষয়ে চৰকাৰ অৱগত। কিন্তু কথাটো সঁচা নহয়।

গ) সঁচা নহয়।

বিষয় ঃ বানপানীত ক্ষতিগ্রস্ত কৃষক পৰিয়াল

শ্রীভৃগু কুমাৰ ফুকনে সুধিছে,

১৩১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চলিত বছৰৰ ধাৰাবাহিক বানত বাজ্যখনত কিমান হেক্টৰ মাটিৰ খেতি নষ্ট হৈছে আৰু কিমান কৃষক পৰিয়াল ক্ষতিগ্রস্ত হৈছে ?

খ) ক্ষতিগ্রস্ত কৃষক পৰিয়ালসৈ অন্তৰ্বর্ত্তী কালীন সাহায্য দিয়া হৈছেনে ? যদি হৈছে, কেনে ধৰণৰ সাহায্য দিয়া হৈছে ?

গ) উক্ত বান বিধ্বস্ত অঞ্চলত আগন্তুক কৃষি বতৰত কৃষি উৎপাদনৰ বাবে কি আঁচনি লোৱা হৈছে ?

ঘ) ক্ষতিগ্রস্ত কৃষক পৰিয়ালসৈ আগন্তুক কৃষি বতৰত কৃষি উৎপাদনৰ বাবে কিবা সকাহ দিয়াৰ ব্যৱস্থা কৰা হবনে ? যদি হয় কোন ধৰনে সকাহ দিয়া হব ?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) চলিত বছৰৰ তিনিটা বানত মুঠতে ৫,৮০,৩৪৪ হেক্টৰ মাটিৰ খেতি নষ্ট হয় আৰু ৭,৮৩,২২৯ জন কৃষক পৰিয়াল ১৯ খন জিলাত ক্ষতিগ্রস্ত হয়।

খ) হয় হৈছে। চৰকাৰৰ তৰফৰ পৰা বিহিত ব্যৱস্থা লবলৈ সর্বমুঠ ১ কোটি টকা অনুদান দিয়া হয়। উক্ত টকা বিভিন্ন জিলাত ক্ষতিগ্রস্ত কৃষকৰ পৰিয়াল অনুপাতে ১৮ খন জিলাত ভগাই দিয়া হয়। উক্ত টকাৰে খাৰিফ বতৰত বিভিন্ন জিলাত ধানৰ বীজ, কঠিয়া বা মাটি মাহৰ বীজ আৰু শালি ধানৰ কঠিয়া বিতৰণৰ ব্যৱস্থা লোৱা হৈছে।

গ) আগন্তুক কৃষি বতৰত (ৰবি) খেতিৰ বাবে ঘেঁহু, সৰিয়হ, বাদাম, মটৰ মাহ, বাজমাহ, মচুৰ মাহ, গ্রীষ্মকালিন মুগ আৰু মাটিমাহ আৰু বৰোধানৰ বীজ বিতৰণৰ ব্যৱস্থা বাবি জগতে ট্রেক্টৰেৰে হাল বোৱা আৰু শস্য সংৰক্ষনৰ ব্যৱস্থা সহ ৯৭৪'৫০ লাখ টকাৰ আচনি যুগুতাই আৱণ্টনৰ বাবে অনুৰোধ জনাই বাজহ বিভাগত দাখিল কৰা হৈছে।

ঘ) ওপৰত 'গ' অংশৰ আচনি মতে ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে।

Re : Agriculture Farming Corporation.

Shri Promode Gogoi asked,

132. Will the Minister of Agriculture be pleased to state :

a) Whether the Board of Directors of Agriculture Farming Corporations in Assam have been elected as per provisions of the Act & Rules ?

b) If not, what are the reasons for not holding Elections in the Agricultural Farming Corporations since a long time ?

Smti. Syeda Anowara Taimur (Minister, Agriculture) replied,

a) It is a fact that elections in the Agriculture Farming Corporations could not be held as per provisions of the A.F.C. Act, 1973.

b) Some of the reasons to which the delay in holding elections in the Agriculture Farming Corporations can be attributed to non-demarcation of bounderies of the land allotted to the Agriculture Farming Corporations in some cases, encroachment of some Farming Corporations land in some other due to pending court cases. The Deputy Commissioners of the respective districts have been requested to initiate the process of demarcation of bounderies of the land allotted to the Farming Corporations and eviction of encroachments from the Farming Corporations land.

বিষয় ঃ বন্যায় ক্ষতিগ্রস্ত জনসাধারণের আর্থিক সাহায্য।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন,

১৩৩। মাননীয় রাজস্ব বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) করিমগঞ্জ জিলার (১৯৯৫-৯৬) অর্থবর্ষে বর্ষাকালের বন্যায় ক্ষতিগ্রস্ত

দক্ষিণ করিমগঞ্জ ও পাথারকান্দি উন্নয়ন খণ্ডের ক্ষতিগ্রস্ত জনসাধারণের আর্থিক সাহায্য ও স্কুল ভবন মেরামতি করার জন্য আর্থিক সহায়তা দেওয়ার জন্য সরকার কি কি ব্যবস্থা নিয়েছেন ?

খ) যদি হয় কি কি ? যদি না কেন ?

শ্রীদেবানন্দ কোঁয়র (রাজস্ব মন্ত্রী) উত্তর দিয়েছেন,

ক) করিমগঞ্জ জিলার (১৯৯৫-৯৬) অর্থবর্ষে পাথারকান্দি উন্নয়ন খণ্ডে বন্যায় ক্ষতিগ্রস্ত ৭ টি পরিবারকে ৩৫০০ টাকা পুনর্ব সংস্থাপন সাহায্য দেওয়া হয়েছে, দক্ষিণ করিমগঞ্জ উন্নয়ন খণ্ডের ক্ষতিগ্রস্ত মানুষের আর্থিক সহায়তা প্রদানের কোন প্রস্তাব এবং দক্ষিণ করিমগঞ্জ ও পাথারকান্দি উন্নয়ন খণ্ডের স্কুল ভবন মেরামতির জন্য বা আর্থিক সহায়তা প্রদানের কোনও প্রস্তাব বর্ত্তমানে নেই। বানাড়ীত অঞ্চল সমূহের তথ্য সংগ্রহের জন্য উপযুক্ত ব্যবস্থা নেওয়া হয়েছে।

খ) প্রশ্ন উঠেনা।

বিষয় : মহগড় বেরেজ নির্ম্মান আঁচনি

শ্রীগহীন চন্দ্র দাসে সুধিছে,

১৩৪। মাননীয় জলসিঞ্চন বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) নগাওঁ জিলার কলং কলিয়াবর Division আরু ফুলগুরি মহগড় বেরেজটো অর্ধনির্মিত হৈ পরি থকাটো চরকারে জানেনে ? পরি থকার কারণ কি ?

খ) এই আঁচনিখনত কিমান টকার Estimate আছিল ? কিমান টকা খরছ করিলে জনাবনে ?

গ) এই বেরেজটো সম্পূর্ণ করার ব্যবস্থা লবনে ?

শ্রীজহিকুল ইছলাম (জলসিঞ্চন বিভাগর মন্ত্রী) য়ে উত্তর দিছে,

ক) হয়, নগাওঁ জিলার কলং কলিয়াবর সংমণ্ডলর ফুলগুরি বেরেজটো অর্দ্ধ-নির্মিত হৈ থকা কথাটো চরকারর জ্ঞাত।

ফুলগুরি বেরেজর মাটির গুনাগুণ অনুসন্ধান করি Central Soil and Material Research Station, New Delhi

দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত কেন্দ্ৰীয় জল আয়োগৰ পৰা কাৰীকৰি প্ৰতিবেদন অদ্যাপিও নোপোৱা বাবে সাময়িক ভাবে নিৰ্মানৰ কাম স্থগিত ৰখা হৈছে।

খ) এই আঁচনিখনৰ কাৰীকৰি অনুমোদন প্ৰাপ্ত প্ৰাক্‌কলন মূল্য ৫৪'৮৭ লাখ টকা। ১৯৯৫ চনৰ জুলাই মাহলৈকে বেৰেজ নিৰ্মান আৰু আনুসঙ্গিক খৰচ আদি মিলাই সৰ্বমুঠ ৩৫,০২,০৭৮'৬০ টকা ব্যয় হৈছে।

গ) এই বেৰেজটোৰ সম্পূৰ্ণ কৰাৰ ব্যৱস্থাটো কেন্দ্ৰীয় জল আয়োগৰ পৰা পোৱা কাৰীকৰি প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিছে।

Re : Irrigation Scheme at Darrang.

Shri Karendra Basumatary asked,

135. Will the Minister of Irrigation be pleased to state :

a) Whether technical sanction of the proposed Deosunga Irrigation Scheme in Panery Constituency of Darrang District has not been given as yet ?

b) If so, when the approval will be given and works of the scheme started ?

c) When will the constrnction of Pucca Bundh (Samrang Bundh) over river Samrang under Panery Constituency completed ?

Shri Zahirul Islam (Minister, Irrigation) replied,

a) Technical sanction already accorded.

b) Approval already given and works expected to be started from next working season.

c) The Pucca bundh as referred, is not related to this department.

বিষয় : বানপানীত ক্ষতিগ্ৰস্ত লোকক সাহায্য

শ্ৰীজীউৰাম বড়োয়ে সুধিছে,

১৩৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বানপানীত ক্ষতিগ্রস্ত লোক সকলক কি কি ধৰণে কৃষি বিভাগে সাহায্য দিবলৈ আঁচনি গ্ৰহন কৰিছে ?

খ) এই আঁচনি সমূহৰ দ্বাৰা কালাইগাওঁ মহকুমাৰ কোন কোন লোকক সাহায্য কৰা হৈছে ?

গ) যিবোৰ খেতিৰ অনুপযোগী হৈ পৰিল তাক ব্যৱহাৰ কৰিব পৰা অৱস্থাত আনিবলৈ বিশেষকৈ বালিবে পূতা মাটিক 'বুল ড্রেজাৰ' ব্যৱহাৰ কৰি আৰু নিজ দলা, যোক্রাঝাৰ গাওঁৰ উজানতাৰী, খাছবনথলী ভেহুগুৰি, মাজেলী কান্দা গাওঁত মথাউৰী নির্মান কৰি খেতিৰ উপযোগী কৰি তুলিবনে ?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) খাৰিফ বছৰত বিভিন্ন জিলাত ধানৰ বীজ, কঠিয়া বা মাটি মাহৰ বীজ লগতে কীটনাশক ঔষধ দিয়া হৈছে।

ৰবি বৰষত খেতিৰ বাবে ঘেঁহু, সৰিয়হ, বাদাম, মটৰ মাহ, বাজ মাহ, মচুৰ মাহ, গ্রীষ্মকালিন মঙহ, মাটি মাহ আৰু বৰোধানৰ বীজ বিতৰণৰ ব্যৱস্থা ৰাখি লগতে ট্রেক্টৰেৰে হালবোৱা আৰু শস্য সংৰক্ষণৰ ব্যৱস্থা ৰাখি চলিত বছৰৰ বাবে প্রায় ৯৭৪'৫০ লাখ টকাৰ আঁচনি যুগুতোৱা হৈছে।

খ) ৩৩২ জন লোকক সাহায্য দিয়া হৈছে। (তালিকা সদনৰ মেজত দাখিল কৰা হ'ল) (১ৰ পৰা ১৪ পৃষ্ঠা)।

গ) কম বালি পৰা আৰু বুল ড্রেজাৰেৰে বালি আতৰোৱা প্রস্তৱপৰ হ'লে খেতিৰ উপযোগী কৰাৰ ব্যৱস্থা আছে।

বিষয় : দুটকীয়া চাউলৰ যোগান

শ্রীনিজামুদ্দিন খানে সুধিছে,

১৩৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) কিমান পৰিয়াললৈ দুটকীয়া দামৰ চাউলৰ যোগান ধৰা হৈছে ?

খ) প্রতি পৰিয়াললৈ যোগান ধৰা দুটকীয়া চাউলৰ পৰিমান কিমান ?

গ) দৰিদ্র সীমাৰেখাৰ তলৰ সকলো পৰিয়াললৈ দুটকীয়া দামৰ চাউল যোগানৰ ব্যৱস্থা কৰিবনে ?

ডঃ অর্দ্ধেন্দু কুমার দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) দৰিজ সীমাৰেখাৰ তলত বাস কৰা ১৫,৮০,৩৫৭ টা পৰিয়ালক এতিয়াৰৈকে ২ (দুই) টকীয়া চাউলৰ যোগান ধৰাৰ বাবে চিনাক্ত কৰা হৈছে

খ) প্রতি পৰিয়ালত একজন হলে ৪ (চাৰি) কেজি, দুইজন হলে ৮ (আঠ) কেজি, তিনিজন হলে ১২ (বাৰ) কেজি আৰু চাৰিজন বা ততোধিক হলে ১৬ (ষোল্ল) কেজিকৈ দিয়া হয়।

গ) বিবেচনা কৰা হব।

বিষয় ঃ মাটিৰ পৰিমাণ

শ্রীমহেন্দ্র বড়াই সুধিছে,

১৩৮। মাননীয় ৰাজস্ব বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) এইটো সঁচানে যে যোৰহাট নগৰৰ ১নং ব্লকত চৰকাৰী পট্টাৰ দাগ নং ৪৪০৬ ত ১৯৫৪ চনত কংগ্রেছ ভৱন আৰু গান্ধী ভৱনৰ মাটি আৱণ্টন দিছিল ?

খ) কংগ্রেছ ভৱনৰ মাটিৰ পৰিমাণ এঠা ওৰ লেচা আৰু গান্ধী ভৱনৰ চৈধ্য লেছা এই দুয়োটা অনুস্থানক চৰকাৰে পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীদেৱানন্দ কোঁৱৰ (ৰাজস্ব মন্ত্রী) য়ে উত্তৰ দিছে,

ক) সত্য নহয় প্রকৃততে যোৰহাট টাউনৰ ২নং ব্লকস্থিত কংগ্রেছ ভৱন আৰু গান্ধী ভৱনৰ নামত উক্ত ৪৪০৬ নং দাগস্থ ২ কঠা ১২ লেচা মাটি ১৯৬৮ চনৰ পৰা সংৰক্ষিত কৰা আছে।

খ) ব্যৱস্থা লৈ থকা হৈছে

বিষয় ঃ ২ টকীয়া চাউল বিতৰণত দুর্নীতি

শ্রীবুবুল দাসে সুধিছে,

১৩৯। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) জাগীরোড সমষ্টির অন্তর্গত বহু কেইটা গাঁও পঞ্চায়ত শিলচাং, জেলা দক্ষিণ ধবমতুর, আহুতগুরি ইত্যাদি ১ টকীয়া চাউল বিতরণত ব্যাপ দুর্নীতি হোরা বুলি উঠা অভিযোগ সম্পর্কে মন্ত্রী মহোদয়ে জ্ঞাতনে

খ) যদি জ্ঞাত নহয় কেনেহালে জিলার উপায়ুক্তক লৈ এখনি সমিতির ছ তদন্ত সাপেক্ষে প্রকৃত লোক সকলে ২ টকীয়া চাউল পোৱাৰ ব্যৱ গ্রহণ নিশ্চিত কবিনে ?

গ) এই সম্পর্কত শিলচাং গাঁও পঞ্চায়তৰ সভাপতিয়ে কবা দুর্নীতিৰ জি উপায়ুক্তই কবা তদন্ত কি হল জনাবনে ?

ঘ) মাজহুরা ভাবে অভিযোগ উত্থাপিত পঞ্চায়ত সমূহত তদন্ত সাপে ব্যৱস্থা লবনে ?

ডা: অর্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামবিক যোগান বিভাগৰ মন্ত্রী) উত্তৰ দিছে,

ক) শিলচাং গাঁও পঞ্চায়তৰ সভাপতিৰ বাহিৰে উল্লেখিত বাকী গাঁও পঞ্চায়তৰ বিৰুদ্ধে অভিযোগ আমাৰ জ্ঞাত নহয় ।

খ) ওৱার্ড, গাঁও পঞ্চায়ত, ব্লক আৰু জিলা মহকুমা পর্য্যায়ৰ কমিটি ই মধ্যে গঠন কবি দিয়া হৈছে

গ) তদন্ত এতিয়াও সম্পূর্ণ হোৱা নাই

ঘ) নির্দিষ্ট অভিযোগ পালে তদন্ত সাপেক্ষে ব্যৱস্থা লোৱা হৈ আছে

বিষয় : মৎস্য পালন কেন্দ্র

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাস করছেন,

১৪০। মাননীয় মৎস্য বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি

ক) হাইলাকান্দি জেলার চন্দ্রপুর গাঁও পঞ্চায়ত এর অধীনে "চন্দ্রপুর আনে নামে প্রায় ৩০/৩৫ বিঘা জমিতে মৎস্য পালনের কোন ব্যবস্থা সর করবেন কি ?

খ) যদি করেন তবে কবে করবেন ?

গ) এইভাবে অনেক জলাশয় আছে যেখানে সমস্ত বৎসর জল থাকে, সে সব স্থানে মৎস্য পালনের ব্যবস্থা সরকার করবেন কি

শ্রীচামছুল হুদা (মীন বিভাগের মন্ত্রী) য়ে উত্তর দিছেন,

ক) আগাওত: সরকারের হাতে "চন্দ্রপুর আনোয়া" তে মৎস্য পালনের কোন আঁচনি নাই।

খ) প্রশ্ন উঠেনা।

গ) ধনের বরাদ্দ হইলে এই রকমের ব্যবস্থা নেওয়া হবে।

বিষয় : মাটির পট্টন

শ্রীরমেন্দ্র নারায়ন কলিতাই সুধিছে,

১৪১। মাননীয় রাজস্ব বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) গুৱাহাটী মহানগরীত যিসকল পরিয়ালে একেবাহে ১৫ বছর ধরি বসবাস করি আছে, সেই পরিয়াল সমূহক চরকারে মাটির পট্টন দিয়া হব বুলি ঘোষনা করা নাছিলনে ?

খ) যদি করিছিল, তেনেহলে গুৱাহাটী মহানগরীর কিমানটা পরিয়ালক মাটির পট্টন দিয়া হ'ল আরু এই পট্টন চরকারে কি নীতির ভিত্তিত দিছে জনাবনে ?

গ) মাটির "প্রিমিয়াম" চরকারে কি ভিত্তিত নির্ধারন করিছে জনাবনে ?

শ্রীদেবানন্দ কোঁৱর (রাজস্ব মন্ত্রী) য়ে উত্তর দিছে,

ক) হয়, করিছিল।

খ) চরকারে বর্ত্তমানলৈকে ১০৪৬ টা পরিয়ালক মাটি পট্টনর হুকুম দিছে আরু শেহতীয়া ভূমিনীতির আধারত আরু G.M.D.A. র লগত যুচীয়া তদন্ত ক্রমে মাটি পট্টনর ব্যরস্থা লোৱা হৈছে।

গ) চরকারর ১৮-৫-৯৪ ইং তারিখর আর, এচ, এছ, ৪২/৯৪/২১ নং চিঠি যোগে বৃহত্তর গুৱাহাটীত মাটি পট্টনর ক্ষেত্রত এলেকা ভিত্তিত (গাওঁ/চহর অনুযায়ী) মূল্য নির্দ্ধারণ করি দিয়া মর্মে মাটির মূল্য (প্রিমিয়াম) ধার্য্য করা হৈছে।

বিষয় : কৃষকর মাজত কঠিয়া বা বীজ বিতরণ।

শ্রীনগেন শর্মাই সুধিছে,

১৪২। মাননীয় কৃষি বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) বাজ্যত বানপানীত আক্রান্ত কৃষক সকলক বিনামূলীয়াকৈ বীজ বা কঠিয়াৰ যোগান ধৰা হৈছেনে ?

খ) নলবাৰী জিলাত বানপানীত আক্রান্ত কৃষক সকলৰ মাজত কঠিয়া বা বীজ বিতৰণ কৰা হৈছেনে ?

গ) যদি হৈছে, কিমান সংখ্যক কৃষকৰ মাজত কঠিয়া বা বীজ যোগান ধৰা হৈছে ?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) হৈছে।

খ) মাটি মাহৰ বীজ ইতিমধ্যে বিতৰণ কৰা হ'ল। কঠিয়া বিতৰনৰ ব্যৱস্থা কৰা হৈছে।

গ) ২৫ কুইন্টল মাটি মাহৰ বীজ প্রতিজন কৃষকক ২ কিলোগ্রামকৈ ১২৫০ জন কৃষকৰ মাজত বিতৰন কৰা হৈছে। ৪৬০ জন কৃষকক কঠিয়া বিতৰন কৰা হৈছে।

বিষয় : শিশু শ্রমিকৰ সংখ্যা

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে,

১৪৩। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসমৰ চাহ বাগিছাবোৰত কিমান শিশু শ্রমিকে কাম কৰি আছে জনাবনে ?

খ) শিশু শ্রমিকৰ সঠিক পৰিসংখ্যা কোন বিভাগৰ দ্বাৰা কৰা হয় জনাবনে ?

গ) এইটো সত্য নে যে বিভাগীয় ডাক্তৰে বাগিচাৰ ল'ৰা ছোৱালীক কাম কৰাৰ উপযুক্ততাৰ প্রমান পত্র দিয়ে ?

শ্রীদিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে,

ক) অসমৰ চাহ বাগিছাৰ মালিক কর্তৃপক্ষই দিয়া বছৰেকীয়া বিটানৰ ভিত্তিত ১৯৯৪ চনৰ ৩১ ডিচেম্বৰত ৬৩৮ খন বাগিছাত ৫৩,১২৭ জন কিশোৰ শ্রমিক আছে বুলি জানিব পৰা গৈছে। যোৱা বাজ্যিক শিশু শ্রমিক উপদেষ্টা সমিতিৰ বৈঠকত চাহ মালিক সস্থাৰ প্রতিনিধিয়ে এই শ্রমিক সকলক ১৪ বছৰৰ ওপৰৰ আৰু ১৮ বছৰ বয়সৰ তলৰ

'কিশোৰ শ্ৰমিক' বুলিহে দোহাৰিছিল। ১৪ বছৰ বয়সৰ তলৰ শিশু শ্ৰমিকৰ সংখ্যা আছে নে নাই তাক ঠাৰৰ কৰিবলৈ বিভাগীয় ক্ষেত্ৰ বিলয়া সকলক পৰীক্ষা কৰিবলৈ কোৱা হৈছে।

খ) শিশু শ্ৰমিকৰ পৰিসংখ্যা বাগিছাৰ মেনেজাৰ সকলে বাগিছাৰ শ্ৰমিক আইন ১৯৫১ ৰ অন্তৰ্গত বিধিমতে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত দিয়া Annual Return অনুযায়ী মুখ্য বাগিছা পৰিদৰ্শকে যুগুতোৱা প্ৰতিবেদনৰ ভিত্তিত শ্ৰম বিভাগে ঠাৰৰ কৰে।

গ) হয়। ১৯৫১ চনৰ বাগিছা শ্ৰমিক আইনৰ ২৭ নং ধাৰা (উপধাৰা-১) মতে Certifying Surgeon সকলে দ্বাৰা ছোৱালীক স্বাস্থ্য পৰীক্ষা কৰি নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত এবছৰৰ বাবে কাম কৰাৰ যোগ্যতাৰ প্ৰমাণ পত্ৰ দিয়ে। এই Certifying Surgeon সকল শ্ৰম বিভাগৰ ডাক্তৰ। এখেত সকলক বাগিছা চিকিৎসা পৰিদৰ্শক (M.I.P.) বুলি কোৱা হয়।

বিষয় : বানপানীত ক্ষয় ক্ষতিৰ পৰিমাণ

শশকমল সন্দিকৈয়ে সুধিছে,

৪। মাননীয় বাজহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে :

ক) সম্প্ৰতি হোৱা বানপানীত ডিব্ৰুগড় জিলাৰ ক্ষয় ক্ষতিৰ পৰিমাণ কিমান ? (বাজহ চক্ৰ অনুসৰি)

খ) ধাননি পথাৰত ভাৰতীয় তেল নিগমৰ খাকৰা তেল বানপানীত উটি গৈ নাহৰকটীয়া, টেঙাখাট আৰু টিংখং বাজহ চক্ৰৰ কৃষকক ক্ষতি সাধন কৰিলে এই তথ্য চৰকাৰে জানেনে ?

গ) যদি জানে এই ক্ষতিগ্ৰস্ত কৃষক সকলক ভাৰতীয় তেল নিগমৰ পৰা ক্ষতিপুৰণ দিয়াৰ কি ব্যৱস্থা হাতত লৈছে ?

ঘ) ক্ষতিগ্ৰস্ত লোক সকলক বৰ্ত্তমানলৈকে কিমান সাহায্য সামগ্ৰী (বাজহ চক্ৰ অনুসৰি) যোগান ধৰা হল আৰু ঘৰ-দুৱাৰ উটুৱাই নিঃশেষ কৰা লোক সকলৰ পুনঃ সংস্থাপনৰ বাবে কি ব্যৱস্থা হাতত লৈছে ?

শ্রীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) সম্প্ৰতি হোৱা বানপানীত ডিব্ৰুগড় জিলাৰ ৭ টা ৰাজহ চক্ৰৰ মুঠতে ১৯৬ খন গাওঁত ১,৪১,৭১২ জন লোক ক্ষতিগ্ৰস্ত হয়। ১৭,৭০০ হেক্টৰ মাটিৰ খেতি পথাৰৰ শষ্য অনিষ্ট হয় আৰু ১২৪৯ টা ঘৰৰ ক্ষতি হয়। ৩ জন মানুহ আৰু ১২৩ টা পশু মৃত্যু হয়। (ৰাজহ চক্ৰ অনুযায়ী বিতং তথ্য লগত দিয়া হ'ল।)

(See the Annexure XX)

খ) হয়, জানো।

গ) বিষয়টো ভাৰতীয় তেল নিগমৰ লগত যোগাযোগ কৰি থকা হৈছে।

ঘ) ১১৬৮'০৩ কুইণ্টল চাউল, ২২'৪৯ কুইণ্টল দাইল আৰু ৬৬'১৬ কুইণ্টল নিমখ বানপানী ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত সাহায্য হিচাবে বিতৰণ কৰা হৈছে। (ৰাজহ চক্ৰ অনুযায়ী তালিকা লগত গাঠি দিয়া হ'ল)

(See the Annexure XXI)

যি সকলৰ ঘৰ-দুৱাৰ উটুৱাই নিছে তেখেত সকলৰ পুনৰ সংস্থাপনৰ বাবে অৰ্থ সাহায্য নিয়মাৱলী মতে ব্যৱস্থা লোৱা হব।

(Unstarred question No. 145 was deferred.)

বিষয় : মাটিৰ পট্টন/আৱণ্টন

শ্রীঅতুল বৰাই সুধিছে,

১৪৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটীত কিমান মানুহক L. A. C. ত আলোচনা বা প্ৰস্তাৱ দাখিল নকৰাকৈ পট্টন দিয়া হৈছে ?

খ) চৰকাৰে গৰীব অসমীয়া বা স্থায়ীভাৱে থকা মানুহখিনিক কিয় বিনামূলে মাটি পট্টন/আৱণ্টন দিব নোৱাৰে জনাবনে ?

গ) উলুবাৰীত প্ৰতি কঠা মাটিৰ মূল্য কিমান ধৰা হৈছে আৰু বেলতলা গনেশ নগৰ মেঘালয় সীমান্তবৰ্ত্তী অঞ্চলত প্ৰতি কঠাৰ মাটি মূল্য কিমান নিদ্ধাৰণ কৰা হৈছে জনাবনে ?

শ্রীদেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) ৮৩১ জনক দিয়া হৈছে ।

খ) নগৰ অঞ্চলত বিনামূল্যে মাটি পট্টন/আৰণ্টন দিয়া নীতি নাই ।

গ) চহৰ উলুবাৰী ১ম আৰু ২য় খণ্ডত প্রতি কঠা মাটিৰ মূল্য ৫০,০০০/- টকাৰ পৰা ৬০,০০০/- টকা উলুবাৰী গাঁৱৰ প্রতি কঠাত ৩০,০০০/- টকাৰ পৰা ৪০০,০০/- টকা আৰু উলুবাৰী চহৰ ৩য় খণ্ডৰ প্রতি কঠাত ২৫,০০০/- টকাৰ পৰা ৩০,০০০/- টকা ধাৰ্য্য কৰা হৈছে । সেইদৰে বশিষ্ঠ গাঁৱৰ প্রতি কঠাত ২০,০০০/- টকাৰ পৰা ২৫,০০০/- টকা ধাৰ্য্য কৰা হৈছে ।

বিষয় : ৰৰচলা বিল

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে,

১৪৭। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) মাছৰ বিল সমূহ বন্দোৱস্তী দিয়াৰ ক্ষেত্রত ৬০% আৰু ৪০% হিচাবে চিনাক্তকৰণ কৰা নীতিটো কি আৰু এইটো কিয় কৰা হয় ?

খ) মোৰহাট নিমাতী অঞ্চলত অৱস্থিত ৰৰচলা বিলখন ৬০% ৰ পৰা ৪০% আনি বন্দোবস্তী দিবাৰ প্রথা কোন চনৰ পৰা কৰা হ'ল আৰু এইটো কিয় কৰা হ'ল ?

গ) বানপ্রপিড়ীত অঞ্চলত অৱস্থিত বিলখন বন্দোৱস্তীৰ ক্ষেত্রত পূৰণ ৬০% লৈ নিয়াৰ বাবে বাইজে কৰা দাবী সম্পর্কে চহকাৰ অৱগতনে, যদি অৱগত এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰা হৈছে ?

শ্রীচামছুল হুদা (মীন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) অসমৰ মীন মহল বন্দোৱস্তীৰ ১৩ নং দফা নীতি অনুসৰি বছৰী বন্দোৱস্ত দিবলগা মীন মহলৰ ৬০% চৰকাৰে আৰু ৪০% জিলাৰ উপায়ুক্ত ও মহকুমাধিপতিয়ে বন্দোবস্তী দিয়ে । এই নীতি অনুসৰি ৬০% মীন মহলবোৰ ১০০% পিচপৰা অনুসূচীত জাতিৰ প্রকৃত মাডমবীয়া লোকৰ দ্বাৰা গঠিত মীন সমবায় সমিতিক বন্দোবস্তী দিয়া হয়, যদিহে নীতি অনুসৰি সমিতিখন উপযুক্ত বুলি বিবেচিত হয় । বাকী ৪০% মীন

মহলবোর জিলা উপায়ুক্ত ও মহকুমাধিপতিয়ে নীতি অনুসরি কোনো মীন সমবায় সমিতি বা ব্যক্তিগতক উপযুক্তার ভিত্তিত বন্দোবস্তী দিয়ে।

খ) যোরহাটর নিমাতী অঞ্চলত অবস্থিত বরচলা বিলখন ৬০% ব পরা ৪০% লৈ পরিবর্ত্তীত করি বন্দোবস্তী দিয়ার ব্যবস্থা ১৯৯২ চনর পরাই করা হয়। নীতি অনুসরি আবেদনকারী মীন সমবায় সমিতি কেইখনক অনুপযুক্ত বুলি বিবেচিত হোরাত তৎকালেই ব্যক্তিগত লোকক উপায়ুক্তর ভিত্তিত বন্দোবস্তী দিয়া হয়, যাতে চরকারর রাজহর কোনো ক্ষতি নহয়।

গ) চরকার এইক্ষেত্রত অন্তগত নহয় কিন্তু চরকারর ওচরত মীন সমবায় সমিতির তরফর পরা মহলটোর বন্দোবস্তীর বাবে আবেদন দাখিল করিছিল যদিও নীতি অনুযায়ী সমিতি সমূহ উপযুক্ত বুলি বিবেচিত নোহোরাত ব্যবস্থা গ্রহণ করির পরা নগ'ল।

বিষয় ঃ চা বাগান A.T.C. কে হস্তান্তর

শ্রীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন,

১৪৮। মাননীয় শ্রম বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) চা শ্রমিকদের স্বার্থে রাতাবাড়ী সমষ্টির অন্তর্গত রুগ্ন চা বাগিচা যেমন চরগোলা, সিংলাছড়া, মাগুরাছড়া, খেকরাগুল, মিভিয়া ইত্যাদি অতি-সত্বর Assam Tea Corporation কে হস্তান্তর করার জন্য কোন পরিকল্পনা নিয়েছেন কি ?

যদি না, কেন ?

যদি হ্যাঁ, কখন ?

খ) বিগত পাঁচ (৫) বৎসরে আসামে কতগুলি চা বাগান A.T.C. কে হস্তান্তর করা হয়েছে ?

বাগান গুলির নামের তালিকা পেশ করবেন।

শ্রীদিলেশ্বর তাঁতী (শ্রম বিভাগের মন্ত্রী) য়ে উত্তর দিছেন,

ক) ইহা শ্রম বিভাগের আওতার ভিতরে পড়েনা, এই রকম পরিকল্পনার কথা আমাদের জানা নেই।

প্রশ্ন উঠেনা।

প্রশ্ন উঠেনা।

খ) বিগত পাঁচ (৫) বৎসর A.T.C. কে চা বাগান হস্তান্তরের কোন সংবাদ নেই।

A.T.C, র থেকে পাওয়া চিঠির প্রতিলিপি গেঁথে দেওয়া হল।

(See the Annexure XXII)

বিষয় : কোকরাঝার চম্পাবতী জলসিঞ্চন

শ্রীমতী প্রমিলা রাণী ব্রহ্ম
শ্রীকৃষ্ণেন বরগয়ারী } য়ে পুঁছছে,

১৪৯। মাননীয় জলসিঞ্চন বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) চম্পাবতী জলসিঞ্চন প্রজেক্টর কোকরাঝার ডিভিজনর গুদামর পরা কোকরাঝার ডি, আর, ডি, এ লৈ চিমেন্ট বিক্রী করা কথাটো সচানে ?

খ) যদি সচা হয়, তেন্তে এই বিক্রয় হোৱা চিমেন্টরোর কোনটো বছরর আবন্টিত ধনর পরা কিনি গুদামত রখা হৈছিল তার চন আরু তারিখটো নথি পত্র সহ জনাবনে ?

গ) চরকারী এটা বিভাগর বস্তু অইন এটা বিভাগলৈ বিক্রী করার নীতি আছেনে ?

ঘ) চম্পাবতী জলসিঞ্চন আঁচনিখন চরকারী ভারে (ফ্লপ) বুলি ঘোষনা করিলে নেকি ? অনুগ্রহ করি জনাব।

শ্রীকেহিকস ইছলাম (জলসিঞ্চন বিভাগর মন্ত্রী) য়ে উত্তর দিছে,

ক) সঁচা।

খ) ১৯৯১-৯২ চনর আবন্টনর ধনর পরা কিনি রখা হৈছিল। এই চিমেন্ট ক্রয় সম্পর্কীয় নথি পত্র প্র-পত্র 'ক' সদনর মেজত দাখিল করা হ'ল।

(See the Annexure XXIII)

গ) আছে।

ঘ) প্রশ্ন নুঠে, যেহেতু আচনিখন নির্মীয়মান অরস্থাত আছে আরু ইয়ার পরা বর্ত্তমান ৩৩০ হেক্টর মাটিত আংশিক ভারে পানীর যোগান ধরা হৈ আছে।

Re : Darrang Irrigation Project.

Shri Derhagra Muchahary asked,

150. Will the Minister of Irrigation be pleased to state :

a) Whether Government has proposed to take up the Darrang Irrigation Project near Sandrup Jongkar within the year of 1995 ?

b) If yes, what would be the amount involved for the Project according to estimate ?

Shri Zahirul Islam (Minister, Irrigation) replied,

a) There is a proposal for Darranga Irrigation scheme near Sandrup Jongkar within Indian territory. Due to inadequacy of fund, no new scheme has yet been taken up.

b) As the proposal is under scrutiny, the amount involved for the Project has not been finalised as yet.

বিষয় : World Bank Project.

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন,

১৫১। মাননীয়া কৃষি বিভাগের মন্ত্রী মহোদয়া অনুগ্রহ করিয়া জানাবেন কি :

ক) করিমগঞ্জ জিলায় কৃষি বিভাগে World Bank Project অনুযায়ী কি কি স্কীম নেওয়া হয়েছে (১৯৯৪-৯৫, ১৯৯৫-৯৬) অর্থবর্ষ অনুযায়ী বিশদ তালিকা সদনের মেঝে দাখিল করিবেন ?

খ) যদি না, কেন ?

শ্রীমতী চৈয়দা আনোয়ারা টাইমুর (কৃষি মন্ত্রী) উত্তর দিছেন,

ক) ১৯৯৪-৯৫ অর্থবর্ষে করিমগঞ্জ জিলাতে বিশ্ববেংকের অধীনে একমাত্র "জাতীয় কৃষি সম্প্রসারণ প্রকল্পের" (National Agricultural Extention Project III) মাধ্যমে কৃষি প্রযুক্তি উদ্ভাবন, শিক্ষা ও প্রশিক্ষন এবং সম্প্রসারন আচনি রূপায়ন করা হয়েছে। (৯৪-৯৫)

বর্ষের তালিকা সদনের মেজে দাখিল করা হল। ১৯৯৫-৯৬ বিত্ত বর্ষের World Bank Project এর কাজ প্রারম্ভিক পর্যায়ে থাকার জন্য তালিকা দেওয়া হল না।

(See the Annexure XXIV)

খ) প্রশ্ন উঠেনা।

Re : Unfair Labour Practice.

Shri Promode Gogoi asked,

152. Will the Minister of Labour & Employment be pleased to state :

a) Whether it is a fact that Hon'ble Labour Court, Assam in its Award in Ref. Case No. 10 of 1992 on 6-12-93 declared that the Management of Bajrang Ispat (P) Ltd. are guilty for resorting Unfair Labour Practice ?

b) If so, why Government have not initiated action against the management as per law ?

Shri Dileswar Tanti (Minister of Labour) replied,

a) Yes. The Hon'ble Labour Court, Guwahati held that the action taken by the management concerned against the aggrieved workmen constituted Unfair Labour Practice.

b) The Management of Bajrang Ispat (P) Ltd. preferred an appeal before the Hon'ble Guwahati High Court under civil Rule No. 4170/94. As the matter is subjudice, the question of initiating action against the management does not arise at this stage.

বিষয় : বানপানীত ক্ষতিগ্রস্ত শস্যব পবিমাণ

শ্রীনিজামুদ্দিন খানে সুধিছে,

১৫৩। মাননীয় কৃষি বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

ক) চলিত বছৰৰ বানপানীত ক্ষতিগ্ৰস্ত শস্যৰ পৰিমান কিমান ?
(টকাৰ হিচাবত উল্লেখ কৰিব)

খ) ক্ষতিগ্ৰস্ত কৃষকলৈ শালি ধানৰ কঠিয়া যোগানৰ ব্যৱস্থা কৰা হৈছেনে ?

গ) যদি হৈছে, কিমান টকাৰ কঠিয়া যোগান ধৰা হৈছে ?
(জিলা ভিত্তিত জনাব)

ঘ) কঠিয়া বিতৰণৰ ভিত্তি কি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) চলিত বছৰৰ বানপানীত মুঠতে ৫৮০৩৪৪ হেক্টৰ মাটিৰ শস্য নষ্ট হয়।
(ইয়াৰ আনুমানিক মূল্য ১৩৮'৬৯ কোটি টকা)।

খ) বীজ আৰু কঠিয়াৰ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

গ) বীজ, কঠিয়া আৰু ঔষধৰ কাৰণে ১ কোটি টকা উপাযুক্ত সকলক ভগাই দিয়া হৈছে। (জিলা ভিত্তিক তালিকা লগতে গাঠি দিয়া হ'ল)
(See the Annexure XXV)

ঘ) বান বিধ্বস্ত অঞ্চলৰ খেতিয়কৰ তালিকা প্ৰস্তুত কৰি সেই জিলাৰ উপাযুক্তৰ অনুমোদন সাপেক্ষে কঠিয়া বিতৰণ কৰা হয়।
(Unstarred Questions No. 154 was deferred.)

বিষয় : নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে,

১৫৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৪ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৫ চনৰ চেপ্তেম্বৰ মাহলৈকে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী যেনে—চাউল, আটা, ময়দা, দাঁলি (বুট, মচুৰ, বহৰ, মুগ), মিঠাতেল, চেনী, আলু পিয়াজ আদিৰ দাম প্ৰত্যেক মাহত কিমান বৃদ্ধি বা হ্ৰাস পালে জনাবনে ?
(প্ৰত্যেক মাহৰ দামৰ তালিকা এখন মেজত দিব)

খ) এই সামগ্ৰী সমূহৰ দাম প্ৰত্যেক মাহত বৃদ্ধি পোৱাৰ কাৰণ কি ?

গ) এই সামগ্ৰী সমূহৰ মূল্য বৃদ্ধিৰ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডাঃ অর্ধেন্দু কুমার দে (খাদ্য আর অসামরিক যোগান বিভাগের মন্ত্রী) যে উত্তর দিছে,

ক) ১৯৯৪ সনের অক্টোবর মাসের পরা ১৯৯৫ সনের সেপ্টেম্বর মাসের ভিতরত নিত্য ব্যবহার্য্য সামগ্রী সমূহের দাম কোনো কোনো মাহত বৃদ্ধি বা হ্রাস পোরা দেখা যায়।

(প্রতি মাহর দামর তালিকা সদনর মেজত দিয়া হ'ল।)

(See the Annexure XXVI)

খ) উৎপাদন স্থলত সামগ্রীর মূল্য বৃদ্ধি, সাময়িক বন্ধ, ধর্মঘট, প্রাকৃতিক দুর্য্যোগ, পরিবহন ব্যয় বৃদ্ধি তথা পরিবহন ব্যবস্থাত ঘটা বিজুতি আদি কারণ সমূহর বাবে কোনো কোনো মাহত সামগ্রীর মূল্য বঢ়া-টুটা হয়।

গ) মূল্য বৃদ্ধির নিয়ন্ত্রনর ক্ষেত্রত চরকারর ফালর পরা বিধি সম্মত সকলো প্রতিরোধমূলক ব্যবস্থা গ্রহণ করি থকা হৈছে।

(Unstarred Question No. 156 was postponed.)

বিষয় : দুই টাকার চাউল

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন,

১৫৭। মাননীয় খাদ্য ও অসামরিক যোগান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

ক) রাজ্য সরকার কর্তৃক গ্রামের ও শহরের অতি গরীব পরিবারে মধ্যে দুই টাকার চাউল বিতরণের পরিবর্তে কিছু সচ্ছল পরিবারের মধ্যে চাউল বন্টন করা হয়েছে, সরকার এ বিষয়ে অবগত কি ?

খ) যদি অবগত, সরকার এ ব্যাপারে কি ব্যবস্থা নিয়েছেন ?

গ) যাহারা ভুল তথ্য দাখিল করে সত্যিকর গরীবদেরে বঞ্চিত করেছে সরকার ওদের কোনরূপ শাস্তির ব্যবস্থা করবেন কি ?

ডাঃ অর্ধেন্দু কুমার দে (খাদ্য ও অসামরিক যোগান বিভাগের মন্ত্রী) উত্তর দিছেন,

ক) স্থানে স্থানে এধরণের কিছুটা অভিযোগ সরকারের দৃষ্টিগোচর করা হয়েছে।

খ) এধরণের অভিযোগ যাচাই করে উপযুক্ত ব্যবস্থা নেওয়ার জন্য এ
পঞ্চায়ত, ব্লক, মহকুমা ও জিলাভিত্তিক কমিটিকে কর্তৃত্ব দেওয়া হয়ে
ও ন্যায়ধীশ পর্য্যায়ে অনুসন্ধান ক্রমে ব্যবস্থা নেওয়ার নির্দেশ মহকু
ধিপতি ও জিলাধিপতিদের দেওয়া হয়েছে।

গ) নির্দিষ্ট অভিযোগ প্রমাণ সাপেক্ষে ব্যবস্থা নেওয়া হচ্ছে।

বিষয় : জলসিঞ্চন আঁচনিৰ নিৰ্ম্মান কাৰ্য্য

শ্রীবুবুল দাসে সুধিছে,

১৫৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) জাগীৰোড সমষ্টিত কিমানট Lift Irrigation Scheme অ
সেইবোৰৰ নাম কি কি ? এই আঁচনি সমূহৰ কোন কেইটাৰ নি
কার্য্য সম্পূর্ণ হ'ল ? অসম্পূর্ণ কেইটা কি কি (সদনৰ মেজত)
আঁচনি সমূহৰ নাম, কোন চনত আৰম্ভ হ'ল আৰু কোন চনত নি
শেষ হ'ল, প্রতি আঁচনিৰ নির্মাণৰ ব্যয় অসম্পূর্ণ হৈ থকা আচনিৰ
ধার্য্য কৰা নির্মান ব্যয় বর্ত্তমানলৈকে আঁচনিৰ বিপৰীতে হোৱা
বিতংকৈ দেখুৱাব ?

খ) নির্মাণ সম্পূর্ণ হোৱা আঁচনি কেইটাই কৃষকৰ চাহিদা পূৰণ কৰিব প
কার্য্যক্ষম হৈ আছেনে ? যদি থকা নাই চলিত বছৰৰ বানপানীত
কৰা খাদ্য শস্যৰ ঘাটি পূৰণৰ বাবে এই LIS সমূহ সময়মতে
মতিৰ ব্যৱস্থা গ্রহণ কৰিবনে ?

গ) অসম্পূর্ণ আঁচনি সমূহৰ নির্মাণ কার্য্যৰ বাবে প্রয়োজন হোৱা
আৱণ্টন দি চলিত বছৰত সম্পূর্ণ কৰিবনে ? অসম্পূর্ণ আঁচনি
সম্পূর্ণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্রীজেহিকল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে,

ক) জাগীৰোড সমষ্টিত ২৫ টা Lift Irrigation Scheme
এই আঁচনি সমূহৰ ১১ টাৰ নির্মান কার্য্য সম্পূর্ণ হৈছে আৰু
নিক্রিয়মান অৱস্থাত আছে। এই আঁচনি সমূহৰ নাম, কোন
আৰম্ভ কৰা হ'ল, কোন চনত নির্মান শেষ হ'ল, প্রতি

নির্মাণৰ ব্যয় আৰু আঁচনিৰ বিপৰীতে হোৱা খৰচৰ বিতং তথ্য প্ৰপত্ৰ 'ক' ত সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(See the Annexure XXVII)

খ) নিৰ্মাণ সম্পূৰ্ণ হোৱা আঁচনি কেইখন কৃষকৰ চাহিদা পূৰণ কৰিব পৰাকৈ বৰ্ত্তমান সম্পূৰ্ণ কাৰ্য্যক্ষম অৱস্থাত নাই। নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা মুঠ ১১টা আঁচনিৰ অধীনত ১১৬ টা পাম্পচেট অচল অৱস্থাত আছে আৰু বাকী ৫২ টা পাম্পচেট কাৰ্য্যক্ষম অৱস্থাত আছে।

প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন সাপেক্ষে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈ আছে।

গ) অসম্পূৰ্ণ আঁচনি সমূহৰ নিৰ্মাণ কাৰ্য্যৰ বাবে প্ৰয়োজনীয় পুঁজিৰ আৱণ্টনৰ অভাৱত চলিত বছৰত এই আঁচনি সমূহ সম্পূৰ্ণ কৰিব পৰা নেযাব।

Re : Flood Affected Cultivators.

Shri Sasha Kamal Handique asked,

59. Will the Minister of Agriculture be pleased to state :

a) How many bighas of paddy crop damaged during the last flood in the district of Dibrugarh (circle-wise) ?

b) What steps Government has taken to provide paddy seedling to the cultivators ? and if there are any distribution of seedling ?
(Please furnish the 1st circle wise)

c) What step Government propose to take to rehabilate the flood affected cultivators by providing seed of Rabi crops equipments fertilisers and others rehabilitation grants & financial assistances ?

Smti. Syeda Anowara Taimur (Minister, Agriclture) replied,

a) 1,74,604.5 Bighas.

i)	Dibrugarh (east) Circle	4830	bighas.
ii)	Dibrugarh (West) "	36099	"
iii)	Moran "	12873	"
iv)	Chabuwa "	3390	"
v)	Naharkatia "	26947.5	"
vi)	Tingkhang "	74257 5	"
vii)	Tengakhat "	16207.50	"

Total—1,74,604.50 bighas.

b) i) Seedling has been distributed free of cost to the Cultivators.

ii) Seedling distribution is continuing (upto date Circle wise Seedling distribution is enclosed a Annex-I)

(See the Annexure XXVIII)

c) Govt. proposes to supply seeds of Rabi Crops namely Wheat, Pea, Groundnut, Mustards and also provision is there for tractorisation and supply of Pesticides on needbase.

Re : Non-implementation of the Labour Court Award.

Shri Promode Gogoi asked,

160. Will the Minister of Labour and Employment b pleased to state ;

a) Whether it is fact that Kamrup Iron Rolling Steel Engineering Workers' Union (Regd. No. 1096 have submitted a petition on 19-10-94 for prosecution of the Management of Bajrang Ispat (P) Lt for non implementation of the Award given by th Hon'ble Labour Court, Assam in Reference Ca No. 10 of 1992 referred by the Government vi Notification No. GLR. 190/92/6 dated 6-8-92 ?

b) If so, what action have been taken by the Government so far ?

ri Dileswar Tanti (Minister of Labour) replied,

a) Yes.

b) The management of Bajrang Ispat (P) Ltd. Guwahati preferred an appeal before the Hon'ble High Court under Civil Rule No. 4170/94 against the Award given by the Hon'ble Labour Court, Guwahati under Ref. Case No. 10 of '92. As the matter is subjudice the question of taking action by the Govt. as prayed for by the Union does not arise at this stage.

বিষয় : চাহ বাগিছাব সংখ্যা

মেন্দ্র নাবায়ণ কলিতাই সুধিছে,

১। মাননীয় শ্রম বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

ক) অসমত বর্ত্তমান সর্বমুঠ কিমান চাহ বাগিছা আছে আৰু এই চাহ বাগিছা সমূহত সর্বমুঠ কিমান জন/জনীয়ে অস্থায়ী বনুৱা হিচাবে কাম কবি আছে।

খ) এই বনুৱা বিলাকে কিমান বছৰব পৰা অস্থায়ীভাবে কাম কবি আছে ?

গ) অস্থায়ী ভাবে কাম কবি থকাব বাবে এই বনুৱা বিলাকে বিভিন্ন সুবিধাব পৰা বঞ্চিত হোৱা নাই নে আৰু যদি হৈছে, তেনেহলে কি কি সুবিধাব পৰা বঞ্চিত হৈছে ?

ঘ) এই বনুৱা বিলাকক স্থায়ীকৰণ কবাব বাবে চৰকাবে কি ব্যৱস্থা গ্ৰহণ কবিছে ?

ঙ) অসমত ১৯৯১ চনব পৰা বর্ত্তমানলৈকে বছবি কিমান কেঁচা চাহপাত বৃদ্ধি পাইছে ?

চ) অসমব কিমানখন চাহ বাগিছাত Labour Inspector ব পদ খালি হৈ আছে আৰু উক্ত চাহ বাগিছা সমূহব ক্ষেত্ৰত চৰকাবে কি ব্যৱস্থা গ্ৰহণ কবিছে ?

শ্রীদিলেশ্বর ভাঁড়ী (শ্রম বিভাগর মন্ত্রী) য়ে উত্তর দিছে,

ক) অসমত সর্বমুঠ ৭২৬ খন চাহ বাগিছা আছে। এই বাগিছা সমূহত সর্বমুঠ ১,২৬,০১১ জনে আৰু ২,০৫,৩১১ জনীয়ে অস্থায়ী বসুৱা হিচাবে কাম কৰি আছে।

খ) এই বিষয়ৰ কোনো তথ্য শ্রম বিভাগত নাই।

গ) একমাত্র বাসস্থানৰ বাহিৰে বাকী বিলাক সুবিধাৰ পৰা বঞ্চিত হোৱা নাই।

ঘ) অসম চৰকাৰে ইতিমধ্যে (The Assam Industrial Establishment conferment of permanent statusco Act. 1985 (Assam Act. IX of 1994) বুলি এখন আইন প্রনয়ন কৰিছে আৰু এই আইনৰ অধীনত নিয়মাবলী প্রস্তুত কৰি ৰাজপত্রত বিজ্ঞপ্তি প্রকাশৰ বাবে পঠোৱা হৈছে আৰু প্রকাশৰ পিচত সদনত দাখিল কৰা হব। সদনে গ্রহন কৰাৰ পিচত উক্ত আইন বলবৎ কৰি চাহ বাগিছাৰ অস্থায়ী শ্রমিকক স্থায়ী কৰিবলৈ আইনগত ব্যবস্থা গ্রহন কৰা হব।

ঙ) শ্রম বিভাগে এনে কোনো তথ্য নেৰাখে।

চ) বাগান অনুযায়ী শ্রম বিভাগৰ কোনো Labour Inspector নিযুক্তি দিয়াৰ ব্যবস্থা নাই।

বিষয় : বান ক্ষতিগ্রস্ত কৃষি সামগ্রীৰ মূল্য নিৰূপন

শ্রীবুবুল দাসে সুধিছে,

১৬২। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) চলিত বছৰৰ বানপানীয়ে জাগীৰোত সমষ্টিৰ অন্তর্গত মায়াং মৌজা পকৰীয়া মৌজা, মনহা মৌজা, ঘণ্ডৰা আৰু পূব উত্তৰ খোলা ডেঙেলীয়া মৌজাত কিমান টকাৰ ধনধানৰ খেতি নষ্ট কৰিলে ? (ক্ষতিৰ পৰিমান মৌজা ভিত্তিত দেখুৱাই সদনৰ মজিয়াত দাখিল কৰিব)।

খ) এই বছৰৰ শেহতীয়া বানত উক্ত মৌজা কেইটাত মযাপাট, আহধান,

বাওঁধান আৰু শালি খেতি কিমান টকা মূল্যৰ অনিষ্ট কৰিলে ?
(মৌজা ভিত্তিত ক্ষতিৰ পৰিমান দেখুৱাব।)

গ) এই বানপানী সমূহত নষ্ট হোৱা কৃষি খাদ্য-শস্য সমূহৰ ঘাটি পূৰণ কৰিবলৈ চৰকাৰে কৃষি বিভাগৰ কি কি আচনি গ্ৰহন কৰিছে ?

ঘ) ক্ষতিগ্ৰস্ত মৌজা কেইটাৰ কৃষক সকলক সকাহ দিবলৈ কৃষি বিভাগে ব্যাপক ভাবে ৰবি শস্যৰ বিনামূলীয়া বীজ ও সাৰ বিতৰণৰ বিশেষ আচনি আৰু বৰধানৰ বীজ ও সাৰ বিনামূলীয়াকৈ বিতৰণৰ বিশেষ আচনি চৰকাৰে লৈছে ?

শ্ৰীমতী হৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) ২,১০,১৬,০০০'০০ টকা।

(মৌজা ভিত্তিক তালিকা (১) সদনৰ মেজত দাখিল কৰা হ'ল)
(See the Annexure XXIX)

খ) ৩,২৩,২৩,৪০০'০০ টকা।

(মৌজা ভিত্তিক তালিকা (২) সদনৰ মেজত দাখিল কৰা হ'ল)
(See the Annexure XXIX)

গ) কঠিয়া ধান আৰু গছ কঠিয়া বিতৰণ আৰু ৰবি শস্যৰ বীজ বিতৰণ বা আচনি গ্ৰহন কৰা হৈছে।

ঘ) কৰা হৈছে।

বিনামূলীয়া ৰবি শস্যৰ বীজ যেনে ঘেঁহু, মটৰমাহ, সৰিয়হ আদিৰ বীজ বানপানীত ক্ষতিগ্ৰস্ত কৃষকৰ মাজত বিতৰণ কৰা আৰু আৱশ্যক অনুসাৰে ট্ৰেক্টৰেৰে হাল ধোৱা আৰু কীটনাশক ঔষধ যোগান ধৰা ব্যৱস্থা আচনিত ধৰা হৈছে।

Re : Suklai Irrigation Project.

Shri Karendra Basumatary asked,

163. Will the Minister of Irrigation be pleased to state :

a) Whether the Government is aware of the fact that the Singribari Bandh and Spur Embankment over

Suklai river under Sukla Irrigation Project, Gareswar Naokata and the Singribari Bundh located in Panery L. A. Constituency has been damaged in recent flood by Suklai river erosion ?

b) If so, what action Government has taken to restore the damage ?

Shri Zahirul Islam (Minister, Irrigation) replied,

a) Yes, partially damaged.

b) Temporary protective measures are taken to arrest the further damage and restoration works will be taken after the rainy season.

Re : Legislation on Conferment of Permanent Status.

Shri Promode Gogoi asked,

164. Will the Minister of Labour and Employment be pleased to state :

a) Whether it is a fact that the Third Sitting of the Standing Labour Committee held on 14-6-93 have discussed the problems of Legislation on conferment of permanent Status to employees ?

b) If so, why no action has been taken in this matter ?

Shri Dileswar Tanti (Minister, Labour) replied,

a) Yes, It is a fact that Third Sitting of the Standing Labour Committee for workers others than Tea Plantations Workers, in Engineering Industries of Assam held on 14-6-93 had discussed the issues of the conferment of permanent status to temporary workers in Industrial Establishments and about the Bill in question.

b) Government have already made the Assam Industrial Workers (Conferment of permanent status) Bill 1985 into an Act, having obtained the assent of the president of India on 16-4-94 and the Assam Industrial Establishments (Conferment of permanent status to workmen) Act, 1985 (Assam Act No. IX of 1994) was notified in the Assam Gazette dtd. 22-4-94. Thereafter a set of State Rules named "The Assam Industrial (Conferment of permanent status to workmen) Rules 1995" have been finalised and sent to the Assam Govt. Press for notification on 16-6-95. The Labour Commissioner, Assam has been asked to do the spadework to implement the Act. As soon as the Rules are notified by way of publication in the Gazette. Inspectors under this Act would enforce the Act.

Re : Selection of New Agriculture Sub-Division.

Shri Karendra Basumatary asked,

165. Will the Minister of Agriculture be pleased to state :

When the works of construction of the New Dimakuchi Agriculture Sub Division at Dimakuchi under Panery L. A. Constituency, Darrang sanctioned D.A's vide letter No. Agri/Extn/AR/ASP/Esstt/95-96/12 dtd. 28-6-95 will be done ?

Smti. Syeda Anowara Taimur (Minister, Agriculture) replied,

Action has been initiated to start civil works of Dimakuchi Agriculture Sub-Division from the current financial year (1995-96).

Mr. Speaker : It is 10 A. M. Now Question Hour is over. Now item No. 2, I hope, there is no discussion.

Now Item No. 3. Voting on Supplementary Demands for Grants for 1995-96.

All the Hon'ble Members of the Opposition side who have tabled notices of Cut Motions in the Grants have unanimously decided to discuss only three Grants on priority basis instead of all Grants and informed me on this.

These Grants are :—

1) Grant No. 37—Food Storage, Ware Housing and Civil Supplies.

2) Grant No. 11—Secretariat and Attached Offices.

3) Grant No. 64—Roads and Bridges.

Now Grant No. 37, Hon'ble Minister to move.

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে সদৌ অসম মাষ্টাৰ বোল কৰ্মচাৰী সেৱা সস্থাই তেওঁলোকৰ দাবী পূৰণৰ বাবে ষোৱা কালিৰ পৰা আমৰণ অনশন কৰিছে, এইটো গড়কাপ্তানী বিভাগৰ লগতে এইটোও দৃষ্টি আকর্ষণ কৰিছো যে দতমা আৰক্ষী থানাত উগ্রপন্থীৰ আক্রমনত এজন হাবিলদাৰৰ মৃত্যু হৈছে, এই ক্ষেত্রত কি কয় জানিবলৈ বিচাৰিছো।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, এই সম্পর্কে এটা বিবৃতি দিয়া হব।

* শ্রীচিলভিউছ কন্দপান (মন্ত্রী) : অধ্যক্ষ মহোদয়, চৰকাৰে এই বিষয়ে বিবেচনা কৰি আছে, মাষ্টাৰ বোল কৰ্মচাৰী সেৱা সস্থাৰ লগত আলোচনা কৰা হব।

Mr. Speaker : Now Hon'ble Minister Food & Civil Supplies to move.

---

* Speech not corrected.

* Dr. Ardhendu Kumar Dey (Minister, Food and Civil Supplies): Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 9500·00 lakhs be granted to the Minister-in-Charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1996 in connection with the administration of "Food Storage, Warehousing and Civil Supplies."

Mr. Speaker: There are as many as nine Cut Motions notices standing in the names of hon'ble Members (1) Dr. Kamala Kalita, Shri Jatin Mali (2) Shri Sasha Kamal Handique, Shri Dilip Kumar Saikia, Shri Nizamuddin Khan (3) Shri Karendra Basumatary, Shri Derhagra Muchahary (4) Shri Kali Ranjan Deb, Shri Dhruba Kumar Sen, Shri Parimal Suklabaidya, Shri Madhu Sudhan Tewary, Shri Badri Narayan Singh, Shri Samarendra Nath Sen (5) Shri Badan Barua, Shri Pani Ram Rabha, Shri Nagen Sarma, Shri Hiteswar Deka, Shri Ramendra Narayan Kalita, Shri Gahin Chandra Das, Shri Bhupen Rai (6) Smti. Renu Poma Rajkhowa, Sri Bubul Das (7) Shri Hitendra Nath Goswami, Shri Dilip Kumar Saikia, Shri Thaneswar Boro, Shri Sahidul Alam Choudhury (8) Shri Mission Ranjan Das, Shri Chittendra Nath Mazumdar, Shri Pranab Kumar Nath (9) Shri Dewan Joynal Abedin.

Shri Parameswar Brahma: Mr. Speaker Sir, We, from the BLP side, move Cut Motions but at the time of

* Speech not corrected.

discussion, we have not been taken into confidence. Therefore, my point here is Sir, that we may be allowed to participate in the discussions of Cut Motions.

মাননীয় অধ্যক্ষ : আপোনালোকে পাৱটিচিপেট কৰিব পাৰিব।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে "১৯৯৫-৯৬ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমুহৰ তালিকাৰ ৭৫-৭৬ পৃষ্ঠাত থকা খাদ্য সংৰক্ষণ পণ্যগাৰ আৰু অসামৰিক শিতানৰ ৩৭ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৯৫০০'০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৯৫০০'০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।"

মাননীয় অধ্যক্ষ : এতিয়া আলোচনা কৰিব পাৰে।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যি পৰিপূৰক দাবী মঞ্জুৰী বিচৰা হৈছে তাৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ দিব লগা হৈছে কেইটামান বিষয়ৰ কাৰণে। ইয়াত কোৱা হৈছে যে দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা ব্যক্তিক পৰিয়াল পৰিচয় পত্ৰৰ জৰিয়তে দুটকীয়া চাউল বিতৰণ কৰিবলৈ প্ৰতি পৰিয়ালৰ বাবদ উক্ত টকা দিব লগা হয়। এই যে দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা ব্যক্তি সকলক দুটকা দৰৰ চাউল দিয়াৰ যি আঁচনি সেই আঁচনিখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত যি ধৰণৰ ভেকো ভাওনা হৈছে এইটো যে ৰাজনৈতিক ভাৱে হৈছে সেইটো সদনত আলোচনা হৈছে। আলোচনা হৈছিল যে কংগ্ৰেছৰ টিকট লওঁক আৰু দুটকাৰ চাউল গ্ৰহণ কৰক, এই কথাটো সদনত আমাৰ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই টিকট সহকাৰে উল্লেখ কৰিছে। প্ৰশ্ন হৈছে ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে দুটকা দৰৰ চাউল পোৱাত প্ৰকৃত দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোক সকল বঞ্চিত হব লগা হৈছে আগন্তুক নিৰ্ব্বাচনৰ কাৰণে নেকি? মই স্পষ্টভাৱে উল্লেখ কৰো যে কেইদিনমান আগতে বাতৰি কাকতত দিয়া হৈছে—পলাশবাৰী সমষ্টিত কি কাৰণত দুটকা দৰৰ চাউল দিয়াটো বন্ধ কৰিবলগীয়া হৈছে? এই

* Speech not corrected.

কাৰণে যে তাত চাকৰিয়ালক দুটকা দৰৰ চাউল যোগান ধৰা হৈছে। অথচ হাজাৰ হাজাৰ দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা মানুহে পোৱা নাই। তাত চাৰ্কোল অফিচাৰ উপ-প্ৰতিসমাহৰ্ত্তাই এইটো সাময়িকভাৱে বন্ধ ৰাখিব লগা হৈছে। এই কথা এই কাৰণে কব লগা হৈছে যে যদি চৰকাৰে সচাকৈ দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোক সকলক এই চাউল যোগান ধৰা আঁচনি লৈছে তেতিয়াহলে চৰকাৰৰ তথ্য আছে, কিমান দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়াল আছে আৰু কিমানটা পৰিয়ালক সেই চাউল দিয়া হৈছে। সেই চাউল যাক দিয়া হৈছে নিশ্চয় পৰিয়ালৰ সংখ্যা আছে, সেইটো জনাব পাৰে নেকি? যি সকলে পাব নেলাগে সেই সকলক কি ধৰণে নিৰ্ব্বাচন কৰা হৈছে? প্ৰকৃত পাৱলগা সকলক ৰাজনৈতিক কাৰণত বাদ দিয়া হব নেকি? এই কথাটো মাননীয় মন্ত্ৰী ডাঙৰীয়াই কব, স্পষ্ট ভাৱে উত্তৰ দিব। এইটো নিৰ্ব্বাচনৰ সময় কাৰণে তেনেকুৱা ব্যৱস্থা লোৱা হৈছে, আচলতে দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা সকলক যিটো দিব লাগে সেইটো দিয়া হোৱা নাই। এই আঁচনি কাৰ্য্যকৰী কৰোতে যথেষ্ট খেলিমেলি হৈছে। ১৬ কেজি চাউল পাব লগাই ১৪ কেজি চাউল পাইছে। এই বিষয়ে কামৰূপৰ ডি, ডি, এচ, ডাইৰেক্টৰ চাপ্লাইক অভিযোগ দিয়া হৈছে, কিন্তু কোনো ব্যৱস্থা লোৱা হোৱা নাই, ডি, ডি, এচ, অপদাৰ্থ মানুহক ৰখা হৈছে। ট্ৰেন্সপোৰ্টৰ বাবদ ১৬ কেজি চাউলৰ পৰা দুই কেজি এজেণ্ট সকলে কাটি ৰাখি ১৪ কেজিকৈ চাউল দিছে। এইটো চৰকাৰৰ নিয়ম আছে নেকি, কাৰ্ডত চহী ৰখা হৈছে ১৬ কেজিৰ, তেওঁলোকৰ পৰা চহী লোৱা হৈছে। এই বিলাক জনোৱাৰ পিচতো কোনো ব্যৱস্থা লোৱা হোৱা নাই।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it.)

মাননীয় উপাধ্যক্ষ মহোদয়, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোক সকলে আচলতে পাব লাগে ১৬ কেজিকৈ। কিন্তু তেওঁলোকক ১৬ কেজি নিদি ১৪ কেজিকৈ চাউল দিয়ে। ২ কেজি চাউল কাটি ৰাখে। কিন্তু তেওঁলোকৰ কাৰ্ডত লিখে ১৬ কেজি। কিয় ২ কেজিকৈ কাটি ৰখা হ'ল যদি প্ৰশ্ন কৰিলে এজেণ্ট সকলে ট্ৰেন্সপোৰ্টেছনৰ বাবদ কাটি

কথা বুলি কয় কিন্তু আমি জানিব পাবিছো যে ট্রেন্সপোর্টেছনব বাবদ ২ কেজিকৈ চাউল কাটি কথাব নিয়ম নাই। আমি এই বিলাক কথা যোগান বিভাগব বিষয়াসকলক জনাইছিলো। কিন্তু তেওঁলোকে আজিলৈকে কোনো ব্যবস্থা লোৱা নাই। ছুটকীয়া চাউলব কথা কওঁতে আক এটা কথা কব লাগিব, এভিয়ালৈকে আক বিশেষকৈ কামৰূপ জিলাব হিতাধিকাৰীব তালিকা সম্পূর্ণ নকবাকৈ, একেবাবে নিয়মিত নকবালৈকে এই কার্ড দিয়া প্রক্রিয়াটো বন্ধ বাখিব লাগে। এক বা দুই সপ্তাহব ভিতবত প্রকৃত হিতাধিকাৰী চিনাক্ত কবিব লাগে। তেওঁলোক প্রকৃততে দবিদ্র সীমা বেখাব তলত বাস কবা লোক হয়নে নহয় সেইটো ঠিক কবিব লাগে। মই প্রত্যাহ্বান জনাইছো যাতে বাজনৈতিক কাবণত কোনো লোকে ছুটকীয়া চাউল পাব নোৱাবে। মই বিভাগীয় মন্ত্রী মহোদয়ক আহ্বান জনাইছো যাতে তেখেতে বিশেষকৈ কামৰূপ জিলাত তৎকালীন ভাৱে এইটো ঠিক কবাব ব্যবস্থা কবে আক প্রকৃততে যিসকল লোক দবিদ্র সীমাবেখাব তলত বাস কবি আছে তেওঁলোকক ছুটকীয়া চাউল দিয়াব ব্যবস্থা কবিব লাগে। উপাধ্যক্ষ মহোদয়, আমি বাবম্বাব কৈছো যে কামৰূপ জিলাব ডি ডি এছ জন একেবাবে অপদার্থ। আমি ডি ডি এছক কেইদিনমান আগতে ১৬ কেজি চাউলব ঠাইত যে ১৪ কেজিকৈ দি আছে এইটো বিষয়ে অভিযোগ কবিছো। কিন্তু অভিযোগ দিয়াব পিছতো একো ব্যবস্থা নলয়। এজেন্ট সকলে যে নিয়ম বহির্ভূত ভাৱে দুই কেজিকৈ চাউল কাটি বাখে এই বিলাক খেলি মেলি দূব কবাব কাবণে ব্যবস্থা লওঁক। উপাধ্যক্ষ মহোদয়, আজি কেইদিনমান আগতে এখন বাতবি কাকতত এটা বাতবি প্রকাশ পাইছিল যে ছুটকীয়া চাউল যোগান ধবিবব কাবণে আমাব ২৫ হাজাব মেট্রিকটন চাউলব প্রয়োজন হয় আক তথ্যমতে ২৫ হাজাব মেট্রিকটন ছুটকীয়া চাউলত বেআইনী লেন-দেন হয় ৫ কোটি টকাব। প্রতি মাহে ছুটকীয়া চাউল যোগান আঁচনি ৰূপায়ন কবোতে বেআইনী লেন-দেন হয় ৫ কোটি টকাব। এইটো মোব বক্তব্য নহয়, এইটো 'সাদিন' নামব কাকতখনত যোৱা ১৫ ছেপ্তেম্বব 'তাবিখে প্রকাশ হোৱা বাতবিহে। এই ছুটকীয়া চাউলখিনি ক'বপবা আহবণ কবা হয় সেইটোও প্রকাশ পাইছে। চবকাবে ঘোষনা কবা মতে এই চাউল আহবণ আক বিতবন কবিব লাগে সমবায় প্রতিষ্ঠানব পবা। কিন্তু তাব পবিবর্ত্তে আমাব এই চাউল আহবণ কবা হৈছে

কোনোবা এজন পৃথিবাজ চুবানাব পবা। কি কাবণে সমবায় প্রতিষ্ঠানব পবা আহবণ নকবি পৃথিবাজ চুবানাব পবা আহবণ কবিব লগা হ'ল? কাকতখনত মানুহজনব ঠিকনা উল্লেখ কবা হৈছে—গুৱাহাটী, কেতাব বোড, কাঁচি বজাব আৰু লগতে দিল্লীব ঠিকনা দিয়া হৈছে। আকৌ লগতে এটা তাৎপর্যপূর্ণ কথা কোৱা হৈছে চুবানাব যি ফোন নম্বব দিয়া হৈছে সেই ফোনত প্রতি দিনে এবাব হলেও অসম চবকাবব বিত্ত বিভাগব আয়ুক্ত আৰু অন্য উচ্চ বিষয়াসকলে চুবানাব লগত যোগাযোগ কবে। গতিকে এইটো ধুৰূপ যে এই চাউল যোগানত নিশ্চয় কেলেংকাবী আছে। প্রতি মাহে এই আঁচনি ৰূপায়ন কবোতে ৫ কোটি টকাব বেআইনী লেন-দেন হয়। এতিয়া চবকাবে যি ৯৫ কোটি টকাব মঞ্জুবী বিচাবিছে সেই ৯৫ কোটি টকাব মঞ্জুবী বিচবাব যুক্তি ক'ত? আমি এই আঁচনিখন ৰূপায়ন হব নালাগে বুলি নকওঁ। কাবণ এইখন এখন সুন্দব আঁচনি, এই আঁচনি ৰূপায়ন হব লাগে। কিন্তু আঁচনিখন ৰূপায়নব নামত যি দুর্নীতি চলি আছে সেইটো বন্ধ কবিব লাগে। এই আঁচনি ৰূপায়নব নামত মাহে যি ৫ কোটি টকাব বেআইনী কাববাব চলি আছে সেই বিলাকব যোগেদি আচলতে আমাব দবিদ্র সীমাবেখাব তলত বাস কবা লোকব পবা চান কাঢ়ি কাঢ়ি লোৱা হৈছে। এই আঁচনিব জবিয়তে কেইজনমান মধ্যভোগীয়ে আচলতে লাভবান হৈছে। উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কবলৈ বিচাবিছো যে কামৰূপ জিলাব ছয়গাওঁত আজি তিনি বছব আগতে কেবাচিন যোগান ধবা হৈছিল ৩০০ মেট্রিকটন। কিন্তু এতিয়া এই পবিমাণ হ্রাস কবি ৯৫ মেট্রিকটন কবা হৈছে। এতিয়া ছয়গাওঁত জনসংখ্যা বাঢ়িছে। গতিকে ভাত এই পবিমাণ তিনি বছব আগতে যি আছিল, ভাতকৈ বাঢ়িব লাগিছিল। কিন্তু নাবাঢ়ি হ্রাসহে পাইছে। এই বিষয়ে আমি কেবাবাবো কামৰূপ জিলাব ডি ডি এছক কোৱা হৈছে কিন্তু আজিলৈকে কোনো ব্যৱস্থা নললে। ভাত কেবাচিনব পবিমাণ হ্রাস কবা হৈছে যদিও ব্লেকত কিন্তু বিক্রী হৈয়ে আছে। এই বিষয়ে মন্ত্রী মহোদয়ক কলে তেখেতে হয়তো কব যে বগা আৰু ক'লা বঙব দুবিধ কেবাচিন আছে। বগা কেবাচিনহে ব্লেকত বিক্রী হয়। মই কিন্তু বগা কেবাচিনব কথা কবলৈ যোৱা নাই। কেবাচিন বিক্রীত যি দুর্নীতি চলি আছে এই বিলাক দূব কবাব ব্যৱস্থা কবিব লাগে। মন্ত্রী মহোদয়ে এইবিলাক দূব কবাব ব্যৱস্থা কবিব লাগে। মন্ত্রী মহোদয়ে মূল্য

তালিকা পাঠ কৰিছে। মন্ত্ৰী তাতৰীয়াই যোৱা বিধান সভাতো মূল্য তালিকা পাঠ কৰি সদনক মিছ লিদ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৩ চনত মাৰ্চ মাহত মূল্য সম্পৰ্কত বিটো বেট কৰিছিল ১৯৯৫ চনৰ মাৰ্চ মাহৰ বেটটোৰ লগত একে নহয়। সদনত দেখ দেখৰৈ যজাৰৰ মূল্য হ্ৰাস কৰিব বিচাৰিছে। সদনত ইচ্ছাকৃত ভাবে মিচলেট কৰিছে। মই এই কাৰণেই কম বিছাবিছো যে মন্ত্ৰী মহোদয়ে সদনত অসত্য আৰু অশুদ্ধ উত্তৰ দিয়ৰ কাৰণে কুণ্ঠাবোধ নকৰে।

মাননীয় উপাধ্যক্ষ : আপুনি কাটমোচনৰ ওপৰত কওক।

* ডাঃ কমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে বিটো কথা কৰ প্ৰায় বিলাক অসত্য কথা কৰ। ইয়াত ৰাজনৈতিক হস্তক্ষেপ হোৱা নাই। তেখেতে চেলেঞ্জ কৰক। আমি কেইজনমান ব্যক্তিৰ নাম কৰ পাৰো। ২ টকীয়া চাউল বিতৰণ কৰাত যি আঁচোৱাহ দেখা গৈছে সেইটো অনুসন্ধান কৰক।

* শ্ৰীনকুল দাস : মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কংগ্ৰেছৰ বিৰুদ্ধে বিৰোধী দলৰ অপপ্ৰচাৰহে।

* ডাঃ কমলা কলিতা : এইটো অপপ্ৰচাৰ নহয় সত্য কথা।

* শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাটো সত্য নে অসত্য জানিবৰ কাৰণে সদন কমিটি এখন গঠন কৰি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ অনুসন্ধান কৰা হওক।

* ডাঃ কমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, সদন কমিটি এখন গঠণ কৰক আৰু সদন কমিটিক সেই ঠাইলৈ পঠিয়াই অনুসন্ধান কৰক। আমি ব্যক্তিজনৰ নাম দিম। সভাপতি জনে যদি অস্বীকাৰ কৰে তেতিয়া মই নিজেই ক্ষমা খুজিম।

(কেইবাজনো সদস্যই একেলগে থিয় হৈ কয়। কাৰো মাত শুনা যায়।)

মাননীয় উপাধ্যক্ষ মহোদয়, সদন কমিটি এখন হওক। সদন কমিটি

---

* Speech not corrected.

নিৰপেক্ষ কমিটি। তাত সকলো দলৰে সদস্য থাকিব। তেখেত সকলে প্ৰমাণ কৰক।

* শ্ৰীনগেন শৰ্মা : মাননীয় উপাধ্যক্ষ মহোদয়, উক্ত অভিযোগ যদি অসত্য হয় তেন্তিয়া সদন কমিটিয়ে যি শাস্তি আমাক দিয়ে তাকে মানি লবলৈ আমি সাজু আছো।

* ডাঃ কমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, এইটো মন্ত্ৰীয়ে নিৰ্দ্দেশ দিছে বুলি মই কব খোজা নাই। সত্য কথা কৈ ভাৰমূৰ্ত্তি ভাল কৰিব লাগে নহলে আমি ধাৰণা কৰিম যে এইবোৰ কামৰ কাৰণে মন্ত্ৰীয়ে নিৰ্দ্দেশ দিছে। দুটকীয়া চাউল বিতৰণ কৰাত কিছুমানৰ বিৰাট লাভ হৈছে। এই অভিযোগ অনুসন্ধান কৰাত চৰকাৰৰ কি অসুবিধা আছে? একো অসুবিধা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, বাতৰি কাকত সমূহত আমি পঢ়িবলৈ পাইছো যে ষ'ত ১৬ কেজি চাউল পাব লাগে তাত ১৪ কেজি দিছে। এইবিলাক খেলি-মেলি হৈছে। প্ৰতি মাহতে কম কমকৈ সামগ্ৰী যোগান ধৰে। এইবিলাক নিৰাময় কৰাৰ কাৰণে ব্যৱস্থা লওক। চৰকাৰৰ আঁচনিৰ বিৰুদ্ধে আমি কোৱা নাই। আমি কৈছো যে আঁচনিখন ৰূপায়ন কৰাৰ স্বাৰ্থতহে এইখিনি কৱলগীয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই ৩টা কথা কব বিছাৰিছো—(১) দুটকীয়া চাউলৰ যি খেলিমেলি হৈছে ২ টকীয়া কংগ্ৰেছী টিকট লয় সেই সকলেহে হিতাকাংখী হব পাৰে। এই নিয়ম বন্ধ কৰক। (২) ১৬ কেজিৰ পৰিবৰ্ত্তে ১৪ কেজি কৰা ব্যৱস্থাটো বন্ধ কৰক। (৩) সমবায় খণ্ডৰ পৰা চাউল ক্ৰয় নকৰি কোনোবা পৃথিৰাজ চুৰানৰ লগত যিটো ব্যৱসায় চলিছে সেইটো বোধ কৰিব নোৱাৰে নে? সমাজ বিৰোধীয়ে এই ২ টকীয়া চাউলক লৈ আহৰণ কৰা ৫ কোটি টকাৰ কথাটোও লগতে উল্লেখ কৰি মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থনত মই দুটামান তথ্য দাঙি ধৰিব বিচাৰিছো। প্ৰথম কথা হৈছে

* Speech not corrected.

২ টকীয়া চাউল হিতাকাংখী সকল চিলেক্ট কবা সম্পর্কে মই কৈছো যে আমাব ফাসব পবা বিধান সভাত দবিদ্রতা সীমা বেখাব তলত থকা পবিয়াল কেইটা? কোন কোন? আৰু কি পদ্ধতিবে এইবিলাক কবিছে। চবকাবে এই সম্পর্কে কি ব্যৱস্থা লৈছে? তেতিয়া আমাব মুখ্যমন্ত্রী ডাঙবীয়াই উত্তব দিছিল যে মই এইটো কবিব পাবিম। এদিন ৰাতি হঠাত এখন চাৰ্কোলাব আহিল যে তেপুটী কমিশ্যনাবে ২ টকীয়া চাউলব বেনিফিচাব বিচাবি গাওঁ পঞ্চায়তব সভাপতি আৰু সদস্য সকলক কলে যে ৰাতিপুৱা এখন তালিকা দিব লাগিব। ৰাতি ১২ টা / ১ টা ৰজাত যিবিলাকব নাম মনত আছিল এখন লিষ্ট কবি দিছে। সেইমতে এৰীণ কার্ড ইছু কবি দিছে। মই গাওঁ এখনব কথা কব পাবো। গাওঁ খনব প্রায় ৪০ ঘবমান মানুহব নাম দিলে। তাবে ৩৮ ঘব মানুহব অৱস্থা ইমান ভাল যে তেওঁলোকে দুটকীয়া চাউল খাবলৈ ভাল নাপায়। পিঠা খুন্দি খায়। ভাত চবকাবী কর্মচাবী আছে, বাজ্যিক বিদ্যুত পবিষদত কাম কবা মানুহ আছে, অইল ইণ্ডিয়াৰ কর্মচাবী আছে, বিফাইনাবীব কর্মচাবী আছে তাবোপবি ২-৪ ঘবব ২-৪ টাকৈ ভবালো আছে। ২ ঘব মানব বাহিবে সকলোৱে ধনী বুলি কব পাবি। ওচবতে যিবিলাক গাওঁ আছে তাত ৬০ ঘব মানুহ আছে ১৫০ ঘবো মানুহ আছে। চবকাবে যি নির্দ্দেশ দিয়ে কোনো বিচাব বিবেচনা নকবাকৈ সেই নির্দ্দেশ গ্রহন কবিব লাগিব। উপায় নাই। ৫০০০ হেজাবব ভিতবত ১৫০০ শ মানুহ দবিদ্র সীমা বেখাব তলত থকা মানুহব তথ্য চবকাবে আনক। দবিদ্র সীমা বেখাব তলত থকা শতকবা ৪০ ভাগ মানুহব ব্যৱস্থা কি হৈছে? এই তথ্যব পবাই আপোনালোকে অনুমান কবিব পাবিবনে নাই। কিন্তু আজিলৈকে মই বেনিফিচাবীব লিষ্ট খনেই নাপালো। বহু বিচবাব পাচতো এই লিষ্টখন উলিয়াব নোৱাবিলো। গতিকে তদাবক কবা ব্যৱস্থাটো আৰু নহল। লিষ্ট বিচাবি পাচে পাচে দৌবি থাকিম আৰু তেওঁলোকে আগে আগে দৌবি থাকিব। ৰঙকুচীত সভাপতিব এনকুৱেবী হ'ল প্রমাণো হ'ল। কিন্তু এজন দুর্নীতি কবা মানুহে কেনেকৈ সভাপতি, মন্ত্রী, এম, এল, এ হব পাবে। তেওঁলোকব কাবণে আইন কানুন নাই নেকি? এই সভাপতি জনব ক্ষেত্রতো একেই হ'ল। দুর্নীতিক প্রশ্রয়

দিয়া হ'ল। ইয়াৰ ওপৰিও অসমৰ চাউল অসমৰ যোগান বিভাগৰ পৰা সংগ্রহ কৰিব পাৰিলেহেতেন। অসমৰ খাদ্য নিগমৰ চাউল কুইণ্টল হিচাবত ৬৬১ টকাত পায়। কিন্তু অসম চৰকাৰে দিল্লীৰ পৰা ৭২৭ টকাকৈ আনিছে। মই জনাত দিল্লী চৰকাৰৰ লগত যোগাযোগ কৰিলে লোডিং পইণ্ট ডেলিভাৰী ৬০০ টকাৰ পৰা ৬২৫ টকাৰ ভিতৰত পালেহেতেন। কিন্তু সদস্য কমলা কলিতাই কোৱাৰ দৰে যিজনে এই চাউলৰ কৰ্ণধাৰ তেওঁৰ নামটো কিয় লুকুৱাই ৰাখিব লগা হ'ল। এতিয়া আন এক্সপেনডিচাৰ ধৰি ৭ কোটি টকা উপকৰাকৈ দিব লগা হৈছে। গতিকে মাহে ১২ ৰ পৰা ১৫ কোটি টকা চৰকাৰৰ লোকচান হৈ আছে। গতিকে অসমত থকা ভাৰতীয় খাদ্য নিগমৰ পৰা চাউলটো সংগ্রহ কৰিব পাৰিলেহেতেন। নাইবা পাঞ্জাৱ, হাৰিয়ানা যিহেতুকে তেওঁলোকৰ চাউল চাৰপ্লাচ আছে তেওঁলোকৰ লগত অর্থাৎ চৰকাৰৰ লগত পোনপতিয়াকৈ এই বিষয়ে যোগাযোগ কৰিব পাৰিলেহেতেন। এই চাউলৰ নামত অসমৰ পৰা মাহে ১২/১৩ কোটি খৰচ কৰাৰ কোনো যুক্তি মই বিচাৰি পোৱা নাই। বিশেষকৈ অসমৰ নিচিনা দুখীয়া ৰাজ্য এখনৰ বাবে। যি ৰাজ্যত বানপানীত খেতি-বাতি মানুহ-দুনুহ বানপানীৰ প্রকোপত উটি যায় আৰু চৰকাৰৰ মঠাউৰি এটা ৰান্ধিবলৈ পইচা নাই। এই দুটকীয়া চাউলৰ নামত মাজতে হাজাৰ হাজাৰ টকা লুট কৰি থকা আঁচনিখন কেতিয়াও এগ্রি কৰিব নোৱাৰো আৰু মই ভাৰো কোনো মাননীয় সদস্যই ইয়াত সর্ব্বান্তকৰণে সম্মতি জনাব নোৱাৰে। যোগান মন্ত্রীয়ে দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহ বিলাকক দুটকীয়া চাউল দিব বিচাৰিছে আৰু তাৰ সংখ্যা কৈছে ১৫ লাখমান মানুহ। ইয়াৰ উপৰি আৰু দৰিদ্র মানুহ নাই বুলি কব পাৰিবনেকি? ৪০ ঘৰ মানুহ থকা গাওঁখনৰ ৩৮ ঘৰৰে অৱস্থা বেয়া। যদি সচাঁকৈ দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহখিনিক দুটকীয়া চাউল দিব বিচাৰিছে তেন্তে পদ্ধতিটো সলনি কৰক। বৈজ্ঞানিক কৰক। বাতিটোৰ ভিতৰত তালিকা দিব পৰাটো সম্ভৱ নহয়। আমাৰ মন্ত্রী তাঙৰীয়াৰ মাত শুনিলে ঘৰ নোৱাৰো। সেই কাৰণে মাতবাৰ মাতিছো। বেনিফিচিয়াৰী নির্ব্বাচন পদ্ধতিটো বন্ধ কৰক। দুর্নীতি হৈছে। দুটকীয়া চাউল বিতৰণৰ ক্ষেত্রত থকা দুর্নীতিৰ সুফণ্ডা বিলাক

বন্ধ কৰিবৰ কাৰণে আগবাঢ়ি আহক। দুটকীয়া চাউল লৈ ৰব উৎ-ফুল্লিত হৈছে। সভা-সমিতিত কৈ ফুৰে চৰকাৰে কি কৰা নাই। দুটকীয়া চাউল এনে ধৰণে দিয়াটো সম্পদ হোৱা নাই, কালহে হৈছে। গৰীৰ মানুহক প্ৰবঞ্চিত নকৰিব। গৰীবক ৰক্ষা কৰিবৰ কাৰণে এই আঁচনি প্ৰয়োগ কৰক। নহলে ফেটা সাপ হিচাবে খাই পেলাব। এইবিনিকে কৈ সামৰণি মাৰিলো।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, 'খাদ্য সংৰক্ষণ পণ্যগাৰ আৰু অসামৰিক যোগান' শিৰোনাম ৯ হাজাৰ ৫ শ লাখ টকাৰ যি দাবী মঞ্জুৰী আনিছে তাৰ ওপৰত মই অলপ কৰ বিচাৰিছো। দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোকক টকা দিয়াত আপত্তি নাই। উপৰোক্ত বক্তাই কৈ গৈছে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ মাজত চাউল বিতৰণত ৰাজনীতি কৰিছে। মই আৱেদন জনায় এই ক্ষেত্ৰত ৰাজনীতিৰ ঊৰ্দ্ধ। থাকি দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক সকলে যাতে প্ৰকৃতাৰ্থত দুটকীয়া চাউল পায়। বৰ্ত্তমান বিতৰণ ব্যৱস্থা গাওঁ পঞ্চায়তৰ সভাপতিৰ যোগেদি কৰা হৈছে। এই ব্যৱস্থা বন্ধ কৰি গাওঁবুঢ়া, মণ্ডল সকলৰ যোগেদি হিতাধিকাৰী তালিকা প্ৰস্তুত কৰক আৰু বিতৰণৰ ব্যৱস্থা লওক। মই কবলৈ বাধ্য হৈছো যে ৰাজনৈতিক ভাৱে চাউল বিলাক বিতৰণ কৰা হৈছে। আমি দেখা পাইছো যি ঘৰত চাবিটা চাকৰিয়াল আছে তেওঁলোকেও দুটকীয়া চাউল পাইছে অথচ তিনিটা ধানৰ ভৰাল আছে। গতিকে এই ক্ষেত্ৰত স্পষ্ট নীতি ঠিক কৰক। আমাৰ দেশৰ শতকৰা ৯০ ভাগ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। এতিয়া পৰ্য্যায়ক্ৰমে ১২ লাখ লোকক দিব। আমাৰ ২ কোটি ২৭ লাখ মানুহ আছে। গতিকে ১২ লাখ মানুহক চাউল দিলে প্ৰকৃতাৰ্থত দৰিদ্ৰ লোকে চাউল পাইছেনে, এই কথাটো মই বুজি পোৱা নাই। চৰকাৰে এটা স্পষ্ট নীতি ঘোষণা কৰক আৰু দুটকীয়া চাউল বিতৰণৰ ব্যৱস্থা লওক। উপৰোক্ত বক্তাই কৈছে অসম চৰকাৰে প্ৰায় ৭ কোটি টকা লোকচান ভৰিব লগা হৈছে। অসম এখন দুখীয়া ৰাজ্য। বানপানীৰ সমস্যাই আমাক জুকলা কৰিছে। যোৰাকালি জোনাইত গাই নদীৰ মথাউৰি আকৌ ভাঙিল। গড়কাপ্তানি মন্ত্ৰী আহিছে আৰু হাইৰেৰ কাৰণে ৩০ লাখ টকা দিছিল। ৩০ হাজাৰ

টকাৰ কাম হৈছিল। ধানবিলাক ওলোৱাৰ সময়ত আহিনত পুনৰ পানী আহি খেতি পথাৰৰ শস্য নষ্ট কৰিলে। সেই বিলাক ঠাইত দুটকীয়া চাউল দিয়া ব্যৱস্থা কৰক। কঙাল মাহত মানুহৰ অৱস্থা নাই। বালিয়ে ধানৰ পথাৰ পুতি পেলালে। ধাৰাসাৰ বৰষুণৰ ফলত বানপানী হৈ সকলো মাৰি পেলালে। গতিকে মোৰ অনুৰোধ এই গৰীৱ লোক সকলে যাতে দুটকীয়া চাউল পায়। আমাৰ শাস্ত্ৰত প্ৰবাদ আছে কৌৱৰৰ চাউল খাই পাণ্ডৱৰ গুণ গায়। ফেটি সাপৰ কথা কৈছেই।

মাননীয় উপাধ্যক্ষ মহোদয়, আটা দিলেও ভুচি দিব গতিকে একে অৱস্থাই হব। সেয়েহে মই আবেদন জনাইছো, বিশেষকৈ প্ৰত্যেকজন দৰিদ্ৰ মানুহে যাতে চাউল পায় তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে নীতি ঘোষণা কৰিব লাগে। ৰাজনৈতিক উৰ্দ্ধত থাকি চাউল বিতৰণ কৰিব লাগে। দুখীয়া মানুহ সকলো দলতে আছে সকলোৱে যাতে চাউল পাব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহন কৰিব লাগে। বিশেষকৈ অসমৰ বানপীড়িত অঞ্চল বিলাকত যিসকল মানুহৰ অৱস্থা একেবাৰে শোচনীয় আৰু লাও লোৱা অৱস্থা তেওঁলোকক দুই টকা কিলোৰ চাউল দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে আবেদন জনাই মই মোৰ বক্তব্য সামৰিলো।

Mr. Deputy Speaker: Now Hon'ble Minister Shri Parameswar Brahma is to speak.

Shri Parameswar Brahma: Thank you Sir for allowing me to participate in this cut motion. Participating in this agenda Members have raised so many issues. But I will particularly confine myself to a few points and try to make it as brief as possible. Yes, the distribution of 2/- rupees per Kg. rice has become controversial. The beneficiaries are supposed to be selected at the Panchayat level in consultation with the local B.D.O. and other such members. But it is seen, because of many reasons, may be for personal Prejudices at the time of selecting beneficiaries even those who do not need it, who can stand on their own

feet without obtaining this 2/- a Kg. rice, have also been given this benefit. Assam is economically poor, no doubt, and the number of poor people in the state is increasing day by day because of many reasons. People of Assam are handicapped all around due to financial constraints. In many departments since 1991 no construction works have been undertaken and that is why engagement in works is not available to the people. As a result they are facing acute lack of purchaseing power. Those who have Govt. service and other source of subsistence should be left out in time of selection of such beneficiaries. I would request Minister concerned to take active measure for making the district administration or administrative machinery concerned available at hand so that only needy people are given this benefit. We have already a large number of poor people and if this welfare scheme which is meant for this people are distributed on political considration, the entire will be divided and its consequence will be very bad. In a democratic society every people have the right to get the benefit from the State. What is the Govt. ? It is for all the people and so any welfare measure aimed at a particular scheme of the society should benefit all of them equally. In that matter I request the Minister concerned to take effective measure so that no such anomalies and controversy can take place in the supply and purchase of the rice at Rs. 2/- per K.g.

Now, it is also seen that many co-operative societies due to lack of fund cannot lift the allotted rice. Because it is a contradiction. Here at Guwahati we use to purchase rice @ Rs. 10 per K.g. In such case for a poor State like Assam whose financial condition is

very very bad and which has relatively a larger population below the poverty line, to distribute the Rice @ 2/- per Kg. is not an easy task. But if it allows the undeserving persons to harvest whatever benefit in the name of giving benefit to the people below the poverty line, then it will harm the entire society. I would request the Minister, supply to assure the House that as in Bodoland Autonomous District Council we do not have required food-storage facilities, adequate storage facility or ware housing facility will be immediately provided.

Mr. Deputy Speaker : Now Mr. Munin Mahanta is to speak.

শ্রীমুনীন মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, আজি খাদ্য সংৰক্ষণ, পণাগাৰ আৰু অসামৰিক যোগানৰ মিতানত ৩৭ নম্বৰৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে যি ৯৫ লাখ টকা বিচৰা হৈছে আৰু তাৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপিত হৈছে মই সেই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। উপাধ্যক্ষ মহোদয়, মই কব খোজো যে, এই দাবী উত্থাপন কৰি দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত থকা লোক সকলক ২ টকীয়া চাউল দিয়াৰ কাৰণেই এই পুঁজিৰ প্ৰয়োজন হৈছে বুলি কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যখনত যোৱা কেইটা বছৰত বানপানী আৰু খৰাং হোৱাৰ ফলত যি অভূতপূৰ্ব্ব অৱস্থাৰ সৃষ্টি হৈছে তাক বৰ্ণনা কৰিব নোৱাৰি। ফলত গাঁৱে-ভূঞে দৰিদ্ৰ মানুহৰ সংখ্যা বাঢ়িছে আৰু দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰা মানুহ দিনক দিনে বাঢ়ি গৈছে। এই পটভূমিত ২ টকা কিলোৰ চাউলৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰি চৰকাৰে এই আঁচনি যুগুতাইছে।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোক সকলৰ কাৰণে এই দুটকীয়া চাউল যোগানৰ আঁচনিখনৰ প্ৰয়োজন আছে, ইয়াৰ গুৰুত্ব আছে কিন্তু এই আঁচনিখন ৰাজনৈতিক উদ্দেশ্যত প্ৰয়োগ কৰাৰ বাবে চেষ্টা কৰাৰ কাৰণে, ৰাজ্যখনৰ বহুত লোক যি এই আঁচনিৰ দ্বাৰা উপকৃত হব লাগিছিল, তেওঁলোকক বঞ্চিত কৰা

হৈছে। মোৰ বাজ্যখনৰ কথা অভিজ্ঞতা নাই যদিও মোৰ সমষ্টি তথা জিলাখনৰ কিছু অভিজ্ঞতা আছে। মোৰ সমষ্টি তথা জিলাখনত বাজনৈতিক বিচাৰ বিবেচনা কৰি দুটকীয়া চাউলৰ কাৰণে বহুতো লোকক 'গ্ৰীণ কাৰ্ড' দিয়া হৈছে। মই জনাত এনে লোকেও দুটকীয়া চাউলৰ কাৰণে গ্ৰীণ কাৰ্ড পাইছে যাৰ ঘৰত তিনিটাকৈ চাকৰিয়াল আছে, যাৰ ঘৰত ধানৰ মজুত ভড়াল আছে। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আজি প্ৰত্যেক ওৱাৰ্ডৰ ওৱাৰ্ড মেম্বাৰ, পঞ্চায়তৰ সভাপতিক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ৬০ ঘৰ লোকৰ নাম নিৰ্ব্বাচন কৰিবলৈ কোৱা হৈছে। মই বিভাগীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে এই আঁচনি চালু হোৱাৰ লগে লগে বিধায়ক সকললৈ একোখন চিঠি দিছে আৰু কৈছে যে এই দুখীয়া লোক সকলৰ নাম নিৰ্ব্বাচনৰ ক্ষেত্ৰত আমাক চকু দিবলৈ কৈছে। কিন্তু অতি দুখৰ কথা যে, মই জিলাৰ অভিজ্ঞতাৰ পৰা কৈছো—এই দুটকীয়া চাউলৰ গ্ৰীণ কাৰ্ড পোৱাৰ বাবে মানুহৰ নিৰ্ব্বাচনৰ প্ৰক্ৰিয়াত জিলাৰ উপায়ুক্ত বা অন্য কোনো বিষয়াই মোৰ লগত কেতিয়াও আলোচনা কৰা নাই। ফলত এনে লোকৰ তালিকাৰ ক্ষেত্ৰত যথেষ্ট খেলি-মেলিৰ সৃষ্টি হৈছে—পঞ্চায়তৰ সদস্য বা সভাপতিয়ে বাজনৈতিক উদ্দেশ্যত ইয়াক প্ৰয়োগ কৰাৰ চেষ্টা চলাইছে। দুৰ্নীতি কৰিছে—অভিযোগ পোৱা মতে এনে গ্ৰীণ কাৰ্ডৰ দাম ১০ টকাৰ পৰা ৫০ টকালৈ উঠিছে। এইবোৰ কথা আমি জিলাৰ উপায়ুক্তৰ দৃষ্টিগোচৰ কৰিছো। বাতৰি কাকতত দুটকীয়া চাউলৰ বিষয়ে খেলি-মেলিৰ বহুত বাতৰি প্ৰকাশ পাইছে। যথেষ্ট সমালোচনাও হৈছে। চৰকাৰৰ জ্ঞাত অৱস্থাতেই বাজনৈতিক পৃষ্ঠপোষকতা, বিচাৰ বিশ্লেষণেৰে এই দুটকীয়া চাউলৰ গ্ৰীণ কাৰ্ড দিয়া ব্যৱস্থা চলি আছে। মোৰ জিলাৰ কিছু লোক যি দুটকীয়া চাউলৰ গ্ৰীণ কাৰ্ড পাইছিল কিন্তু তেওঁলোক কমিউনিষ্ট দলৰ সভালৈ যোগদান কৰিবলৈ অহাৰ কাৰণেই পিছত তেওঁলোকৰ পৰা সেই কাৰ্ড নি অন্য লোকক দিয়া হৈছে। মই জানো ইয়াৰ কাৰণে ওপৰৰ পৰা নিৰ্দ্দেশ দিয়া হোৱা নাই কিন্তু তলৰ পৰ্য্যায়ৰ এচাম লোকেই এইবোৰ কাম কৰি আছে। এই লোকবিলাক হৈছে কংগ্ৰেছ দলৰ লোক। এওঁলোকে

বাজনৈতিক উদ্দেশ্য চৰিতার্থ কৰিবলৈ চেষ্টা কৰিছে। উপাধ্যক্ষ মহোদয়, যদি এই দুটকীয়া চাউলৰ কাৰবাৰটো বাজনৈতিক উদ্দেশ্যৰে কৰা হৈছে তেন্তে ইয়াৰ বাবে টকা চৰকাৰে দিব নেলাগে—ইয়াৰ বাবে টকা দিব লাগে কংগ্রেছ দলৰ পুঁজিৰ পৰা, তেতিয়া আমাৰ আপত্তি নেথাকে। কিন্তু এই টকা হৈছে চৰকাৰৰ টকা, বাইজৰ টকা। গতিকে নীতি-নিয়ম মতে যি সকল লোক দৰিদ্ৰ সীমা বেখাৰ তলত বাস কৰে দল নিৰ্বিশেষে তেওঁলোক সকলোৱে এই সুবিধা পাব লাগে। সকলোৱে চৰকাৰৰ আঁচনিৰ সা-সুবিধা পাব লাগে। মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো তেখেতে যেন এই দুটকীয়া চাউলৰ গ্রীণ কার্ড পোৱাৰ কাৰণে যি সকল লোকৰ নাম নিৰ্ব্বাচন কৰে, এই নিৰ্ব্বাচন চূড়ান্ত কৰাৰ আগতে স্থানীয় বিধায়ক সকলৰ লগত যেন বিভাগে আলোচনা কৰে, ইয়াৰ নিৰ্দ্দেশ দিব লাগে। উপাধ্যক্ষ মহোদয়, মই পুনৰ কৈছো দুটকীয়া চাউলৰ আঁচনিৰ প্রয়োজন আছে কিন্তু বৰ্ত্তমান অতি সামান্য সংখ্যক লোকেহে ইয়াৰ পৰা উপকৃত হৈছে, মই অনুৰোধ কৰিব খুজিছো দৰিদ্ৰ সীমা বেখাৰ তলত বাস কৰা বাজ্যখনৰ সকলো দুখীয়া লোকক এই আঁচনিয়ে সামৰি লোৱাৰ ব্যৱস্থা কৰিব লাগে। আজি এই দুটকীয়া চাউল পোৱা আৰু নোপোৱা লৈ বিভিন্ন অঞ্চলত মানুহৰ মাজত সংঘর্ষ হোৱাৰ উপক্রম হৈছে—গতিকে নিয়মমতে পাব-লগীয়া সকলো লোককে এই আঁচনিৰ দ্বাৰা উপকৃত হবলৈ দিব লাগে।

উপাধ্যক্ষ মহোদয়, এই দুটকীয়া চাউল যোগানৰ ব্যৱস্থাটোৱে আমাৰ বাজ্যখনৰ বাজহুৱা বিতৰণ ব্যৱস্থাটোক দুর্বল কৰি তুলিছে। দুটকীয়া চাউলৰ যোগানৰ লগে লগে বাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সুলভ মূল্যৰ দোকান বা ষ্টেডফেডৰ দ্বাৰা যোগান ধৰা কেৰাচিন তেল, চেনী, চাউল আদি যোগানৰ ব্যৱস্থাটোও সবল কৰি তুলিব লাগে। আনহাতে এই দুটকীয়া চাউল যোৱা ৪ টা মাহত ৪ টা কোটা পাব লাগে কিন্তু আমাৰ তাত মাত্র দুটা কোটাহে দিয়া হৈছে। তাকো ১৬ কেজিকৈ প্রতিজন গ্রীণ কার্ড হোল্ডাৰে পাব লাগে কিন্তু পাইছে ১৪ কেজিকৈ। এই দুই কেজিকৈ চাউল কলৈ যাব ইয়াৰ এক অনু-সন্ধান কৰিব লাগে বিভাগে। লগতে গ্রীণ কার্ড পোৱা লোক সকলক

মাহৰ প্ৰথম সপ্তাহত প্ৰাপ্য চাউল যোগান দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা এইখিনিতে উল্লেখ কৰিব খুজিছো সেইটো হৈছে দিল্লীৰ পৰা পৃথিৰাজ চুৰানা নামৰ এজন লোকৰ নাম এই চাউল যোগানৰ লগত জড়িত। এই সম্পৰ্কত সাদিন কাকতৰ যোৰা দুটা সংখ্যাত যথেষ্ট অভিযোগ উত্থাপিত হৈছে যদিও চৰকাৰ তথ্য বিভাগে এই ক্ষেত্ৰত নিমাতে আছে। আনহাতে কেতিয়াবা চৰকাৰে কোনো কাকত কিবা সমালোচনা মূলক কথা ওলালে পিচদিনাই তাৰ চৰকাৰী ব্যাখ্যা দাঙি ধৰে কিন্তু সাদিনত উত্থাপিত হোৱা এই অভিযোগ সমূহৰ ক্ষেত্ৰত চৰকাৰ নিমাতে থকাৰ অৰ্থ কি? এই বাতৰিক 'চেলেঞ্জ' নকৰাৰ অৰ্থই কি বুজাইছে? এই পৃথিৰাজ চুৰানা নামৰ মানুহজনে অসমৰ মানুহক চাউল যোগান ধৰাৰ ঠিকা পালে কেনেকৈ? এই বিষয়ে উত্তৰ বিভাগীয় মন্ত্ৰীয়ে দিব লাগে। এই লোকজনক মাহে ৭ কোটি টকা প্ৰতি মাহত নগদ হিচাবে দি থকা হৈছে। সাদিন কাকতত প্ৰকাশ পোৱা অভিযোগৰ উত্তৰ চৰকাৰে দিব লাগে। উপাধ্যক্ষ মহোদয়, এই দুটকীয়া চাউলৰ আঁচনি কৰ্টিনিউ কৰিব লাগে আৰু অধিক লোকক এই আঁচনিত লাভবান হবলৈ দিব লাগে। কিন্তু গ্ৰীণ কাৰ্ড দিওতে ৰাজনৈতিক হেচা প্ৰয়োগ বন্ধ কৰিব লাগে। যদি কংগ্ৰেছ চৰকাৰে ক দলে ভাবিছে যে এই গ্ৰীণ কাৰ্ড দিয়া লৈ অহা নিৰ্ব্বাচনত তেওঁলোক লাভবান হব পাৰিব, কিন্তু মই ভাবো এই ব্যৱস্থাত তেওঁলোক লাভবান নহব। শাসকীয় দলৰ ক্ষতিহে কৰিব পাৰে—কিয়নো ভয় দেখুৱাই, হেচা প্ৰয়োগ কৰি, কংগ্ৰেছ দলৰ প্ৰতি আনুগত্য জোৰকৈ আদায় কৰিব গলে দলৰ বিপদহে হব পাৰে। শেষত মই এই দুটকীয়া চাউল আঁচনিত ৰাজ্যখনৰ অধিক দুখীয়া লোকক সুবিধা প্ৰদান কৰাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ। ধন্যবাদ।

(Hon'ble Speaker occupied the Chair.)

Mr. Speaker : Now Hon'ble Member Shri Nakul Das.

শ্ৰীনকুল দাস : মাননীয় অধ্যক্ষ মহোদয়, মই পোন প্ৰথমতে এই কথা

প্রস্তাবৰ বিৰোধিতা কৰিছো আৰু এই সম্পৰ্কত বিৰোধী দলৰ কেই-গৰাকীমান মাননীয় সদস্যই আমাৰ এই সৎ উদ্দেশ্যবে দুখীয়াৰ দুখ মোচনৰ কাৰণে লোৱা আঁচনিখনক বিকৃত ব্যাখ্যা দিয়াৰ কাৰণে কেইবাৰ মান কথা কব খুজিছো। অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীনৰসিংহ ৰাওৰে দুখীয়াৰ দুখ মোচনৰ কাৰণে এলানি আঁচনি হাতত লৈছে আৰু এই আঁচনি সমূহৰ ভিতৰত দাৰিদ্ৰ সীমা ৰেখাৰ তলৰ দুখীয়া বাইজক দুটকা দৰত চাউল যোগান ধৰা আঁচনি খনো সম্বলিত হৈছে। কিন্তু মৰিগাওঁ সমষ্টিৰ মাননীয় বিধায়ক গৰাকীৰ লগতে কেই গৰাকীমান বিৰোধী মাননীয় সদস্যই প্ৰধান মন্ত্ৰীৰ এই জনকল্যানমুখী আঁচনিখনক বিকৃত ৰূপ দিয়াৰ চেষ্টা কৰিছে। অধ্যক্ষ মহোদয়, মহাত্মা গান্ধীয়ে এটা কথা কৈছিল যে "ৰাজনৈতিক স্বাধীনতাই যথেষ্ট নহয়"। তেওঁ এনেকুৱা এখন ভাৰতবৰ্ষৰ সপোন দেখিছিল য'ত দুখীয়াতকৈও দুখীয়া জনে, নিচলাতকৈও নিচলা জনে খাবলৈ এমুঠি পায়, পিন্ধিবলৈ এডোখৰ কাপোৰ পায় আৰু থাকিবলৈ অকনমান আশ্ৰয়স্থল পায়। আজি প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰে যি বৈপ্লৱিক আঁচনি হাতত লৈছে তাৰ দ্বাৰা দুখীয়া লোক সকলৰ বাবে এমুঠি অন্নৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত মই ঘাইকৈ এটা কথা কব খোজো যে আমাৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া দেৱৰ নেতৃত্বত এই আঁচনিবোৰৰ অধীনত যিবোৰ ব্যৱস্থা হাতত লৈছে তাৰ ভিতৰত দুটকীয়া মূল্যৰ চাউল যোগান ধৰা আঁচনিখনো এখন গুৰুত্বপূৰ্ণ আঁচনি। এই আঁচনিৰ মূল উদ্দেশ্য অনুসৰি আমাৰ ৰাজ্যখনৰ যি সকল লোকৰ বছৰি মুঠ আয় ৬৪,০০ টকাৰ তলত তেনে ১৫ লাখ ৩৩ হাজাৰ পৰিয়াল বাছি লোৱা হৈছে। এই পৰিয়াল সমূহ ব্যাপক ভিত্তিত বাছনি কৰা হৈছে আৰু গাওঁপঞ্চায়ত আৰু নগৰ পালিকাৰ জৰিয়তে হিতাধীকাৰী সকলৰ একোখন তালিকা প্ৰস্তুত কৰা হৈছে। আমাৰ ৰাজ্যত ২৪৮৬ খন গাওঁ পঞ্চায়ত আছে আৰু প্ৰতিখন গাওঁ পঞ্চায়তত দহোটাকৈ ৱাৰ্ড আছে। সেয়েই মুঠ ৱাৰ্ডৰ সংখ্যা ২৪৮৬০ খন। ইয়াৰ উপৰি ৯০০ বো অধিক নগৰ পালিকাৰ ৱাৰ্ড আছে। সেইমতে প্ৰত্যেক গাওঁ পঞ্চায়তত ৬০০ জনকৈ হিতাধিকাৰী বাচিবলৈ দিয়া হৈছে আৰু নগৰ পালিকাৰ ওৱাৰ্ডবোৰৰ

ক্ষেত্রত প্রত্যেকতে ১২০ জনকৈ হিতাধিকাৰী বাচিবলৈ দিয়া হৈছে। এই আঁচনি ৰূপায়ন কৰোতে যাতে তৃণমূল পর্য্যায়লৈ ৰূপায়িত হয় তাৰো ব্যৱস্থা কৰা হৈছে। তাৰ কাৰণে গাৱঁৰ লোক সকলৰ সভা পাতি এই হিতাধিকাৰী সকলক বাছনি কৰিবলৈ দিয়া হৈছে। এই আচনিখন অতি নিষ্ঠাৰে সৈতে কার্য্যকৰী কৰিবলৈ লোৱা হৈছে আৰু আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াই কেনেকৈ এই সংখ্যা আৰু বৃদ্ধি কৰিব পৰা হয় সেই কথাও বাজহুৱা ভাৱে ঘোষনা কৰিছে। এনে অৱস্থাত এই আঁচনিখন সম্পর্কে উদ্দেশ্য প্রণোদিত ভাবে বিৰোধ ব্যাখ্যা দিয়া হৈছে সেইটো সত্যৰ অপলাপৰ বাহিৰে অন্য একো নহয়। দুখীয়াৰ দুখ মোচনৰ কাৰণে লোৱা এই আঁচনিখনৰ ক্ষেত্রত আমাৰ মাননীয় সদস্য সকলে যদি বিকৃত ব্যাখ্যা দিয়ে তেনেহলে বাইজৰ মাজত বিভ্রান্তিৰ সৃষ্টি কৰাৰ বাহিৰে অন্য একো নহব। গতিকে এনেকুৱা ধাৰণা যাতে বাইজৰ মাজত সৃষ্টি নহয় তাৰ কাৰণে এই আচনিখন নিষ্ঠা সহকাৰে গ্রহণ কৰিব লাগে আৰু সেই ক্ষেত্রত সকলোৰে সহায় সহযোগ কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* দেৱান জয়নাল আবেদিনঃ মাননীয় অধ্যক্ষ মহোদয়, এই কর্ত্তন প্রস্তাৱক সমর্থনত মই বক্তৃতা ৰাখিবলৈ উঠি প্রথমতে এষাৰ কথা কব খুজিছো যে দুটকীয়া চাউল দৰিদ্র সীমা ৰেখাৰ তলত বসবাস কৰা সকলো লোকক যোগান ধৰাৰ যিটো নীতি সেই নীতিৰ প্রতি আমাৰ দলৰ পূর্ণ সমর্থন আছে। কিন্তু কথা হ'ল—এই নীতি কি আৰু কি ধৰণে ব্যৱহাৰ কৰা হৈছে সেইটোহে প্রথমতে চাবলগীয়া বিষয় হৈছে। এই নীতিমতে কংগ্রেছ দলে তেওঁলোকৰ নির্ব্বাচনী ইস্তাহাৰত অন্যান্য কথাৰ লগতে এই কথাটোও কৈছিল যে তেওঁলোকে দুখীয়া বাইজক দুটকা দামত চাউল যোগান ধৰিব। গতিকে তেওঁলোকে নিষ্ঠাৰে সৈতে এই কার্য্যসূচী ৰূপায়ন কৰক, সেইটো আমিও বিচাৰো। তেওঁলোকে নির্ব্বাচনী প্রতিশ্রুতি পালন কৰক। কিন্তু আমাৰ প্রশ্ন হৈছে যে দৰিদ্র সীমা ৰেখাৰ তলত থকা লোক সকল কোন সেইটো আগতে ঠিক কৰি লব লাগিব

* Speech not corrected.

আৰু সেইমতে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা সকলো লোককে এই চাউল যোগান ধৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। এইখিনিতে আৰু এটা প্ৰশ্ন হৈছে যে কংগ্ৰেছ (ই) দলে শ্ৰীহিতেশ্বৰ শইকীয়া জেৰৰ নেতৃত্বত প্ৰায় ৫ বছৰ কাল সম্পূৰ্ণ কৰিলে। কিন্তু ইমান দিনে এই আঁচনিখনত গুৰুত্ব নিদি এতিয়াহে কিয় ইমান গুৰুত্ব দিছে সেইটো চাবলগীয়া বিষয়। এই আঁচনিখন তেওঁলোক ক্ষমতালৈ অহাৰ পিছতেই হাতত লব লাগিছিল। ইমান দিন আপোনালোকে এই ক্ষেত্ৰত কি কৰিছে তাৰো খতিয়ান আমাৰ হাতত আছে। এতিয়া নিৰ্ব্বাচন আহি পাইছে। এই নিৰ্ব্বাচনৰ প্ৰাক্ কালত চৰকাৰে এই আঁচনিখনৰ ওপৰত ইমান গুৰুত্ব দি ৯৫০০·০০ লাখ টকাৰ মঞ্জুৰী বিচাৰিছে। এনে ধৰণৰ প্ৰস্তাৱ ইয়াৰ আগতে আহিব লাগিছিল। সেই কাৰণে এই ক্ষেত্ৰত আমি এটা কথা ভাবিবলৈ বাধ্য হৈছো যে এই সময়ত কংগ্ৰেছ দলে নিৰ্ব্বাচনৰ আগতে এনে ধৰণৰ আৰ্থিক প্ৰলোভনেৰে ভোটাৰৰ মন জয় কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ মাজত এটা ৰাজনৈতিক উদ্দেশ্য নিহীত হৈ আছে বুলি আমি ভাবিবলৈ বাধ্য হৈছো।

আজি দেখা গৈছে যে কংগ্ৰেছৰ সদস্য হলেহে তেওঁলোকে ২ টকীয়া চাউল পায়। সদস্য নহলে চাউল নেপায় এই প্ৰশ্নটো আজি আহিছে। যদি কথাটো আপোনালোকে অবিশ্বাস কৰে তেতিয়াহলে সদন কমিটি কৰি প্ৰমাণ কৰক। মই তাৰ এটা নাম কৈ দিব পাৰো। মোৰ সমষ্টিত এখন গাওঁ পঞ্চায়তৰ এজন সভাপতিয়ে এনে কাম কৰিছে। মোৰ সমষ্টিৰ বহুতো দুখীয়া নিচলা মানুহে ২ টকীয়া চাউল পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত বিভিউ কমিটি পাতি দিয়া হ'ল। আজি বহুতো মানুহ গড়া-খহনীয়া হোৱাৰ ফলত নিজৰ ঠাই এৰি অন্য ঠাইলৈ গুচি গৈছে। সেই ঠাইত ৬০০ মানুহ নোহোৱা হৈ গৈছে। মই তেতিয়া বিভাগীয় মন্ত্ৰীক লগ ধৰিছিলো আৰু কৈছিলো যে আপোনা-লোকে ২ টকীয়া চাউলৰ যিটো আঁচনি লৈছে সেইটো ভাল কথা। প্ৰত্যেক পঞ্চায়তে ৬০০ খন কাৰ্ড দিব। এই ৬০০ খন কাৰ্ড বহুতো মানুহে পোৱা নাই। ইয়াৰ বিপৰীতে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকে সেই কাৰ্ড পোৱা নাই, ভুৱা কিছুমান নাম দি কিছুলোকে

লৈ আছে। এই বিলাক চোৱা-চিতা কৰিবৰ কাৰণে গাওঁ পঞ্চায়ত লেভেলত দিয়া হৈছিল যদিও কাৰ্য্যত সেইটো হৈ নুঠিল। মোৰ সমষ্টিতে মই গাওঁ পঞ্চায়তৰ সভানেত্রী গৰাকীক এই ২ টকীয়া চাউলৰ বিতৰণৰ সম্পৰ্কত কেলেংকাৰী হোৱা বাবে মাতি আনি বাইজৰ মাজতে সুধিছিলো এই বিলাক কিয় কেলেংকাৰী হৈছে? তেওঁয়া ভেৰেতে কলে এই সম্পৰ্কত আমি একো নেজানো। দিশপুৱতে কোঁৱাই কৰিছে। কাৰ্ড লুকুৱাই ৰাখিছে, বেলেগৰ কাৰ্ড পইচা লৈ বিক্রী কৰিছে। আজি আপোনালোকে যি আঁচনি লৈছে সেই বিলাক ঠিকমতে কৰক সেইটোহে আমি বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতাই যিখিনি কথা উত্থাপন কৰিছে, যিটো অভিযোগ আনিছে সেইটোত সহযোগ কৰিছো। যিটো কেলেংকাৰীৰ কথা কৈছে আমাৰ কাৰণে অপমানৰ কথা হৈছে। এই যিটো অভিযোগ আনিছে মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো আমাক এটা সৎ সাহসেৰে প্রত্যুত্তৰ দিয়ক।

মাননীয় অধ্যক্ষ: আপোনাক মন্ত্রীয়ে অভিযোগৰ উত্তৰ দিবনে পেপাৰৰ উত্তৰ দিব।

* দেৱান জয়নাল আবেদিন: মাননীয় অধ্যক্ষ মহোদয়, মোক দুয়োটাৰে উত্তৰ দিয়ক।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো পাব্লিচ কৰাৰ কাৰণে প্রতিদিন পেপাৰক জনোৱা হৈছে। সাদিনৰ কথাটো আপোনালোকে সকলোৱে জানেই।

* দেৱান জয়নাল আবেদিন: যদি প্রত্যুত্তৰ দিছে ভাল কথা। মাননীয় অধ্যক্ষ মহোদয়, আজি সকলোৱে জানে যে গোটেই অসমতে প্রলয়ঙ্কাৰী বানপানী হৈ গ'ল। দক্ষিণ শালমাৰা, ধিলাসীপাৰা আৰু ধুবুৰী জিলাত যি ক্ষতি হল তাক বৰ্ণনা কৰিব নোৱাৰি। ৰাস্তা-ঘাট দলং, পকী ৰাস্তা সকলো শেষ হৈ গৈছে। তাত ১০ হেজাৰ লোক গৃহহীন হৈছে। সেই মানুহখিনিৰ পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা হোৱা নাই। মানুহখিনিয়ে

* Speech not corrected.

মেঘালয় ৰ'ডাৰত আশ্রয় লৈছে। মই সেই সময়ত মানুহখিনিৰ কাৰণে ৰিলিফ দিয়াৰ কাৰণে ডি, চি, ক লগ ধৰিছিলো আৰু সুধিছিলো যে আপোনালোকৰ বানপানীত ক্ষতিগ্রস্ত হোৱা লোকৰ বাবে ৰিলিফ দিয়াৰ কাৰণে বস্তু মজুত আছেনে? তেতিয়া তেখেতে মোক আছে বুলি জনাইছিল। সময়ত যেতিয়া বিচৰা হল তেতিয়া আমাৰ এই বিলাসীপাৰা, দক্ষিণ শালমাৰা আৰু ধুবুৰী জিলাৰ কাৰণে কোনো বস্তু নাই বুলি জনালে। তেতিয়া মই চিন্তা কৰিলো যে এই মানুহখিনিক কেনেকৈ চাউল আদি যোগান দিয়া হয়। পিচত এফ, চি, আইৰ পৰা ১০ কুইণ্টল চাউল যোগান ধৰা হ'ল। সেই চাউলখিনিয়ে এই তিনিটা চাবডিভিজনত কিছু পৰিমাণে যোগান ধৰা হল যদিও সেইখিনিয়েই যথেষ্ট নহয়। আৰু এনে কিছুমান কেম্প আছে য'ত চাউল যোগান দিব পৰা হোৱা নাই। আজি এনেকুৱা এটা অৱস্থা হৈছে যে অখাদ্য খাই মানুহৰ ডায়ে�ৰীয়া হৈছে। ডাক্তৰে কৈছে আমি আমাৰ কাম কৰি আছো যদি দীৰ্ঘদিন ধৰি এই কেম্পত থাকে তেতিয়াহলে আপোনালোকৰ ডায়েৰীয়া হবই। তাৰ পৰা কাকো ৰক্ষা কৰিব নোৱাৰি। ভাল বস্তু যোগান ধৰাৰ কাৰণে আজি চৰকাৰ ব্যর্থ হৈছে। চৰকাৰে বানপীড়িত বাইজক যিদৰে খাদ্য বস্তু যোগান দিব লাগে সেইখিনি দিব পৰা নাই।

অধ্যক্ষ মহোদয়, এইদৰে বিভিন্ন ক্ষেত্রত চৰকাৰে বাজহুৱা পুঁজিৰ অপচয় কৰি আছে। ক'ত ক'ত কৰিছে অধ্যক্ষ মহোদয় পিচত দেখুৱাম। এতিয়া মই কব খুজিছো চৰকাৰে যি আঁচনি লৈছে সেই আঁচনি নিষ্ঠাৰে সৈতে কার্য্যকৰী কৰিব লাগে। আৰু সংখ্যাটো আৰু বঢ়াব লাগে। প্রতিটো পঞ্চায়তত ৬০০ কৈ পৰিয়ালক দিছে, কিন্তু ইয়াৰে জোৰা মাৰিব নোৱাৰে। কাৰণ কোনো অঞ্চলত এই আঁচনি মানুহে ভোগ কৰি আছে আৰু কোনো অঞ্চলত মানুহে খাবলৈ পোৱা নাই অনাহাৰত মৃত্যু বৰণ কৰিছে। (সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, এই দুটকীয়া চাউলৰ সুবিধাখিনি সকলো দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহে পোৱাৰ ব্যৱস্থা কৰিব লাগিব। এইটো লৈ ৰাজনীতি কৰিব নোৱাৰিব। নির্ব্বাচনৰ প্রাক মুহূর্ত্তত কংগ্রেছ (ই) দলে ইয়াৰ সহায়ত নির্ব্বাচনৰ প্রচাৰ চলাই থকাতো সমর্থন কৰিব

নোৱাৰি। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো, এই আঁচনিৰ প্ৰতি আমাৰ সমৰ্থন আছে, কিন্তু চৰকাৰী তহবিলৰ টকাৰে নিৰ্ব্বাচনী প্ৰচাৰ চলোৱাটো সমৰ্থন কৰা নহব।

মো: মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ৩৭ নং মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষৰ ভালে সংখ্যক মাননীয় বিধায়ক সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কিছু বক্তব্য ৰাখিব খুজিছো। অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে ছুটকীয়া মূল্যৰ চাউলৰ কথাটোত যেনে ভাৱে ৰাজনৈতিক হৈছে বুলি যুক্তি প্ৰদৰ্শন কৰিছে। প্ৰকৃততে মই কব খুজিছো তেখেত সকলে সঠিক ভাৱে এই তথ্য বা যুক্তি প্ৰদৰ্শন কৰিব পৰা নাই। প্ৰথমতে তেখেত সকলে কৈছে যে, কংগ্ৰেছ (ই)ৰ সদস্য হলেহে ছুটকীয়া মূল্যৰ চাউলৰ সুবিধা পাব। এইটো সম্পূৰ্ণভাৱে ভুল কথা আৰু মিছা কথা এই পবিত্ৰ সদনত উত্থাপন কৰিছে। উপাধ্যক্ষ মহোদয় তেখেত সকলে কৈছে যে ৰাজনৈতিক ভাবে উদ্দেশ্য প্ৰণোদিত। অধ্যক্ষ মহোদয়, ছুটকীয়া চাউলৰ বেনিফিচাৰিৰ চিলেক্চনৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ নেতা, মন্ত্ৰী বা মুখ্য-মন্ত্ৰীয়ে এনেকুৱা কোনো নিৰ্দ্দেশ দিয়া নাই। আমাৰ তৃণমূল পৰ্য্যায়ৰ কংগ্ৰেছৰ সংগঠন আছে, ওৱাৰ্ড কংগ্ৰেছ আছে, প্ৰাইমেৰী কংগ্ৰেছ কমিটি আছে, মণ্ডল কংগ্ৰেছ কমিটি আছে, ব্লক কংগ্ৰেছ কমিটি আছে। গতিকে অধ্যক্ষ মহোদয় তেখেত সকলৰ যুক্তি নচা নহয়।

(ভইচ : অধ্যক্ষ মহোদয়, তেখেতে মিছা বুলি কৈছে, এইটো উঠাই লব লাগে।)

মাননীয় অধ্যক্ষ : আপুনি মিছা বুলি কব নালাগে, এইটো আনপার্লিয়ামেন্টৰী শব্দ গতিকে এইটো 'এক্সপাঞ্জ' কৰিব লাগে।

(ভইচ : তেখেত নাৰ্ভাছ হৈছে।)

মো: মহিবুল হক : আপোনালোক নাৰ্ভাছ হৈছে সেই কাৰণে এনে কথা কৈছে। অধ্যক্ষ মহোদয়, এই বেনিফিচাৰি লিষ্ট তৈয়াৰ কৰোতে, মণ্ডল কংগ্ৰেছ, ওৱাৰ্ড কংগ্ৰেছ, গাওঁ পঞ্চায়তৰ সভাপতি থাকে বিভাগীয় বিষয়া সকল উপস্থিত থাকে আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু পঞ্চায়তৰ ইউনিট

মেম্বার উপস্থিত থাকে আর ভেওলোকে নির্ব্বাচন করিছে। অধ্যক্ষ মহোদয়, আজি অসমত যিখিনি গাওঁ পঞ্চায়তর সভাপতি, আঞ্চলিক পঞ্চায়তর সভাপতি সদস্য আরু ইউনিট মেম্বার থাইজে নির্ব্বাচিত করিছে তাত সকলোবোর রাজনৈতিক দলর মানুহ আছে। এই আচনির সুবিধা অকল কংগ্রেছ দলর বিধায়ক সকলর অঞ্চলতেই পোরা নাই, এজিপি, বিজেপি, এছ, ইউ, ডি, আই সকলো দলরে বিধায়কর অঞ্চলত পাইছে। এই আঁচনি সকলোবোর সমানে প্রযোজ্য হৈছে। আজি কংগ্রেছর বিধায়কর সমষ্টিত ৬০০ পরিয়ালক আরু প্রতিটো ওয়ার্ড কমিটিত ৬০ টা পরিয়ালক দিয়া হৈছে আরু এইটো সকলো সমষ্টিতে সমান ভাবে দিয়া হৈছে।

গতিকে অধ্যক্ষ মহোদয়, এইটো কেনেকৈ রাজনৈতিক কথা হৈছে মই বুজি পোরা নাই। অধ্যক্ষ মহোদয়, আমার দলে মেম্বারচিপ লবর বাবে কাকো জোর করা নাই। কিন্তু ভারত ত্যাগ আন্দোলনর কার্য্য-সূচীর দিনর সম্পর্কত আমার দলর মেম্বারচিপ সংগ্রহ করার এটা পরম্পরা আছে। আমার দলর আদর্শর প্রতি থাইজর অনেক আস্থা আরু আমার চরকারর আঁচনির প্রতি থাইজর আস্থা আছে। আমার চরকারে দরিদ্র সীমা রেখার তলত থকা সকলো লোকক দরিদ্র সীমা রেখার ওপরলৈ অনার বাবে প্রয়াস করিছে। অন্যদিকে আমার দলর মেম্বারচিপ লবলৈ থাইজ নিজে আগবাঢ়ি আহিছে। আমার চরকারে যিখিনি আঁচনি লৈছে দরিদ্র সীমারেখার লোক সকলক সহায় করার কারণে, ভারতবর্ষর আন আন প্রদেশ বিলাকত, যিবিলাক প্রদেশর অর্থ-নৈতিক সংকট নাই, আইন শৃংখলার পরিস্থিতি নাই তেনে প্রদেশ বিলাকতো এনে আঁচনি লব পরা নাই। কিন্তু আমার চরকারে এনে উন্নয়ন আঁচনির সফল রূপায়ন করিব পারিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমার দলে যি সময়ত চরকারর দায়িত্ব-ভার গ্রহণ করিছিল সেই সময়ত চাবিশ তেত্রিশ কোটি মানুহ লাখ টকা ধারর বোজা গ্রহণ করিব লগীয়া হৈছিল। চরকারে দায়িত্বভার লোরার সময়ত আইন শৃংখলার যিটো পরিস্থিতি আছিল আজি সেই পরিস্থিতি নাই। আমার চরকারে দরিদ্রর সীমারেখার তলত থকা জন-সাধারণক দরিদ্রর সীমারেখার পরা উঠাই আনিবলৈ প্রচেষ্টা চলোরা

হৈছে। ইয়াৰ দ্বাৰা দৰিদ্ৰ জনসাধাৰণ যথেষ্টখিনি উপকৃত হৈছে। এই আঁচনিৰ দ্বাৰা পচিশ লাখ তেত্ৰিশ হাজাৰটা পৰিয়ালক সামৰি লোৱা হৈছে। মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াইও কৈছে। কিছু সংখ্যক মাননীয় সদস্যই এই সংখ্যা আৰু বৰ্দ্ধিত কৰিব লাগে বুলিও পৰামৰ্শ দিছে। ভাল কথা। তেনেকুৱা পৰামৰ্শ আগবঢ়াব লাগে। প্ৰয়োজন য'ত আছে সেই হিচাবত দিয়া হওক, য'ত বেছি প্ৰয়োজন তাতেই বেছি দিয়া হওক। এনে ধৰণৰ গঠনমূলক পৰামৰ্শ আগবঢ়াব লাগে। কিন্তু এইটো ঠিক যে দুটকীয়া চাউলৰ দ্বাৰা দৰিদ্ৰ জনসাধাৰণ যথেষ্ট উপকৃত হৈছে। সেউজীয়া কাৰ্ড লোৱাৰ কাৰণে দৰিদ্ৰ শ্ৰেণীক দুটকীয়া চাউল দিয়াত লগতে আন ৰাচনি আমাৰ চৰকাৰে লৈছে। দৰিদ্ৰ জনসাধাৰণৰ আৰ্থিক সামাজিক স্থিতি উন্নত কৰিবলে আৰু উন্নতিৰ দিশত আগবঢ়াই আনিবলৈ ভালেমান আঁচনিৰ ভিতৰত এই বাৰদফীয়া আঁচনি অন্যতম। কোনো কোনো ঠাইত যোল্ল কেজিৰ ঠাইত চৈধ্য কেজি পাইছে। কিন্তু দুটকীয়া চাউল দুটকাতকৈ কামোৰাই দহ পইচা বেছিত বিক্ৰী কৰিলেও সেই এজেন্টৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হব। যিসকলে হিতাধিকাৰীৰ লগত আলোচনা বিলোচনা কৰি চৈধ্য কেজি বা পোন্ধৰ কেজি দিয়াৰ ঠিক কৰিছে। সেইটো নিজৰ ভিত্তিত আলোচনা কৰি ঠিক কৰিছে। হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত মাননীয় সদস্য হিচাবে স্থানীয় বিধায়ককো নোলোৱা বুলি অভিযোগ শুনা গৈছে। কিন্তু আচল কথা স্থানীয় বিধায়ক গৰাকী এক লাখ ভোটাৰৰ প্ৰতিনিধি। গতিকে তেখেতসকলে নিজেই এই আলোচনাত অংশ গ্ৰহণ কৰি হিতাধিকাৰী নিৰ্বাচনৰ প্ৰক্ৰিয়াত সহযোগ আগবঢ়াব পাৰে। সেইটো আচলতে স্থানীয় বিধায়ক হিচাবে এজন বিধায়কৰ নৈতিক আৰু প্ৰকৃত দায়িত্ব। যদি তথাপিতো কিবা অভিযোগ থাকে তেনেহলে কৰ্তৃপক্ষৰ লগত আলোচনা কৰিব পাৰে। ধুবুৰী জিলাত অলপ খেলি-মেলি হৈছিল যদিও আলোচনাৰ মাধ্যমত সকলো ঠিক-ঠাক কৰা হৈছে। স্কুল মাষ্টৰ বা আন ধনী লোকেও দুটকীয়া চাউল পোৱা বুলি যিটো অভিযোগ তেনে ক্ষেত্ৰত উপায়ুক্তক যদি অভিযোগ দিয়া হয় সেইটো বিধায়ক হিচাবে তেনেভাবে আলোচনা কৰিব পাৰে। এই ক্ষেত্ৰত তেনে অভিযোগৰ কোনো ভিত্তি

নাই বুলি কব পাবো। কিয়নো দুটকীয়া চাউল যোগানব দ্বাবা দবিদ্র সীমাবেখাব তলত থকা সকলক উন্নত কবিবলৈ বিচবা হৈছে। আমি নিৰ্ব্বাচনী ইস্তাহাবত যিবিলাক দিছিলো সেইবিলাক আমাব কংগ্রেছ চবকাবে পাঁচ বছবব ঠাইত চাবি বছবতে সমাপ্ত কবি দেখুৱাইছে। আমাব কংগ্রেছ চবকাবে মাননীয় লইকীয়া ডাঙবীয়াব নেতৃত্বত চাবি বছবতে নিৰ্ব্বাচনী ইস্তাহাবত দিয়া প্রতিশ্রুতি সমাপ্ত কবি দেখুৱাইছে। দুটকীয়া মূল্যব চাউল দিয়াটো সকলোৱে সমর্থন কবিছে। কিন্তু কিছুমাে-বাজনৈতিক কাবণতে সমর্থন কবিবলৈ টান পাইছে। প্রকৃত দবিদ্র লোক ইয়াব পবা যথেষ্ট উপকৃত হৈ আছে। ৮·২৫ টকা দামব চাউল আমাব চবকাবে ৬·২৫ টকা নিজে ভবি মাত্র দুটকাত বাইজক দি আছে। সেই কাবণেই এই আঁচনিয়ে বৃহৎ জনসমর্থন আদায় কবিবলৈ সক্ষম হৈছে। আমাব চবকাবব বাকী সমূহ আঁচনিয়েও যে বৃহত্তব জনসমর্থন পাব সেইটো আমি আশা বাখিছো। অধ্যক্ষ মহোদয়, আৰু বেছি মই কবলৈ নাযাওঁ ইয়াকে কৈ মোব বক্তৃতাব সামবণি মাবিলো।

Mr. Speaker : Now Mr. Dhruba Kumer Sen is to speak.

শ্রীধ্রুব কুমাব সেন : মাননীয় অধ্যক্ষ মহোদয়, অসামবিক যোগান বিভাগব গ্রাণ্ট নং ৭ব যিটো মঞ্জুৰী বিচাবিছে তাব ওপবত যিটো কর্ত্তন প্রস্তাব উত্থাপন হৈছে তাব সমর্থনত দুআষাব কব বিচাবিছো। এই দুটকীয়া চাউল যোগান ব্যৱস্থাটো জন্মসূত্রব আবম্ভণীবে পবা ইয়াত খেলি-মেলি দেখা গৈছে। এইটো ঠিক কবা টান। এই কাবণে আৰু বেছি আলোচনা কবিব বিচবা নাই। ধুবুৰী সম্বন্ধিত বহুত অভিযোগ আছে। তাবে দুটামান কব বিচাবিছো। মই বিধায়ক হিচাবে আমাব ধুবুৰীব পোন্ধবটা জি-পিব ভিতবত ঘগ্রাপাব জি-পিব কথাই কৈছো। তাত বহুত খেলি-মেলি আছে। ঘগ্রাপাব জি-পিব কংগ্রেছী মানুহেও অভিযোগ কবা পাইছো আৰু জি-পিব মানুহ নহয় যদিও আন জি-পিত সেউজীয়া কার্ড পাইছে। ডি-চিব ওচবত বহুত অভিযোগ কবিছে। ডি-চিয়ে মাত্র কৈছে যে তেখেত সকলব ফালব পবা একো কবিব নোৱাবে। এই দুটকীয়া চাউলেই মুব গবম কবা বুলিও ডি-চিয়ে কৈছে। একো কবিব

নোৱাৰে। বিধায়ক হিচাবে ডি-ডি-এচ জনক কলো কিন্তু তেওঁ কৈছে যে দুটকীয়া চাউলে ফেইল মাৰিছে। ক'ত যায় অভিযোগ লৈ এই অৱস্থা। মন্ত্ৰী মহোদয়ে ঘগ্ৰাপাৰ জি-পিৰ কথা বিশেষ ভাবে চালেই কথা কিলাক ওলাই পৰিব। ধুবুৰী মহকুমাৰ মাননীয় সদস্য এগৰাকীয়ে বহুতো কথা কলে আৰু এটা ৰাজনীতি নাই বুলি কৈছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ধৰ্ম্মশালালৈ ভ্ৰমণ সূচী লৈ যোৱাৰ চাৰিদিন পিচত যেই লৈ সুশীল ৰায় নামৰ এজনক লগ পাইছো। তেখেত এগ্ৰিমেণ্টৰী বোৰ্ডৰ মেম্বাৰ। বাইজে কোৱা কুই কৰিছে যে বিজেপিক ভোট দিয়া কাৰণে তেনে সুবিধাৰ কাৰণেও বিজেপিৰ ওচৰলৈ যাওক। এইটো বাইজে কোৱা কুই কৰিছে। যদি এইটো চাব খোজে তেনেহলে সদন কমিটি কৰি দিয়ক। যদি সাহস থাকে সদন কমিটি কৰিলেই এই সকলো কথাৰ পাৰফেক্ট ৰিপোৰ্ট পান পৰা হব। অধ্যক্ষ মহোদয়, মই বেছি কবলৈ ইচ্ছা নকৰো কিন্তু কেৰাচিন বিতৰণ সম্পৰ্কত ধুবুৰী মহকুমাত যি পৰিস্থিতি চলি আছে সেই বিষয়ে একাষাৰ কব বিচাৰিছো। যি বিলাক হকাৰক কেৰাচিন বিক্ৰীৰ কাৰণে লাইচেন্স দিয়া হৈছে সেই হকাৰ সকলে দুশ লিটাৰ অৰ্ডাৰ ঠাইত মাত্ৰ এশ লিটাৰ আনে আৰু মানুহৰ মাজত বিক্ৰী কৰি থাকে। ডি-চিফ জনোৱা ক'লে যদিও ডি-চিয়ে ক্ষয় কৰ নোৱাৰে। এই কেৰাচিনৰ সমস্যাই তেওঁৰ মূৰ গৰম কৰি পেলাইছে। তাৰ পিচত বেচন কাৰ্ডৰ কথা। ধুবুৰীত ভুৱা বেচন কাৰ্ড বহুতো চলি আছে। এনেকুৱা বেচন কাৰ্ড দুশৰো অধিক হব। এই বিলাক পাৰফেক্ট ৰিপোৰ্ট কালেক্ট কৰি সেই মতে বিহিত ব্যৱস্থা লব লাগে। কংগ্ৰেছে যিবিলাক আঁচনি কৰিছে ভাল বুলিয়েই কব লিয়নো আগত ইলেকশ্বন আছে। অন্ততঃ ইলেকশ্বনৰ সময়লৈকে দুটকীয়া চাউল দি থাকক তেতিয়াহলে ভাল হব। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সম্পৰ্কত ইতিমধ্যে ভালেখিনি বক্তব্য ৰাখিছেই। মইও এই সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বিস্তং আলোচনা হোৱাৰ প্ৰয়োজন বুলি মই অনুভৱ কৰিছো। আজি সময় উপযোগী হোৱাকৈ

এই আলোচনাটো আৰম্ভ হৈছে। সেই সম্পৰ্কত আমি চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। অধ্যক্ষ মহোদয়, চৰকাৰী পক্ষৰ পৰা মাননীয় সদস্য বিধায়ক শ্ৰীনকুল দাস দেৱে যিখিনি বক্তব্য ৰাখিছে সেইখিনি বক্তব্য এটা বাণীসুলভ হৈছে। যেনে ২০০০ চনত সকলোৰে বাবে স্বাস্থ্য। এনেকুৱা ধোৱ শ্লোগান থকাৰ পিচতো মানুহৰ বেমাৰ হৈছে। ভূটানৰ পৰা মেলেৰীয়াৰ বীজ আজি অসমত হৈছে চোৰ ধৰা বেয়া কাম কিন্তু চোৰ ধৰিয়েই আছে। 'কাকো বেয়া কথা নকবা' কিন্তু বেয়া কথা চলিয়েই আছে। শ্ৰীদাস দেৱৰ কথা শুনাৰ পিচত এনেকুৱা লাগিছে যে এই দুটকীয়া চাউল আঁচনিখনে গোটেই ৰাজ্যখনত এটা আলোড়ণৰ সৃষ্টি কৰিছে। অধ্যক্ষ মহোদয়, এটা দুৰ্ব্বল চৰকাৰৰ কাৰণে এটা সবল বিৰোধী পক্ষৰ প্ৰয়োজন। বৰ্তমানৰ চৰকাৰখনে ২৮ শতাংশ ভোট পাই জিকি আহিছে কিন্তু সবল বিৰোধী দলে ৭২ শতাংশ ভোট পাই জিকিছে। গতিকে দুৰ্ব্বল চৰকাৰখনৰ কাম-কাজক সমালোচনা কৰি কোনেকৈ ভালকৈ চলাব লাগে সেইটো কোৱাটো বিৰোধী দলৰ অপৰাধ নেকি? মাননীয় অধ্যক্ষ মহোদয়, আগতে আমি দুটকীয়া চাউলৰ ক্ষেত্ৰত প্ৰত্যক্ষ মনযোগ দিয়া নাছিলো। কিন্তু বিভাগীয় মন্ত্ৰী মহোদয়ে যেতিয়া আমালৈ চিঠি লিখিছিল যে দুটকীয়া চাউল বিতৰণ কৰিবলৈ লৈছো আপোনালোকেও চকু ৰাখিব। তেতিয়াৰ পৰাহে চকু দিছো। বিভাগৰ পৰা যিখন নিৰ্দেশনা দিছে সেই নিৰ্দেশনাখন মানি চলা নাই বুলি অনুভৱ কৰিছো। কাৰণ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালক এই দুটকীয়া চাউলৰ আঁচনিৰ ভিতৰত লবলৈ নিৰ্দেশ দিছিল। কিন্তু ফিল্ডত সেইটো কাৰ্য্যকৰী হোৱা নাই। অধ্যক্ষ মহোদয়, অসমত দৰিদ্ৰ সীমাৰেখাৰ তলত কিমান পৰিয়াল আছে সেইটো ভালকৈ চাৰ্ভে হব লাগ। ভোটাৰ তালিকা বনাওতে যেনেকৈ চুবুৰীয়ে চুবুৰীয়ে কাম আৰম্ভ কৰা হয়, যেনে ভোটাৰজন বিদেশী নেকি? যাতে বিদেশীৰ নাম উঠাব নোৱাৰে, প্ৰকৃত ভাৰতীয় হয় সে নহয় আৰু প্ৰকৃত ভাৰতীয় যাতে তালিকাৰ পৰা বাদ নপৰে, সেই ধৰণৰ গণনাকাৰী গৈ প্ৰস্তুত কৰে তেনেকৈ এই তালিকাও প্ৰস্তুত কৰি প্ৰকৃত দৰিদ্ৰ সীমাৰেখাৰ তলত কিমান মানুহ আছে উলিয়াব লাগে। এই তালিকা ধৰিলা জিলা ভিত্তিত, মহকুমা ভিত্তিত নাৰ

চার্কোল ভিত্তিত প্রস্তুত কবিব লাগে যাতে কোনেও বেনামী কবিব নোৱাৰে।

অধ্যক্ষ মহোদয়, এই দুটকীয়া চাউলৰ তালিকাত চাকৰীয়াল সকলৰ নামো সোমাইছে আৰু স্বচ্ছল মানুহৰ নামো সোমাইছে। গতিকে অধ্যক্ষ মহোদয়, ভাল কথা যদি চৰকাৰে গ্ৰহণ কবিব লাগে। অলিম্পিক খেলত চীনে, আমেৰিকাই জিমনাষ্টিকত শ্ৰেষ্ঠ বটা পাইছে বুলি অসমেও যদি একেদিনাই পাম বুলি ভাবে তেনেহলে হাড়-মুৰ ভাঙিব। তেওঁলোকে একোটা লৰা-ছোৱালীক ৭-৮ বছৰৰ পৰাই শিক্ষা দি তৈয়াৰ কৰি লয়। গতিকে আমিও আৰম্ভনিৰ পৰাই ভাল কবিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ এইটো ধাৰণা হৈছে হব পাৰে অন্ধ্ৰপ্ৰদেশৰ এন টি ৰামাৰাওৱে এই দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক দুটকীয়া চাউল দি অন্ধ্ৰপ্ৰদেশত ৰাজনীতি কবিলে। মই আগতে যিটো কথা উল্লেখ কবিছিলো যে প্ৰথমতে কোনো ধৰণৰ অনুশীলন নকৰাকৈ হঠাতে কৃতকাৰ্য্য হবলৈ বিচাৰিলে সেইটো সম্ভৱ হব নোৱাৰো। বৰ্ত্তমান এইটোৰ ক্ষেত্ৰত 'পলিটিকেল' হৈছে নেকি সেইটো চোৱাটো প্ৰয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই কথাটো অনুমানিক কথা নহয়, ওপৰৰ পৰা নিৰ্দেশটো ঠিকেই যায়, মাজত বা তলত কাৰ্য্যকৰী কেনেকৈ কৰে। আমি দেখিছো কোনো এটা সমষ্টিত ১০ টা ওৱাৰ্ড আছে আৰু প্ৰতিটো ওৱাৰ্ডতে ৬০ টা পৰিয়ালক দুটকীয়া চাউল বিতৰণ কবিছে। কিন্তু কোনো এটা ওৱাৰ্ডত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল ৬০ টাতে নেকি। যদি সেই ৬০ টা পৰিয়ালৰ ওপৰত সেই ওৱাৰ্ডত ৬১ টা পৰিয়াল ওলায় তেতিয়া তাত ১ টা পৰিয়ালে নেপাৰ নেকি বা কেতিয়াবাটো ৬০ টাৰ ঠাইত ১২০ টা পৰিয়ালো হব পাৰে তেতিয়া বাকী ৬০ টাই বাদ পৰিব নেকি?

মাননীয় অধ্যক্ষ : মাননীয় সদস্য বহতে কবলৈ আছে, চমু কবক সকলোৱে কব লাগিব।

* ডাঃ কৃষ্ণকান্ত লহকৰ : মাননীয় অধ্যক্ষ মহোদয়, ৬০ টা পৰিয়ালক নহয়

* Speech not corrected.

৬০০ টা পৰিয়ালক। এই পঞ্চায়ত বিলাক বহুত কংগ্রেছ নহয়।

* শ্রীযতীন মালী : মাননীয় অধ্যক্ষ, মাননীয় সদস্যই ৬০০ টা পৰিয়াল বুলি কৈছে।

মাননীয় অধ্যক্ষ : সময় হৈছে, এতিয়া কব লেলাগে বহুতে কবলগীয়া আছে নহলে গিলেটিন হব।

* শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, চাউল বিতৰণ কৰাব কথা— এই চাউল বিতৰণ কৰা সময়ত কংগ্রেছ চৰকাৰে বহুতক কংগ্রেছৰ দলীয় টিকট দিয়াৰ ব্যৱস্থা কৰিছে। কংগ্রেছৰ টিকট ললেহে দুটকীয়া চাউল দিয়া হব বুলি পলাশবাৰী সমষ্টিৰ ব্লেজকটাৰী বিজাৰ্ভড জনসাধাৰণৰ হৈছে। এই আঁচনিখনৰ মতে স্কুলীয়া ছাত্রক চাউল দিয়া হব কিন্তু এটা পৰিয়ালৰ ৬ জন যদি ছাত্র থাকে সেই ৬ জনৰ ভিতৰত ২ জনক দিলে বাকী ৪ জনক দিয়া নহয়। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো যে কামৰূপ জিলাৰ কাৰণে যি কেৰাচিনৰ 'কোটা' দিয়া আছে সেই কোটাটো বৰ্ত্তমান চৰকাৰে কিছু কমাই দিছে। সেয়েহে চৰকাৰে জিলাখনৰ নামত থকা কেৰাচিনৰ কোটা আগৰ অৱস্থাত ৰাখিব লাগে। গতিকে এইখিনি কৈ মই কৰ্ত্তন প্রস্তাৱটো সমর্থন কৰি বক্তব্য সামৰিলো।

* শ্রীৰদন বকৰা : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ খাদ্য আৰু যোগান মন্ত্রী ডাঙৰীয়াই ৯৫ কোটি টকাৰ এটা পৰিপূৰক মঞ্জুৰী বিচাৰিছে তাত আমি কৰ্ত্তন প্রস্তাৱ দিছো আৰু সেই সম্পর্কত দুষাৰ কবলৈ বিচাৰিছো। আজি এই দুটকীয়া চাউল বিতৰণৰ ক্ষেত্রত থকা কার্ডৰ অধিকাৰত দিয়াৰ যি ব্যৱস্থা এইটোত ৰাজনীতি নোহোৱা নাই বুলি অস্বীকাৰ কৰিলে সত্যৰ অপলাপ কৰা হব। দুটকীয়া চাউল দুখীয়া মানুহক দিছে, চৰকাৰী পক্ষৰ পৰা ভাল বুলি কৈছে, আমিও আচনিখন ভাল বুলি কৈছো। কিন্তু ৰূপায়নৰ ক্ষেত্রত তাৰতম্য ঘটিছে। মই বেছি কথা কব খোজা নাই। মোৰ সমষ্টিৰ কথা কেইটামান কব খুজিছো। মোৰ হাজো সমষ্টিৰ দুটা ব্লকৰ বামদিয়া—১ আৰু বামদিয়া—২ বামদিয়া—২ ব্লকৰ

* Speech not corrected.

ধোৱা ফেব্রুৱাৰী মাহৰ ২১ তাৰিখ তাৰ সভাপতিজন অনুপস্থিত থকাত উপ সভাপতিজনে ৩৬ কুইণ্টল চাউল বজাৰত বিক্রী কৰিছে। এই অভিযোগ মই যোগান মন্ত্রীকো দিছো। এই কথাটো সত্য হ'লনে নহয় চাব লাগে। এই সম্পর্কত যোগান মন্ত্রী যথেষ্ট অবগত। এতিয়া যিজন সভাপতি হব সেইজনক স্বাস্থ্য মন্ত্রীয়ে অনুমোদন কৰিছিল। কিন্তু মই আপত্তি কৰিছো। কাৰণ তেওঁ হাজো উন্নয়ন খণ্ডৰ কৰ্মচাৰী আৰু তেওঁ ৩৬ কুইণ্টল চাউল ব্লেকত বিক্রী কৰিছে। তাত যিবিলাক 'গ্রীণ কার্ড' দিয়া হৈছে তাৰ বিষয়েও মই অভিযোগ দিছো। এইটোৰ বিচাৰ হব লাগে।

অধ্যক্ষ মহোদয়, মই যদিও গান্ধীবাদী বুলি নিজকে স্বীকাৰ নকৰো কিন্তু মোৰ অধ্যয়ন আছে। গান্ধীজীয়ে এটা দৰ্কাৰী কথা কৈছিল—এজন মানুহে মাছ দি আহিছে, গান্ধীজীয়ে এটা ব্যাখ্যা দি কৈছিল 'তুমি মাছ দি আহিছা, এসাজ খাব পাৰিব। যদি মাছ মৰা বা মাছ পোহা শিকিলা হয়, তেতিয়া জীৱিকা নিৰ্ব্বাহ হলহেতেন।' দুটকীয়া চাউল দিয়া হৈছে, কেইসাজ খাব। যদি খেতি কৰিলেহেতেন বোজগাৰ ওলালেহেতেন, জীৱিকা নিৰ্ব্বাহ হলহেতেন। কেনেকৈ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে সেইটোৰ ওপৰত গুৰুত্ব দিব লাগে। ৰাজনীতিৰ কথা কোৱা হৈছে, সকলো ৰাজনৈতিক দলে জনসাধাৰণৰ কি কাম কৰিব আৰু সেই কাৰ্য্য ৰূপায়ণ কৰিবলৈ চেষ্টা কৰা ভাল। তাৰ মাজেদি ৰাজনীতি হব। কংগ্রেছী সকলে এটা কথা মন কৰা উচিত যে কিছুমান মিছা কংগ্রেছী আৰু কিছুমান দালাল আছে।

(সদনত হুলস্থূল হয়)

মাননীয় অধ্যক্ষ: দালাল শব্দটো এক্সপাঞ্জ কৰা হ'ল।

* শ্রীবদন বৰুৱা: অধ্যক্ষ মহোদয়, সেইটো হব। কংগ্রেছী যি সকল আছে তেখেত সকলক কব খুজিছো এইটো আমি ৰাখিব লাগিব। দুটকীয়া চাউলৰ দ্বাৰা ৰাজনীতি হব, অলপ হব, কিন্তু এইটো মনত ৰখা উচিত খাদ্যমন্ত্রী ডাঙৰীয়াই প্রথমতে আমাৰ বিধায়ক সকললৈ চিঠি দিছিল

* Speech not corrected.

পাওঁ পঞ্চায়তত ভিলেজ কমিটি কবি দিব। নাম দিব লাগে আমিও নিস্তা মহকাবে দিছিলো। সেই বিলাক ফুটুকাব কেন হৈ থাকিল। দোষ-ত্রুটি আছে, দালাল (সদনত হুলস্থুল), দালাল এটা উপাধি।

মাননীয় অধ্যক্ষ : ইয়াত উপাধিব কথা কোৱা হোৱা নাই।

* Shri Chandra Mohan Patowary : On a point of clarification..... Indian Brokerage act, this is not illegal.

মাননীয় অধ্যক্ষ : ইয়াত এই অর্থ নহয়, এইটো নকলওঁ হয়।

* শ্রীবদন বক্তা : অধ্যক্ষ মহোদয়, বিধায়ক সকলক যি দায়িত্ব দিয়া হৈছিল বিধায়ক সকলে সেই দায়িত্ব পালন কবিছে, ইয়াকে কৈ মই কর্ত্তন প্রস্তাব সমর্থন কবি মোব বক্তব্যব সামবণি মাবিলো।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলে ১-১০ বজালৈ কব পাবিব— Minister will give this reply from 1-10 PM and at 1-30 PM there will be guillotins.

শ্রীচন্দন চবকাব : মাননীয় অধ্যক্ষ মহোদয়, কর্ত্তন প্রস্তাবব বিবোধিতা কবি মই কেইটামান কথা কব বিচাবিছো। দুটকীয়া চাউলব প্রবর্ত্তন ১৯৯২ চনব পবাই আমাব চবকাবে কবি আহিছে। অসমত বসবাস কবা যি সকল দুখীয়া খেতিয়ক আক দুখীয়া মানুহ আছে ঠেলাৱালা, বিক্সাৱালা আদি কবি সেই সকল মানুহে দুটকীয়া চাউল পাই যথেষ্ট উপকৃত হৈছে। কিন্তু এই বিষয়ত কেইজনমান মাননীয় সদস্য বন্ধুই বিবোধীতা কবিছে। আমি বিধান সভাব সদস্য হৈ আহিছো, চিন্তা কবাব সময় নাপাকে। চিন্তা নকবিলে কিছুমান ভুল কবা হব। চাব, আপোনাব সমষ্টিত যিখিনি মানুহে দুটকা দবব চাউল পাইছে যদি আপুনি সেই সকলব ওচবলৈ যায় সকলো কথা জানিব। বিবোধী দলব কেইজনমানে সদস্য বন্ধুৱে কৈছে যে দুইটকীয়া চাউল লৈ বাজনৈতিক এইটো সম্পূর্ণ সত্য কংগ্রেছ সংগঠনে কবিছে। অসমত বসবাস কবা সকলো ধবণব মানুহব উন্নতিব কাবণে কংগ্রেছ দলে কাম কবি আহিছে। স্বাধীনতাব পিচব পবাই কংগ্রেছ দলে কি কবি আহিছে ইতিহাসত আছে, বিবোধী বন্ধু সকলে

* Speech not corrected.

তাক ভালকৈ জানে। দুটকীয়া চাউল দিয়াৰ ক্ষেত্ৰত কমলপুৰ বা আন কোনোবা সমষ্টিত খেলিমেলি হব পাৰে এইটো অস্বাভাৱিক নহয়। এইটো লৈ ৰাজনৈতিক ভাৱে কংগ্ৰেছ চৰকাৰক ভয় খুৱাই লাভ কি আছে, ভয় খুৱাই লাভ নাই। অসমত কংগ্ৰেছ চৰকাৰে যিবিলাক আঁচনি লৈছে সেই বিলাক ৰূপায়ন কৰিব। দুটকা দৰৰ চাউলে নহয় ৰাস্তা ঘাট, দলং আদি কৰি বিভিন্ন কাম কংগ্ৰেছ চৰকাৰে কৰি আছে। এইবিলাক কৰোতে ভয় খোৱাৰ যুক্তি নাই। যিসকল সদস্য বন্ধুয়ে বিৰোধিতা কৰিছে, তেখেত সকলে বিৰোধিতা নকৰি সমৰ্থন জনাই এই আঁচনি ৰূপায়ন কৰিবলৈ দি অসমত বসবাস কৰা দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা মানুহখিনিক সকাহ দিব লাগে। এখন পঞ্চায়তক ছয়শ দিয়া হৈছে বুলি এজন মাননীয় সদস্যই কৈছে, যিমান পঞ্চায়ত আছে তাৰ ভিতৰত ছয়শ মানুহক যদি দিয়া হয় এটা পৰিয়ালত ১০ জন মানুহক দিয়া হয় তেতিয়া ছয় হেজাৰ হব। চাৰি হেজাৰ বাকী থাকে। যদি ১০ (দহ) হেজাৰ জনসংখ্যা হয়।

মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী দলৰ এগৰাকী সদস্যই কৈছিল যে এই দুটকা দৰৰ চাউলক লৈ চৰকাৰে পলিটিক্স খেলিছে কিন্তু দৰাচলতে সেইটো নহয় চৰকাৰে কেৱল ৰাজ্যখনৰ দুৰ্বীয়া শ্ৰেণীৰ লোক খিনিক সকাহ দিয়াৰ কাৰণেহে এই ব্যৱস্থা কৰিছে কিন্তু বিৰোধী দলে যদি কেৱল বিৰোধিতা কৰিবৰ কাৰণেহে এই শব্দবিলাক ব্যৱহাৰ কৰিবলৈ বিচাৰে তেতিয়াহলে উপায় নাই। আপোনালোকে চাওক ৰাজ্যখনৰ এনেবিলাক জিলা আৰু সমষ্টি আছে সেইবিলাকতো এই দুটকা দৰৰ চাউল বিতৰণ কৰা হৈছে, সেইবিলাকতো আমি কংগ্ৰেছী সদস্যই আপত্তি বা হস্তক্ষেপ কৰিবলৈ যোৱা নাই, আনকি য'ত অসমৰ বিধায়ক আছে তাতো দুটকীয়া চাউল নিয়মীয়াকৈ বিতৰণ হৈ আছে তাত আমি হস্তক্ষেপ কৰিবলৈ যোৱা নাই। আমাৰ পঞ্চায়ত বিলাকত পঞ্চায়তৰ সভাপতি সকলে নীতিগত ভাবে দুটকীয়া দৰৰ চাউল পাবলগীয়া লোকৰ তালিকা প্ৰস্তুত কৰিছে আৰু সেই চাউল বিতৰণত যাতে কোনো ধৰণৰ দুৰ্নীতি হব নোৱাৰে আৰু কলাবজাৰত বিক্ৰী হব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰাখিছে। আজি চাওক বঙ্গাইগাওঁত মাননীয় সদস্য ফণীভূষন চৌধুৰী

আৰু ভূপেন বায় আৰু মইতো কোনো আপত্তি কৰা নাই। ক'ৰবাত অজানিতে দুই এটা ভুল বা অনিয়ম হোৱাৰ কাৰণে সামগ্ৰিক ভাবে সমগ্ৰ অসমকে সাঙুৰী লৈ দুটকীয়া দৰৰ চাউল বিতৰণত পলিটিকচ কৰা বুলি কোৱা কথা সমীচিন হৈছে জানো? দুটকীয়া চাউল বিতৰণ কৰিবলৈ যাওঁতে বৰ্ত্তমান যিটো টকা খৰচ হৈছে সেইটো কোনো বেচি হোৱা নাই বৰং ইয়াৰ দুগুণ হলেও আমাৰ আপত্তি থাকিব নালাগে। মাননীয় সদস্য সকলে অভিযোগ কৰাৰ দৰে যে দুটকীয়া চাউল বিতৰণ কৰাৰ অজুহাত লৈ পলিটিকচ খেলিছে আৰু ভোটৰ আশাত কৰিছে সেইটো আচলতে নহয়, ৰাজ্যৰ দুখীয়া শ্ৰেণীৰ লোকখিনি ইমান অবুজ নহয় যে চৰকাৰে দুটকীয়া চাউল বিতৰণ কৰি তেওঁলোকৰ পৰা ভোট পাবৰ বাবে আশা কৰিছে। বিৰোধী পক্ষৰ সদস্য সকলে এই ক্ষেত্ৰত ভয় কৰিব নালাগে, যদি ভয় কৰিছে তেন্তিয়াহলে এই ফালেই যোগ দিয়ক। আজি চাওক আমাৰ চৰ এবিয়া নিলাকত যিসকল অত্যন্ত দুখীয়া শ্ৰেণীৰ লোক আছে তেওঁলোকক দুইটকীয়া দৰৰ চাউল বিতৰণ কৰাৰ কাৰণে তেওঁলোকে কিমান সকাহ পাইছে আৰু তেওঁলোকৰ সুবিধা হৈছে, কিন্তু আপোনালোকে চাওক আজি চৰ এবিয়াত কংগ্ৰেছীয়েই আছেনে আৰু আছেনে বিজেপি আছে তাত কোনো বিশেষ ৰাজনৈতিক দলৰ মানুহ নাই, কেৱল দুখীয়া শ্ৰেণীৰ লোক আছে, তাত দুটকীয়া চাউল দিবলৈ গৈ চৰকাৰেনো কি পলিটিকচ খেলিব প্ৰশ্ন নুঠে। কিয়নো চৰকাৰৰ উদ্দেশ্য হ'ল কেৱল ৰাজ্যখনৰ দুখীয়া শ্ৰেণীৰ লোক খিনিক সকাহ দিয়া। আজি ৰাজ্যখনৰ যি ফালেই আপুনি যাওক দেখিব দুখীয়া শ্ৰেণীৰ লোক খিনিক কেনেকৈ সকাহ দিব পাৰি সেইটোহে চৰকাৰে বিচাৰিছে আৰু সেইকাৰণেই জিলাই জিলাই বাস্তা-ঘাট, খোৱা পানীৰ কাৰণে টিউব ওৱেল আৰু খেতিৰ দা-মজুলী যোগান দি আছে তেন্তিয়া-হলে চৰকাৰে কত পলিটিকচ খেলিলে। ফমপুৱত কেনেকৈ এই খেলি মেলিটো লাগিল সেইটোহে বিচাৰ্য্য বিষয়। আজি কৈছে কংগ্ৰেছৰ টিকট দিয়া ড্ৰাইভ কৰিছে, কিন্তু সেইটো নহয়। কংগ্ৰেছৰেই হওক বা আন দলৰ টিকট দিয়া ড্ৰাইভ প্ৰতি বাৰেই চলে। আমাৰো বহুবাৰ টিকট দিয়া ড্ৰাইভ চলে, অগপৰো টিকট দিয়া ড্ৰাইভ কৰিব পাৰে। এতিয়া

আকৌ অগপৰ বহুতো সদস্যই কংগ্ৰেছৰ ফালে আহিছে, গতিকে আপোনা-
লোকে ভয় কৰিব নালাগে, যদি ভয় কৰিছে তেতিয়াহলে পলম নকৰি
এইফালে আহি যোগ দিয়ক গাঁৱত আজি আলোড়ণৰ সৃষ্টি হৈছে
কেউফালে কেৱল উন্নয়নৰ এটা বতাহ ভাহিছে। মই দীঘলীয়া নকৈ
কেৱল অনুৰোধ জনাইছো যাতে যোগান মন্ত্ৰী মহোদয়ে এই দুটকীয়া
দৰৰ চাউল বিতৰণ কৰাৰ ক্ষেত্ৰত যাতে অধিক ক্ষিপ্ৰতাৰ আৰু নিয়ম-
নীতিৰে যাতে চলাব পাৰি তাৰ কাৰণে চোকা দৃষ্টি ৰাখি ব্লক লেভেল
বিভিউ কমিটি গঠন কৰি এই চাউল বিতৰণৰ ক্ষেত্ৰত যাতে ভালধৰণে
তদাৰক কৰি কোনো ধৰণৰ হেলিমেলি নহয় তাৰ ব্যৱস্থা কৰিব লাগে
ইয়াৰ আগতে যোগান মন্ত্ৰীয়ে বিধায়ক সকললৈ যি চিঠি দিছিল সেইমতে
আকৌ এখন চিঠি দি বিধায়ক সকলে এই দুটকীয়া দৰৰ চাউল বিতৰণ
যাতে চুপাৰিশ্যন কৰিব পাৰে তেনে এটা ব্যৱস্থা ললে ভাল হয় আৰু
এই সম্পৰ্কত কোনো লোকে যদি অনিয়ম কৰে তেতিয়াহলে কঠোৰ
ব্যৱস্থা হব লাগে। বিধায়ক হিচাবে এজন বিধায়কৰ তেওঁৰ সমষ্টি
কাৰণে তেওঁ যিকোনো অনিয়ম হলে জিলা উপায়ুক্ত মাতি আনি তৎ
ক্ষণাত ব্যৱস্থা লব পাৰে তাকেই নকৰি উপায়ুক্তই বা চৰকাৰৰ ফাল
পৰা একো নকৰিলে বুলি কৈ ৰ'ব থাকিলে কি কাম হব কেৱল
চৰকাৰক সমালোচনা কৰি বিৰোধিতা কৰি থাকিলে কিবা সুফল পোৱা
যাব জানো? এসময়ৰ নিচেই দুখীয়া মানুহ কিনিয়ে আজি শৰাইঘা
দলংত চিমেণ্ট কৰা হৈছেনে নাই সেইটো তেওঁলোকৰ চিন্তিত বিষয়
নহয় তেওঁলোকৰ আজি কেৱল ভাত-কাপোৰ যিনি যোগান দিলেই হ'
আৰু সেইটোকে কৰিবলৈ গৈ চৰকাৰে দুখীয়া শ্ৰেণীৰ মানুহ যিনি
সকাহ দিবলৈ গৈ অন্যান্য সুবিধা দিয়াৰ লগতে দুটকীয়া দৰৰ চাউল
বিতৰণ কৰিছে। ইয়াত কোনো ধৰণৰ ৰাজনীতি নাই। আজি চাওঁ
যিবিলাক অনুদান বা আৰ্থিক সাহায্য আগবঢ়াইছে সেইবিলাক বিৰোধী
পক্ষৰ সদস্যই হওক বা কংগ্ৰেছৰ সদস্যই হওক সকলোৱে সমানে সমান
পাইছে। বিৰোধী দলৰ বিধায়ক তেওঁলোকে ১০ লাখ টকা পাইছে আৰু
আমিয়ে ১০ লাখ টকা পাইছো, মুখ্যমন্ত্ৰী মহোদয়ে আমাক ২০ লা
টকা দিব পাৰিলেহেঁতেন কিন্তু সেইটো কৰা নাই, আমাক বেছিকৈ দি

হলে যেলেগ কথা আছিল। সেইদবে স্কুলব ক্ষেত্রতো একেই কথা, সমানে সমানে দিছে। গতিকে চবকাবে ক'ত বাজনীতি খেলিছে। মাননীয় সদস্য পাটোৱাবী আক শর্ম্মা ডাঙবীয়া অনুসূচীত সম্প্রদায়ব স্কুলব কথা যেতিয়া কোৱা হ'ল তৎক্ষণাত দিয়া হ'ল। আমাব চবকাব ধনে এই ক্ষেত্রত পক্ষপাতিত্ব কবা নাই আক নকবেও। যদি আপোনা-লোকে মনে মনে ভাবি আছে ভুল কবা হৈছে, এতিয়াও সংশোধন কবক, যদি হেনে ধবণব ভাব লৈছে তেতিয়াহলে আমাব দলত যোগ দিয়ক তেতিয়া আপুনি বুজিব পাবিব আমাক বেচি দিয়া হৈছেনে আপোনা-লোকক বেচি দিয়া হৈছে। ইয়াত কোনো ধবণব পক্ষপাতিত্ব কবা হোৱা নাই। এইখিনিকে জনাই কর্ত্তন প্রস্তাবটো উঠাই লবব কাবণে মাননীয় বিবোধী পক্ষব সদস্য সকলক অনুবোধ জনাই মোব বক্তব্য সামবিলো।

Mr. Speaker : Now Mr. Jewram Boro.

শ্রীজীউবাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, দুটকীয়া চাউলব আঁচনিখন প্রায়বিলাক সদস্যই ভাল বুলি কৈছে। সঁচাকৈ এখন ভাল আঁচনি এই দুটকীয়া চাউল যোগান আঁচনিখন। কিন্তু কথা হ'ল এই আঁচনি-খন কেনেকৈ ৰূপায়ণ কবা হৈছে। সেইটোহে মন কবিবলগীয়া কথা। সঁচাকৈয়ে এই আঁচনিখন ৰূপায়ণ হলে বাইজব মঙ্গল হব। আক হৈয়ো আছে। কিন্তু কিছুমান এনেকুৱাও দেখা হৈছে যে কিছুমান ঠাইত ইয়াত সুকঙা থাকি গৈছে। হয়তো আমি এই বিষয়ে অৱগত আক কিছুমানে হয়তো অৱগত নহয়। আমাব একোখন গাওঁ পঞ্চায়ত কিমান খিনি দবিদ্র সীমাবেখাব তলত বাস কবা লোক আছে সেইটো জবীপ হোৱা দবকাব। আমাব প্রতিখন গাওঁ পঞ্চায়তত কেবল ৬০০ জন লোকেহে এই সুবিধা পাইছে। কিন্তু একোখন গাওঁ পঞ্চায়তত বহুতো দবিদ্র লোক ইয়াব পবা বঞ্চিত হৈছে। সেয়েহে যাতে প্রকৃত দবিদ্র লোক প্রত্যেক জনেই এই আচনিব সুবিধা পাই তাব ব্যবস্থা কবক। মই বিভাগীয় মন্ত্রী আক সগতে অসমব মুখ্যমন্ত্রী ডাঙবীয়াক অনুবোধ কবিছো যাতে এই আঁচনিখন ভালমতে কার্য্যকবী কবে। দ্বিতীয়তে মই আন এটা কথা কবলৈ বিচাবিছো যদিও এইটো ইয়াত নাহে। কথাটো হ'ল এতিয়া

আমাৰ প্ৰাথমিক স্কুলত ছাত্ৰ সকলক চাউল দিবলৈ লৈছে। মোৰ কথা হ'ল এই যে স্কুলত আহাৰ যোগান আঁচনি এই আঁচনিৰ অধীনত আমাৰ বিধায়কৰ, মন্ত্ৰীৰ বা ১০ মহলীয়া অট্টালিকা থকা লোকৰ ল'ৰা ছোৱালীও উপকৃত হব নেকি? আমাৰ বিধায়ক মন্ত্ৰী বা ধনী মানুহৰ ল'ৰা-ছোৱালীক এই সুবিধা নিদি দুখীয়া লোকৰ ল'ৰা-ছোৱালীক দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি? ইয়াৰ লগতে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে দৰং জিলাৰ ৫টা সমষ্টিত বানপানীৰ ফলত বহুতো লোকে দুটকীয়া চাউলো কিনিব পৰা অৱস্থা নোহোৱা হৈছে তেওঁলোকক বিনামূলীয়াকৈ চাউল যোগান ধৰাৰ ব্যৱস্থা কৰে যেন। এইখিনি অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, খাদ্য আৰু যোগান বিভাগৰ ওপৰত যিটো কাট মোছন আনিছে সেইটো মই সমৰ্থন কৰিছো আৰু এই বিষয়ে ইয়াত ইতিমধ্যে বিষদভাৱে আলোচনা হৈছে। এতিয়া মই খাদ্য আৰু যোগান বিভাগৰ ওপৰত আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচৰা নাই। কাৰণ মন্ত্ৰীক কৈ লাভ নাই। খাদ্য মন্ত্ৰীক কৈ কৈ ভাগি গৈছো। এইজন মন্ত্ৰীৰ চাল ডাঠ দেখে মূল্যবৃদ্ধি, দুৰ্নীতি আদিত মুঠেই কনচাৰ্ণ নহয়। সেই কাৰণে মই মুখ্যমন্ত্ৰীৰ খাদ্য আৰু যোগান বিভাগৰ দুই এটা কথা দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে তেখেতে ব্যৱস্থা গ্ৰহণ কৰে। আজি আমাৰ যি দুটকীয়া চাউলৰ কথা কৈছে। আমি এই আঁচনিৰ বিৰোধীতা নকৰো আমিও এই আঁচনিখন ভাল পাইছো। অসমৰ দৰিদ্ৰ জনসাধাৰণে দুটকাত চাউল পাইছে আমি ভাল পাইছো। এই চাউল ১৫ লাখ লোকক দিয়া হৈছে। এই সুবিধা ১৫ লাখে কিয় ৫০ লাখে পাওঁক। তাত আমাৰ দ্বিমত নাই। কিন্তু দুটকীয়া চাউল বিতৰণৰ ক্ষেত্ৰত যি খেলি-মেলি সেইটোহে মই উত্থাপন কৰিব বিচাৰিছো। মই সদনত স্পেচিফিক প্ৰশ্ন কৰিছিলো। মই এজন বৃদ্ধ মানুহৰ কথা কৈছিলো। মানুহজন

* Speech not corrected.

অন্ধ। তেওঁ বেলেগৰ ঘৰৰ বাসন্দাত থাকে। আজ খুজি-মাগি খায়। এই মানুহজন দৰিদ্ৰ সীমাৰেখাৰ তলত পৰে নে নপৰে মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো। তেখেতে পৰে বুলিও কৈছিল। সেই মানুহজন নলবাৰী জিলাৰ ডাঙৰাপাৰা গাওঁৰ। কিন্তু আজিও সেই মানুহজনে দুটকীয়া চাউল পোৱা নাই। মই অলপতে তেখেতক এটা ছাতি কিনি দিছো। এইবিলাক চিৰিয়াচ কথা আপোনালোকে চিৰিয়াচলি লব। মই এতিয়া এই আঁচনিৰ বাবে হিতাধীকাৰী বাচনি কৰাৰ কথা কবলৈ বিচাৰিছো। বাচনিৰ ক্ষেত্ৰত বহুতো ত্ৰুটী আছে। এতিয়া যিহেতু আপোনালোকৰ দলৰ চৰকাৰ চলি আছে গতিকে আপোনালোকে দুই চাৰিজন সদস্য বঢ়াব। তাত আমি বেয়া নাপাওঁ। সেইটো ৰাজনৈতিক কথা। কিন্তু দুটকীয়া চাউল দি মেম্বাৰ বঢ়োৱা উচিত নহয়। আপোনালোকে দুটকীয়া চাউল দিয়াৰ ক্ষেত্ৰতো ৰাজনীতি কৰিছে। মই যিখিনি কথা কবলৈ ওলাইছো সেইটো তথ্য সহকাৰে কব পাৰো। দুই তিনিজনে চাকৰি কৰি থকা ঘৰৰ মানুহেও দুটকীয়া চাউল পাইছে। দুটকীয়া চাউল দিয়া বুলি কৈ চহী কৰাই লয়। আপোনালোকে কৈছে আকৌ দুটকীয়া চাউলত ৰাজনীতি নকৰে। মোৰ হাতত এজন মানুহৰ এখন চিঠি আছে। মই চিঠিখনৰ অলপ পঢ়ি দিব বিচাৰিছো। মই চিঠিখন আপোনাক দিম। (চিঠিখন উলিয়াই দেখুৱাই দিয়ে) চিঠিখন দিছে আব্দুল ৰহিম আৰু নুৰ মহম্মদ, পুচলিপাৰ, জোৰভাঙ্গাৰ পৰা। তেওঁলোকে চিঠিখনৰ লগত এখন কংগ্ৰেছৰ টিকট গাঠি দিছে। তেওঁলোকে চহী কৰি কংগ্ৰেছৰ টিকট লৈছে। তেওঁলোকে লৈছে চাউল পাব বুলি। তেওঁলোকে গ্ৰীণ কাৰ্ড পালে কিন্তু চাউল আজিও নাপালে। তেওঁলোকে চিঠিত লিখিছে। আপোনাৰ এতিয়া পাৰ্টীৰ পজিছন বেয়া হৈছে বাবে এনেকৈ সদস্য বঢ়াইছে। আপোনালোকে দৰিদ্ৰ লোকক লৈ ৰাজনীতি নকৰিব, পেটৰ ভোকত থকা লোকক লৈ ৰাজনীতি কৰিব নাপায়। আপোনালোকে দৰিদ্ৰ লোকক লৈ ৰাজনীতি কৰা সমীচীন হোৱা নাই। আপোনালোকে দুটকীয়া চাউল ১৫ লাখক নহয় ৫০ লাখক দিয়ক। আমি ভাল পাম।

মাননীয় অধ্যক্ষ মহোদয়, দুটকীয়া চাউলৰ ক্ষেত্ৰত ১৫ লাখ নহয় ৫০ লাখ কৰক। তেওঁলোকৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আছে। দুটকীয়া

চাউল মোক নালাগে। বিধায়ক সকলে ছুটকীয়া চাউল আনিবলৈ নাযায়। যি সকল মানুহ দবিদ্র সীমাবেখাব তলত থকা বুলি কৈ ছুটকীয়া চাউল দিছে ডিজিলেঞ্চ চেলব চিকিউবিটী জবিয়তে তদন্ত কবক কাবণ প্রত্যেক ঘবব পবা ১০০ (এশ) টকাব পবা ৪০০ (চাবি শ) টকা লৈছে। মোব সমষ্টিত ২/৪ জন মানুহ আছে তেওঁলোকক গাওঁ পঞ্চায়তে চিলেক্ট কবিছে। মোব সমষ্টিব মানুহ বিলাকে কংগ্রেছী বুলিলে বাম নাম সত্য হৈ যেছে। আপোনালোকে পাবিলে আক ছুটামান পোর্ট'ফলিঅ' দিয়ক। এই যি টকা দুখীয়া জনসাধাবণব পবা লৈছে সেই বিষয়ে মই মাননীয় মুখ্যমন্ত্রী মহোদয়ব দৃষ্টি আকর্ষণ কবিছো। যিজন মানুহে ১৫ টকাবে ছাতি এটা কিনিছে সেইজন মানুহে ছুটকীয়া চাউলব কাবণে ৪০০ টকা দি গ্রীণ কার্ড কেনেকৈ লব? এই ক্ষেত্রত মই দেখিছো চাপ্লাই মিনিষ্টাব টুটেলি ফেইল হৈছে। এইটো হৈছে ১নং কথা। ২নং কথা হৈছে ২ টকীয়া চাউলব কাবণে বেনিফিচাবী চিলেক্ট কবিব নোৱাবা কাবণে বেয়া পাইছে নেকি? এইবিলাক কাবণত মোক মেম্বাব পাতি দিলেও মই মেম্বাব নহওঁ। মই গাওঁব কোনোবা জনা মানুহ এজনক এই পদটো দিম। এইবিলাকত মই নাথাকো। আগতেওঁ থকা নাই চিলেকচন কবা সত্যতাখিনি আপোনালোকে স্বীকাব কবক। আমাব মাননীয় সদস্য ধ্রুব কুমাব সেন ডাঙবীয়াই কৈছে যে ইলেকচনব আগলৈকে এই ধবণে ২ টকীয়া চাউল বিতবণ হৈ থাকিব। ২/৪ জন অন্ধ মানুহক টিকট দি চাউল বিতবণ কবাব কাবণে মই মাননীয় মুখ্যমন্ত্রী মহোদয়ব দৃষ্টি আকর্ষণ কবিলো। আপোনালোকব ঘবব আপোনালোকে খান্দি আছে। কংগ্রেছী টিকট কেনেকৈ বিক্রী কবিছে মই আপোনালোকক প্রমাণ সহকাবে দেখুবাইছো। ১০০ টকা বা ৪০০ টকা সকলো মানুহে দিয়া নাই। কিছু-মানে কৈছে যে আমাক চাউল নালাগে আক আমাক কংগ্রেছী টিকটও নালাগে আমি টিকট নলও। ছুটকীয়া চাউলব ওপবিও আক ছুটামান কথা কব লাগিব। ফুড এণ্ড চিভিল চাপ্লাই ডিপার্টমেকৈ নিমখব দাম আগতে ১.২৫ টকাকৈ বিক্রী কবিছিল তাব পিচত এতিয়া ৪.৫০ টকা হৈছে। নিমখ চাপ্লাই গুজমাটব পবা আবম্ভ হয়। তেওঁলোকে ১২০ বেক্স দিয়ে। জানুৱাবীব পবা মার্চলৈ, মার্চব পবা জুনলৈ আক জুনব

পৰা অক্টোবৰলৈ আৰু অক্টোবৰৰ পৰা ডিচেম্বৰলৈ। এনেকৈ ভাগ ভাগ কৰি দিয়ে। অসম চৰকাৰে আজিলৈকে তৃতীয় ভাগটো বিলিজ কৰা নাই। চতুর্থ ভাগটোৰ কথা বাদেই। সেই কাৰণে আজি অসমত নিমখৰ দাম বাঢ়িছে। ১২০ ৰেক্স নিমখ ১০-১৫ দিন ধৰি ৭ খন ট্ৰাক বিলিজ কৰিব নোৱাৰা ফলত অসমত নিমখৰ মূল্য বৃদ্ধি হৈছে। কেবাটিনৰ ক্ষেত্ৰতো সেই একে অৱস্থা হৈছে। আমাক যিখিনি তেল লাগে নিমান খিনি তেল আমি নাপাওঁ কাৰণ জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে তেলৰ মাটনি হৈছে। যিবিলাক হোল চেলাৰ আছে তেওঁলোকে তেল ডিপুত বিটেইল চেল কৰে। ইয়াৰ কাৰণ হৈছে পেট্ৰ'লত কেবাটিন তেল মিক্স হৈ যায়। সেইখিনি বিটেইল চেলত দেখুৱায়। ইমান লিটাৰৰ বিটেইল চেলত তথ্য আমি দিব নোৱাৰো। পুলিচ বা ভিজিলেঞ্চ চেল কোনোৱে দিব নোৱাৰে। আমাৰ মন্ত্ৰী ডাঙৰীয়াই ১৯৯১-৯২ চনত হোৱা মূল্য বৃদ্ধিৰ বিষয়ে ডাঙৰ ডাঙৰ কথা কৈছে। এই কথা কেইটা তেখেতৰ নিজৰ কথা নহয়। বিশ্ব বেপাৰ বুলি এখন পেপাৰ দিল্লীৰ পৰা ওলায়। ভাৰতবৰ্ষৰ কোন জিলাত কোন দেশত কি চলি আছে কোন বস্তুৰ কিমান দাম সকলোবিলাক পেপাৰখনে দিয়ে। সেইখন চাই মন্ত্ৰী গৰাকীয়ে কৈ যায়। অন্য দেশৰ তুলনাত আমাৰ দেশত বস্তুৰ মূল্য কম।

পূৰ্ব্বাঞ্চল বাতৰি কাকতখনত প্ৰতি দিনৰ বজাৰ দাম দিয়া থাকে। ইয়াত দিছে মচুৰ দাইলৰ দাম পণ্টন বজাৰত এই কাকতৰ মতে ১৬'৬০ পইচা আৰু ১৭'৭০ পইচা। মচুৰ দাইলৰ ভিতৰতো বোলে দুবিধ দাইল আছে সেয়ে দুটা দাম দিছে। কিন্তু বজাৰত মচুৰ দাইলৰ দাম হৈছে ১৮'৬০ পইচাৰ পৰা ১৯'০০ টকা। গনেশগুৰি বজাৰত এই দামতেই মচুৰ দাইল বিক্ৰী হৈ আছে। মই লগে লগে মোৰ সমষ্টিত খবৰ ললো কোন কৰি তাত বোলে ২০'০০ টকাৰ পৰা ২১'৫০ পইচাৰ ভিতৰত মচুৰ দাইলৰ দাম চলি আছে। এইটো মাত্ৰ মই এটা উদাহৰণ দিছো। কিন্তু চৰকাৰে কৈ থাকে কাকতৰ মতে ১৬'৬০ পইচা দিল্লীত মচুৰ দাইলৰ দাম ১৬'৬৫ পইচা। গতিকে আমাৰ ইয়াত ৫ পইচা কমেই আছে বুলি কব পাৰি। ১৬'৬০ পইচাত যদি পণ্টন বজাৰত মচুৰ দাইল বিক্ৰী হয় তেন্তে এইখিনি গনেশগুৰি বজাৰত কেনেকৈ ১৮/১৯ টকাত মচুৰ দাইল

বিক্রী কৰিব পাৰে ? এইখিনি কথা মই মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো। মই মুখ্যমন্ত্ৰী মহোদয়ক পোনপটীয়াকৈ অনুৰোধ কৰিম বিচাৰিছো, মই যোগান বিভাগৰ মন্ত্ৰীক বাদ দিছো, মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে তেখেতে অফিচিয়েলী ভিজিলেন্স চেলৰ পৰা ঠাৱে ঠাৱে এনকুৱেৰী কৰিলে এই সকলোবিলাক কথা জানিব পাৰিব। আৰু বজাৰৰ যিটো চৰা দাম কিছু কণ্ট্ৰোল হব। মই যোগান বিভাগৰ মন্ত্ৰীক বাদ দি মুখ্যমন্ত্ৰী মহোদয়ৰ মুখলৈ চাই এই কাৰণেই কৈ আছো য অধ্যক্ষ মহোদয়, আপুনি কোনো দিনেই যোগান বিভাগৰ মন্ত্ৰী মহোদয়ক কথা শুনিবলৈ সুবিধা নিদিয়ে। আপোনালোকৰ মাজত কি সম্বন্ধ আছে মাজলো কিন্তু যেতিয়াই মই কওঁতে কিছাখো তেতিয়াই আপুনি মোক থমিবলৈ কয়। কোৱাৰ বাবে কোনো স্কোপ নিদিয়ে। যোগান মন্ত্ৰীক সদায় চেফগার্ড দি থাকে। কিন্তু এইবিলাক কথাত আমি প্ৰতিবাদ কৰিবই লাগিব। পাৱৰ মানুহে আজি আমাক কয় ১০০ টকা লৈ গলে দেখোন প্লাচটিকৰ মোৰা এখনেই নহয়। কেৰাচিন তেল নাই শাক-পাচলিৰ দাম। এম, এল, এ ছে লৈ আছো গতিকে এই কথাবিলাক কব লাগিব। মই মুখ্যমন্ত্ৰী মহোদয়ক ব্যৱস্থা লবৰ বাবে অনুৰোধ জনালো। লগতে মূল্য বৃদ্ধিৰ সমস্যা সমাধানৰ আশা ৰাখি আজিৰ বক্তব্য সামৰিলি মাবিলো। ধন্যবাদ।

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, দুটকীয়া চাউলৰ বিতৰণৰ ক্ষেত্ৰত আটাইতকৈ খেলিমেলি হৈছে। ধুবুৰী জিলাত মেউজ পত্ৰ ভগোৱা হৈছিল। কিন্তু খেলিমেলিৰ কাৰণে মেজিষ্ট্ৰেট আৰু লাট মণ্ডলৰ আগত বাখি কিছুমান কেনচেল কৰা হৈছে। কিন্তু সেই খেলিমেলি এতিয়াও মৰা নাই। দুটকীয়া চাউল ভগোৱা সম্পৰ্কে যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে এই দায়িত্ব গ্ৰহণ কৰিছে। যিহেতুকে ধুবুৰী জিলাত সমগ্ৰ অসমৰ ভিতৰতে জনসংখ্যা বেছি আৰু নিৰক্ষৰতা বেছি সেয়ে ধুবুৰী জিলাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আন জিলাতকৈ বিশেষ ব্যৱস্থা লব লাগিছিল। যিহেতুকে নিৰক্ষৰতা বেচি সেয়ে বেচি ভাগ মানুহেই দৰিদ্ৰ

* Speech not corrected.

সীমাৰেখাৰ তলত। সেই হিচাব মতেও আমি জিলাতকৈ বেছি পৰিমাণৰ সাহায্য পাব লাগিছিল। সেই অঞ্চলত কোনো অর্থনৈতিক প্রতিষ্ঠান বা ভাল উদ্যোগ প্রতিষ্ঠান নোহোৱাৰ কাৰণে তাৰ মানুহখিনিয়ে উপার্জনৰ ক্ষেত্রতো পিচ পৰি আছে। গতিকে সেউজ পত্র বিতৰণৰ ক্ষেত্রত আন জিলাৰ লগত সমকক্ষ হলে সেই অঞ্চলৰ বহু দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহ বঞ্চিত হৈ যব। গতিকে এই ক্ষেত্রত ব্যতিক্রম হব লাগিছিল বুলি মই ভাবো। তাৰোপৰি যি পদ্ধতিৰে দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহক বাচনি কৰা হৈছে সেই পদ্ধতিও ঠিক হোৱা নাই। এটি নিম্নদম আয় ধৰি দিয়া হৈছে সেই আয়ৰ তলত থকা মানুহখিনি দৰিদ্র সীমাৰেখাৰ তলত বুলি ধৰা হৈছে। কিন্তু এই চার্টিফিকেটখন কাক দিব? এচ, ডি, চি আৰু লাট মণ্ডলে। এইটো আচৰণ জনীপ হোৱা নাই। যি সকলে সুলভ মূল্যৰ খাদ্য সামগ্রী সংগ্রহ কৰিব নোৱাৰে, যব এটা বান্ধি লব নোৱাৰে সেইজনেই হৈছে আচল দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহ। আজি বৃদ্ধ পেনচন দিছে। কিন্তু কি হব? ৫৫ বছৰীয়া জনেও ডাক্তৰৰ চার্টিফিকেট লৈ ৬০ বছৰীয়া হৈছে। ১৫ টকা ডাক্তৰক ভিজিট দিলেই এখন ৬০ বছৰৰ চার্টিফিকেট পায়। হালাকুৰা বিধৰ চকীৰৰ নাৰী সকলক পেনচন দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু মই এই কথাটোকে দাঙি ধৰিছো যে তেওঁলোকক ডুটকীয়া চাউলৰ সুবিধাখিনিকে দিয়া নাই। কংগ্রেছ চৰকাৰে কেনে ধৰণে সকলো ধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে সেইখিনিকে দাঙি ধৰিব বিচাৰিছো। ফুটফুটীয়া ধুনীয়া ছোৱালী এজনীয়ে ধুনীয়া কাপোৰ পিন্ধি লৈ ডুটকীয়া চাউল লৈ আছে। অথচ দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহখিনি সেই সকলো বিলাকৰ পৰা বঞ্চিত হৈ আছে। এই সকলো বিপাক খেলি-মেলিয়ে সকলোৰে মনত প্রশ্নৰ বিন্যাস উঠাইছে।

Mr. Speaker: Now Mr. Krishna Kanta Lahkar.

ডাঃ কৃষ্ণকান্ত লহকৰ: মাননীয় অধ্যক্ষ মহোদয়, আজি ডুটকীয়া চাউলৰ সংক্রান্তত যি টকা ধৰা হৈছে আৰু বর্দ্ধন প্রস্তাব অনা হৈছে সেই সম্পর্কত মই কেইটামান কথা কব বিচাৰিছো। তেখেত সকলে হয়তো ভাবিছে যে, ডুটকীয়া চাউল দি কংগ্রেছে সকলো মানুহ লৈ গ'ল। এই

লিষ্টখন কোনো অফিচাবব তলত কবা হোৱা নাই। কোনো মণ্ডল কানণগুৱেও এই লিষ্ট তৈয়াব কবা নাই। এইখন তৈয়াব কবা হৈছে গাওঁ পঞ্চায়তব ১০ জন মেম্বাব আক ১০ জন কাউন্সিলবব দ্বাবা। এই ২০ জনে লগলাগি গাওঁত কিমানজন দুখীয়া মানুহ আছে সেই সকলক নির্ব্বাচন কবে। কোনো কোনো মাননীয় সদস্যই কৈছে ৬০ জন মানুহে কবিছে কোনোৱে কৈছে ৬০০ শ জনে কবিছে। কিন্তু এইটো নহয়। ৬০০ টা পবিয়ালকলৈকে দিব পাবে। ১০০০ হেজাব পবিয়াল থাকিলে ৬০০টা পবিয়ালক দিব পাবে। মোব তাত ৬০০ পবিয়ালো নাই, ২০০ শ বা ২৫০ টা পবিয়ালহে আছে। এই ক্ষেত্রত আপোনালোকবো কর্ত্তব্য আছে আঞ্চলিক পঞ্চায়তব মিটিং বিলাকত আপোনালোকে উপস্থিত থাকিব লাগে। আক আপোনালোকব প্রপাজল বিলাক দিব পাবে। কাবণ পঞ্চায়ত অঞ্চল কংগ্রেছবেই নহয় তাত সকলো দলব মানুহ আছে। নির্ব্বাচন কবোতে ভুল হলে শুদ্ধ কবিব লাগে। ইয়াত আপোনালোকে আপত্তি কবা উচিত হোৱা নাই। সেই ২০ জন মেম্বাবে যদিহে কাবোবাক কেনচেল কবে তেনেহলে তাব ঠাইত নতুন মানুহ সুমুৱাব লাগে। এইটো হল নিয়ম তাবোপবি পঞ্চায়তক প্রতি বছবে ১০ টাকৈ ঘব দিয়া হৈছে আক আন আন সা-সুবিধাও দিয়া হৈছে। গতিকে মই আপোনালোকক অনুবোধ কবিছো যে এই টা প্রস্তাব অনাটো ভাল হোৱা নাই। আন বিষয়ত কর্ত্তন প্রস্তাব আনক আমি সেউজীয়া কার্ডো ৪ মাহ মানব আগত দিয়া হৈছে আক ৯ তাবিখব পবাহে কংগ্রেছব মেম্বাব হৈছে। গতিকে গোটেই কথাটো চাই চিন্তি কর্ত্তন প্রস্তাবটো উঠাই লোৱাব বাবে অনুবোধ জনাই মই মোব বক্তব্য সামবিলো।

Mr. Speaker : Now Shri Thaneswer Boro.

* শ্রীথানেশ্বব বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই মোব বক্তব্য দীঘলীয়া নকবো। আজি আমাব বিবোধী পক্ষব পবা যিটো কর্ত্তন প্রস্তাব অনা হৈছে সেই প্রস্তাবটো সমর্থন কবি মই মাত্র কেইটামান কথা ক

* Speech not corrected.

বিচাৰিছো। আজি এই সম্ভব নাবীব শিক্ষামন্ত যোগান বিভাগে চাপ্লি-মেণ্টবী ডিমাণ্ডত ৯৫ কোটি টকা বিচাৰিছে কিন্তু আপোনালোকে যদি বাজেট চেছনত পাচ কবি চিয়া ধনব পবিমাণটো লক্ষ্য কবে তেনেহলে পার্থক্যটো দেখিব। ১৯৯৫-৯৬ চনব বাবে বাজেট প্রভিজন আছিল ৯৫ কোটি ১৫ লাখ ৩৪ হাজাব টকা আৰু চাবচিডি আছিল ৮৮ কোটি ২৯ লাখ ৭৩ হাজাব টকা। চাবচিডিব শতাংশ আছিল ৯৩ শতাংশ। এতিয়া যাগান বিভাগে বিটো টকা বিচাৰিছে বাজেট চেছনব বাজেট প্রভিজনব সৈতে আধা সমান। দুটকীয়া চাউল দিয়াব বাবে কিমান টকা লাগে মই ধাবণা পবা নাই। ডবোপনি নেচাবেল কেলামিটিব বাবে বেলিনিউ বিভাগেও টকা দিয়ে। বেলিনিউ বিভাগব পবা টকা পোৱাব ব্যৱস্থা আছে। দুটকীয়া চাউল দিয়াব বিটো ব্যৱস্থা কবিছে সঁচাটো তুলনামূলক ভাবে ভাল ধৰণে চোৱাব প্রয়োজন আছিল। কিন্তু দুটকীয়া চাউল বিতবণব বাবে বাইজব মাজৰ পবা যিবিলাক বেনিফি-চিয়াবি বাছি লোৱা হৈছে তাত বহুতো বেলিমেলি হৈছে। সেইবাজনো মাননীয় সদস্যাই উল্লেখ কবিছে যে, যি ধৰণে বেনিফিচিয়াবি চিলেকচন হব লাগিছিল সেই ধৰণে হোৱা নাই। অকল গাওঁ পঞ্চায়ত সভাপতি বা স্থানীয় বিধায়ক বা তেনেকুৱা ধৰণে চি, ডি, অ' আদি দিয়া হোৱা নাই। খেলিমেলি নাইকীয়া কথাব বাবে গাওঁ পঞ্চায়ত অঞ্চলত বাজ-ত্বা ভাৱে পঞ্চায়তব সদস্য সকলক লৈ, গাওঁবুঢ়া সকলক লৈ আৰু স্থানীয় গণ্যমান্য লোকক লৈ দুটকীয়া চাউল খোৱা মানুহ বাচনি কবিলে ভাল হয়। কাবোবাব যদিও বহি বেনিফিচাবিব জিদ কবাটো উচিত হোৱা নাই। এতিয়া পঞ্চায়তব সভাপতি, কাউন্সিলব আৰু চি, ডি, অ'ব অধিকত দুটকীয়া চাউলব বাবে মানুহব চিব হৈছে দুখীয়া মানুহ বিলাকে কাম কাজ বাদি চাউল আৰু লেটজীকা কাৰ্ড পোৱাব আশাত লাইন পাতিছে। তেওঁলোকে দৈনন্দিন কাম কাজো কবিব পবা নাই। গতিকে এই বিষয়টো পুনৰ বিবেচনা কবি বেনিফিচিয়াবী চিলেক্ট কবাব বাবে আৰু এটা ব্যৱস্থা গ্রহণ কবিব লাগে। এচ, চি আৰু এচ, টিব বাবে চাউলব চাবচিডি দিয়াব ব্যৱস্থা আছে। এতিয়া বিকল জেনেৰেল সম্প্রদায়ব মানুহ আছে দবিদ্রতাব সীমাবেখাব তলত তেওঁলোকক্কো

চাবচিলি দি চাউল দিব লাগে। দুটকীয়া চাউলেবে সকলোকে পাবি লোৱা সম্ভব নহয়। তথাপি যিসকল দবিদ্রতাব সীমাবেখাব তলত আছে তেওঁলোকে যাতে সংলোৱে চাউল পায় তাব ব্যবস্থা কবিব লাগে।

অধ্যক্ষ মহোদয়, আমাব কিছুমান আঁচনি লব লাগে ডি, আব, ডি, এব উপবিও প্লেনিং বিভাগে চাব লাগে। আগতে আমাব চবকাবব 'কেছ বিলিফ' আঁচনিব ব্যবস্থা আছিল—প্রাকৃতিক দুর্যোগ বা তেনে ধবণব কিবা হলে এই আঁচনিব পবা লোকক সাহায্য দিয়া হৈছিল। বর্ত্তমান এই আঁচনি বন্ধ হে গৈছে। ডি আব, ডি, এব পবা কিছু কাম কবা হৈছে যদিও ই ফলপ্রসু হোৱা নাই। অসমব বাহিবে অন্যান্য বাজ্যত 'কেছ বিলফ' আঁচনি এতিয়াও চলি আছে—মই মুখ্যমন্ত্রী মহোদয়ক অনুবোধ কবিব খুজিছো যে এই আঁচনি আমাব বাজ্যত পুনবব প্রবর্ত্তন কবিব লাগে। আৰু ইয়াব দ্বাবা দুর্গত লোক সকলক সহায় কবিব লাগে। লগতে এই ক্ষেত্রত বিবোধ খেলি-মেলিব সৃষ্টি হৈছে, দুর্নীতি হৈছে সেইবোব তদন্ত কবি প্রয়োজনীয় ব্যবস্থা গ্রহণ কবিব লাগে। শেষত চাপ্লিকেটৰী ডমাণ্ড প্লেচ কবাব ক্ষেত্রত যি খেলি-মেলি হৈছে তাব ব্যবস্থা কবা হোৱা নাই এইটা কবিব লাগে। এইখিনিকে কৈ মই কর্তন প্রস্তাবটো সমর্থন কবি মোব বক্তব্যব সামবণি মাবিলো।

Mr. Speaker : Now Hon'ble Chief Minister.

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই বেছি নকও, শ্রীপাটোৱাবী ডাঙবীয়াই দুটামান কথা সুধিছিল তাব উত্তব দিব খুজিছো। শ্রীপাটোৱাবী ডাঙবীয়াই কৈছিল যে মুব মহম্মদ আৰু কেইজনমান লোকে দুটকীয়া চাউল পাবব যোগ্য কিন্তু তেওঁলোকে পোৱা নাই। এই সম্পর্কত মই কব খোজে যে তালেমান লাইব পবা আমি এনে ধবণব অভিযোগ পাইছো। আই, আব, ডি, পি আঁচনি বা সংহত গ্রাম্য উন্নয়ন আঁচনিব বাবে হিতাধীকাবী বাচনি কবে গাওঁ পঞ্চায়তে। কেন্দ্রীয় চবকাবব নীতি নির্দ্দেশনা মতেই আমাব চলাতো গাওঁ পঞ্চায়তব জবিয়তেই হিতাধীকাবী বাচনি কবা হৈছে। এই দুটকীয়া চাউলব কাবণেও দুখীয়া লোকব তালিকা তৈয়াব কবিবলৈ অসমব গাওঁ পঞ্চায়ত সমূহক দিয়া

হৈছে। যিবোৰ পৰিয়ালৰ বাৰ্ষিক উপাৰ্জন ৬০০০ হেজাৰ টকাৰ ভিতৰত সেইবোৰ পৰিয়ালকে দুখীয়া বুলি গণ্য কৰা হৈছে। আমাৰ ৰাজ্যখনত এনে পৰিয়াল ১৫ লাখ ৩১ হেজাৰটা আছে। এইখিনি লোকক গাওঁ পঞ্চায়ত হিচাবে ভাগ কৰা হৈছে। গাওঁ সভা এলেকাত ৬০ টা এনে পৰিয়ালক বাচনি কৰিবলৈ কোৱা হৈছে আৰু নগৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডত ১২০ টা এনে পৰিয়াল বাচিবলৈ কোৱা হৈছে। গাওঁৰ ক্ষেত্ৰত গাওঁ সভাৰ সভাপতি আৰু সদস্য সকলে গাওঁত ৰাইজৰ সভা পাতি তাৰ মাজত হিতাধীকাৰী বাচিবলৈ কোৱা হৈছে আৰু নগৰৰ ক্ষেত্ৰতো প্ৰতি ৱাৰ্ডৰ সদস্য সকলে ৰাজহুৱা সভা পাতি দুখীয়া লোকক বাচনি কৰিবলৈ কোৱা হৈছে। এনেদৰে বাচনি কৰিবলৈ কোৱা স্বত্বেও কিছুমান ঠাইত হিতাধীকাৰী বাচনিৰ ক্ষেত্ৰত খেলি-মেলি হোৱা দেখিবলৈ পোৱা গৈছে— এই খেলি-মেলি দূৰ কৰিবলৈ উপায়ুক্ত সকলক নিৰ্দ্দেশ দিয়া হৈছে। উপায়ুক্ত সকলক জিলাখন জোন হিচাপত ভাগ কৰি একোজন মেজিষ্ট্ৰেটক দায়িত্ব দি খেলি-মেলিবোৰ চাই ব্যৱস্থা লবলৈ কোৱা হৈছে। শ্ৰীঘনীণ মহন্ত আৰু শ্ৰীআলাউদ্দিন সৰকাৰে তেখেত সকলৰ অঞ্চলত হিতাধীকাৰী নিৰ্ব্বাচনৰ ক্ষেত্ৰত খেলি-মেলি হোৱা বুলি উল্লেখ কৰিছে কোনো কোনো অঞ্চলত গাওঁ সভাৰ সভাপতি আৰু সদস্য সকলে নিজৰ নিজৰ অভীষ্ট বভীক দিয়ক নীতিত নপৰা স্বত্বেও বাচনি কৰা বুলি অভিযোগ উত্থাপিত হৈছে—এইবোৰ কথা পৰীক্ষা নিৰীক্ষা কৰি ধৰা হৈছে। অধ্যক্ষ মহোদয়, ১৯৯২ চনৰ অক্টোবৰ মাহত এই বিধান সভাত এনে কথা ওলাইছিল। সেই সময়ত গাওঁ পঞ্চায়তৰ পৰা ১২০টা পৰিয়াল বছা হৈছিল তেতিয়া কিন্তু সমালোচনা হোৱা নাছিল। এতিয়া যোৱা এপ্ৰিল মাহৰ পৰা এই দুখীয়া লোকৰ বাচনি কাম আৰম্ভ কৰা হৈছে। সকলো জিলাতে বা ঠাইতে এই কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। সেইবোৰ ঠাইত চাউল দিয়া কাম আৰম্ভ কৰিব পৰা নাই। এতিয়া আমি উপায়ুক্ত সকলক নিৰ্দ্দেশ দিছো যে তেওঁলোকে হিতাধীকাৰীৰ তালিকা চাৰ্টিফাই কৰাৰ পিচতহে লোকে চাউল পাব। আমাৰ কথা হৈছে প্ৰত্যেকজন দুখীয়া লোকেই এই আঁচনিৰ দ্বাৰা উপকৃত হব লাগে, চাউল পাব লাগে। এতিয়াৰ তালিকাত যিবোৰ ধনী মানুহে গ্ৰীণ কাৰ্ড যোগে দুখীয়া বুলি

চাউল পাইছে, সেইবোৰ লোকৰ নাম তালিকাৰ পৰা কাটি অন্য পাৱ-লগীয়া লোকক দিবলৈ কোৱা হৈছে। এনে কার্য্যত জড়িত বিষয়া কৰ্মীক কঠোৰ শাস্তি দিবলৈও কোৱা হৈছে।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হৈছে—আমাৰ পৰিসংখ্যা বিভাগে দিয়া হিচাৰ মতে আমাৰ ৰাজ্যখনত ১৫ লাখ ৩৩ হেজাৰ দুখীয়া মানুহ আছে কিন্তু এই সংখ্যা আৰু বেছি হব বুলি মই ভাবো। কিয়নো সংখ্যালঘু প্ৰধান অঞ্চল, অনুসূচীত জাতি, জনজাতি বসতি প্ৰধান অঞ্চল আৰু টি এণ্ড এষ্ট টি গাৰ্ডেন লোক বাস কৰা অঞ্চল সমূহত এনে দুখীয়া পৰিয়ালৰ সংখ্যা যথেষ্ট বেছি হব। দ্বিতীয় পৰ্য্যায়ত আমি এইখিনি লোকক সামৰি লম। প্ৰত্যেক গাওঁ সভাৰ পৰা আমি ১২০ জন এনে লোকক বাছনি কৰিম। সকলোবোৰ বাচনি একেলগে কৰিলে আৰু খেলিমেলি হব। সেয়ে পৰ্য্যায়ক্ৰমে কৰা হব। যিসকল যোগ্য লোক আছে এতিয়া পোৱা নাই তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰা হব। মই আগতেই কৈছো যে এই হিতাধীকাৰী নিৰ্ব্বাচন এতিয়াও সকলো ঠাইতে সম্পূৰ্ণ হোৱা নাই—নগাওঁ জিলাতে হোৱা নাই। খেলি মেলিৰ বাবে গুৱাহাটীৰ কাষৰ ডিগাকতো হোৱা নাই। এইবোৰ ঠাইতো সোনকালে দিয়াৰ ব্যৱস্থা কৰা হব আমাৰ চৰকাৰৰ নীতি হৈছে যিসকল প্ৰকৃততে দুখীয়া লোক তেওঁলোকে এই দুটকীয়া চাউলৰ সুবিধা পাব লাগে আৰু পাব লাগিব। লগতে যিসকল ধনী লোকে এনে সুবিধা পাইছে তেওঁ-লোকৰ নাম কটা যাব। শাস্তি পাব তেওঁলোকে।

নলবাৰীৰ কথা আমাৰ মাননীয় সদস্য লহকৰ ডাঙৰীয়াই কৈছে। কিন্তু আমি অসমৰ সকলো ঠাইতে প্ৰত্যেক গাওঁ পঞ্চায়তৰ ৬০০ টা পৰিয়ালক এপ্ৰিল মাহৰ পৰা দুটকীয়া চাউল দিয়া প্ৰক্ৰিয়া আৰম্ভ কৰিছো। অধ্যক্ষ ডাঙৰীয়া, কাৰ্ড দিয়া ক্ষেত্ৰত দুই এঠাইত টকা লোৱা কথাটো আমিও পাইছো আৰু সেইমতে ব্যৱস্থাও গ্ৰহণ কৰিছো আন এটা কথা হ'ল—পৰিয়াল বাচনিৰ ক্ষেত্ৰত বিধায়ক সকলক পোনপটীয়াকৈ জড়িত নকৰাৰ কথা উল্লেখ কৰিছে। কিন্তু এই ক্ষেত্ৰত আমাৰ যোগান মন্ত্ৰীয়ে প্ৰত্যেকজন বিধায়কলৈ এখন চিঠি দিছে আৰু এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক এটা কথা কম যে বিধায়ক হিচাবে আমাৰ

বিধায়ক সকলৰ সৰ্ব্বতোভাবে দায়িত্ব আৰু অধিকাৰ আছে। আপোনা-লোকে সকলোবোৰ কথা চোৱা চিতা কৰিব পাৰে। মই সদনক এইটো স্পষ্টকৈ কৈছো যে দুটকীয়া চাউলৰ ক্ষেত্ৰত ক'ৰবাত কিবা অভিযোগ পালে তাৰ যথোচিত ব্যৱস্থা আমি নিশ্চয় লম। এই ক্ষেত্ৰত আমি এতিয়া প্ৰত্যেকখন মহকুমাতে একোখন চাবডিভিজনেল ওৱেলফেয়াৰ কমিটি কৰি দিছো। আমি ১২ খন আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ দুখীয়া মানুহবিলাক সামৰি লৈছো আৰু তাৰ বিধায়ক সকলকো ইয়াৰ সদস্য কৰিছো। তেওঁলোকৰ পৰা ৰিয়াংক্ষে পালেহে ডি, চি, সকলো লিষ্ট কৰিব আৰু সেই-তে আঁচনি ৰূপায়ণ কৰা হব। এজন মাননীয় সদস্যই দৰিদ্ৰ সীমাৰেখাৰ তলত থকা সকলো লোকলৈ দুটকীয়া চাউল যোগান ধৰাৰ কথা উল্লেখ কৰিছে। সেই ক্ষেত্ৰত মই কওঁ যে এই বছৰৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলত থকা সকলো দুখীয়া লোকক এই আঁচনিৰ জৰিয়তে সামৰি লোৱা হব আৰু সকলোকে এই চাউল যোগান ধৰাৰ ব্যৱস্থা কৰা হব ভাব বাহিৰেও এইবাৰ আমি ১০,১০০ কৃষক বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছো। গতিকে এইখিনিকে মই সদনৰ আগত ব্যাখ্যা দাঙি ধৰিলো আৰু বাকীখিনি কথা আমাৰ যোগান মন্ত্ৰী ডাঙৰীয়াই বিস্তৃতভাবে কব।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি যোগান বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ ক্ষেত্ৰৰ কৰ্ত্তৃপক্ষৰ প্ৰস্তাৱ উত্থাপন কৰি বিৰোধী পক্ষৰ মাননীয় ডাঃ কমলা কলিতা, শ্ৰীশশাংকৰ সন্দিকৈ, শ্ৰীদিলীপ গইকীয়া, শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম, শ্ৰীমুনীণ মহন্ত, দেৱান জয়নাল আবেদিন, শ্ৰীঞ্জৰবাৰায়ন সেন, শ্ৰীযতীন আলী, শ্ৰীবদন বকৰা, শ্ৰীজীউৰাম বড়ো, শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, শ্ৰীআলাউদ্দিন সৰকাৰ আৰু শ্ৰীথগেশ্বৰ বড়ো ডাঙৰীয়াই অংশ গ্ৰহণ কৰি বহুতো দিহা পৰামৰ্শৰে আলোচনা দাঙি ধৰিছে। এই ক্ষেত্ৰত মই এটা কথা ভাল পাইছো যে বিৰোধী পক্ষৰ সদস্য সকলে চৰকাৰে লোৱা আঁচনিখন ভাল বুলিয়েই কৈছে। ইয়াত কিছুমান খেলিমেলি হোৱাৰ কথাটো তেওঁলোকে উল্লেখ কৰিছে আৰু সেই খেলিমেলি সমূহৰ বিষয়ে ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই

* Speech not corrected.

স্পষ্টীকৰণ দিছে। ইয়াত যি দুই এটা স্পষ্টীকৰণ বাকী যৈ গৈছে সেইখি
মই কবলৈ বিচাৰিছো। শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই এটা কথা কৈ
যে এফ, চি, আইৰ পৰা কিয় চাউল লোৱা হোৱা নাই। ইয়াৰ পি
প্ৰেক্ষিতত মই সদনক জনাব খোজো যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এ
সম্পৰ্কত এফ, চি, আইৰ চেয়াৰমেনলৈ চিঠি লিখিছিল যাতে আমা
অপেন মাৰ্কেটত চাউল যোগান ধৰে। কিন্তু তেওঁলোকে অপেন মাৰ্কেট
চাউল দিবলৈ অস্বীকাৰ কৰে। আৰু এটা কথা উত্থাপিত হৈছে যে য'
বেনিফিচেৰী ৬০০ তকৈ কম ভাৰ পৰা বেনিফিচেৰী বেচি থকা ঠাইৰ
চাউলখিনি কিয় নিয়া হোৱা নাই। এই ক্ষেত্ৰত আমি ডি, চি, আ
চাব ডিষ্ট্ৰিজনেল হেড কোৱাৰ্টাৰলৈ চিঠি লিখিছো আৰু সেইটো এ
ধৰণৰ—

Whether more beneficiaries can be selected o
the basis of average and adjustment subject to maxi
mum allowable limits/targets fixed by the Governmen
The following instructions given. It has now bee
decided by the Government to proceed as under. Th
target of maximum beneficiaries per urban ward
120. If the number of eligible beneficiaries are le
in one ward but more in another ward, the maximu
allowable number of beneficiaries in the whole tow
will be 120 number of wards. Similarly if th
number of eligible beneficiaries in a gaon panchay
is found less but more in another gaon panchay
the maximum number of eligible beneficiaries in th
entire rural areas of a subdivision would be limite
to 600 number of gaon panchayats.

আমাৰ বিৰোধী সদস্য সকলে আৰু এটা কথা উত্থাপন কৰি
যে কিছুমান ঠাইত ১৬ কেজি চাউলত ৩২ টকাৰ পৰিবৰ্ত্তে বেছি ট
লৈছে। তেনেকুৱা ধৰণৰ এটা গোচৰ মাননীয় সদস্য শ্ৰীজয়নাথ শ

তাওবীয়াই মোৰ দৃষ্টিগোচৰ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত মই লগে লগে সেইজন চেয়াৰমেনৰ বিৰুদ্ধে পুলিচ কেচ দিছো আৰু এইটো এতিয়া প্ৰচেচ হৈ আছে। সেইদৰে ৰঙপেটা জিলাতো কিছুমান খেলি মেলি হোৱা গম পাই ব্যৱস্থা হাতত লৈছো আৰু ভাৰ্গৱ মহন্ত নামৰ এজন বিষয়াক চাচপেণ্ড কৰিছো। ধুবুৰীতো একে ধৰণৰ খেলি মেলি হোৱাৰ কাৰণে তাত সাময়িকভাবে চাউলৰ যোগান বন্ধ ৰাখিছিলো আৰু এতিয়া সেইটো মীমাংসা হোৱাৰ পিচত তাত পুনৰ চাউলৰ যোগান আৰম্ভ কৰিছো। মাননীয় সদস্য ডাঃ কমলা কলিতা আৰু কেইজনমান মাননীয় সদস্যই এই ব্যৱসায়টো কিয় এজন লোকক দিয়া হ'ল সেই সম্পৰ্কে উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কওঁ যে এই কামটো আমি কোনো ব্যক্তিগত স্বাৰ্থত কৰা নাই। এই কামটোৰ দায়িত্ব আমি ষ্টেটফেডক দিছো। তেওঁলোকে টেণ্ডাৰ কল কৰি চিলেক্‌টেড মানুহকহে এই কামটো দিছে। সেই কাৰণে এজন ব্যক্তিক আক্ৰমণ কৰি এখন সংবাদ পত্ৰই যি ধৰণৰ ৰাতৰি পৰিবেশন কৰিছে তাৰ ওপৰত ভিত্তি কৰি সদনৰ মজিয়াত এই বিষয়টো আলোচনা কৰি এইজন মানুহক অপমান নকৰা হলেই ভাল আছিল। এইখিনিতে মই এটা কথা কব খুজিছো যে ডঃ হোমেন ৰবগোহাই তাওবীয়াই—"হালধীয়া চৰায়ে ৰাওধান খায়" নামৰ কিতাপ এখন লিখিছিল। তাত তেখেতে হালধীয়া চৰায়ে ৰাওধান খায় কেনেকৈ দুৰ্ভীক্ষৰ সৃষ্টি কৰিলে তাক বৰ্ণনা কৰিছে। ঠিক তেনেকৈ আমাৰ এই সংবাদ দাতাৰ সংবাদৰ ক্ষেত্ৰতো মই কব খুজিছো যে হালধীয়া সংবাদে ৰাওধান খাইছে। আজি অসমৰ ইন্‌টেলেকচুৱেল সকলৰ মাজৰ পৰাই কাৰোবাক কেনেকৈ এখন ৰাতৰি কাকতে কেনে-কুৱা ধৰণৰ বিকৃত চিন্তাধাৰাৰে লৈ যাব পাৰে 'সাদিন' তাৰ এটা জলন্ত উদাহৰণ। এই ৰাতৰি কাকতখনে ব্যক্তিগত স্বাৰ্থত কেতিয়াবা কেতিয়াবা কাৰোবাক ব্লেক মেইল কৰিব বিচাৰে। আপোনালোকৰ নিশ্চয় মনত আছে অসমৰ আগৰ এ, জি, পি, চৰকাৰৰ দিনত কেইবা লাখ টকাৰ কেৰাচিনৰ হকাৰৰ কাৰ্ড প্ৰিণ্ট কৰাৰ কাৰণে লৈছিল, যিবোৰৰ প্ৰয়োজন নাছিল। কিন্তু ইলিগেলি 'সাদিন' ৰাতৰি কাকতখনৰ প্ৰেছক এইটো দিয়া হৈছিল। তাৰ পিছত আমি যেতিয়া এই বিষয়টো এন্‌কুৱেৰী

কৰিবলৈ ধৰিছিলো তেওঁৰা 'সাদিন' পত্ৰিকাই মোৰ বিৰুদ্ধে আ
চৰকাৰৰ বিৰুদ্ধে বহু ধৰণৰ কথা কবলৈ লৈছিল। ঠিক তেনে ধৰ
'সাদিন' নামৰ বাতৰি কাকতখনে ৫০ লাখ টকাৰ এটা অবৈধ কাম
কাৰণে আমাৰ চৰকাৰৰ ওপৰত প্ৰেচাৰ ক্ৰিয়েট কৰিবলৈ বিচাৰিছিল
আমাক ব্লেক মেইলিং কৰিব বিচাৰিছিল। তেওঁত সকলে কৈছিল
যদি এই ৫০ লাখ টকা দিয়া নহয় তেনেহলে আমি চৰকাৰৰ বিৰু
ওলট পালট লিখিম। এইটো পৰিস্কাৰকৈ এনে ধৰণে লিখিছে আ
আমাৰ ফাইনেন্স চেক্ৰেটেৰীয়ও এনেকুৱাকৈ লিখিছে যে—Enquir
against Eradulent Printing bill through Printing Press

গতিকে এনেকুৱা ধৰণৰ কোনো প্ৰস্তাৱ নাই। ফাইনেন্স কমি
চনাৰ, ফাইনেন্স চেক্ৰেটৰী (Finance Commissioner & Financ
Secretary ensured that such payment is not madebefor
—any vigilance enquiry). আমাৰ চিন্তাধাৰা বিলাক ভাল হ
লাগে, সংস্কাৰমূলক হব লাগে আমি দেখিছো যে সাদিন পত্ৰিকাখ
ব্লেকমেইলিং কৰিবলৈ বিচাৰিছে।

Mr. Speaker : Now it is 1-30 P. M and I guillotine a
the remaining Cut Motions.

Now, I put all the remaining Supplementar
Demands for Grants No. 37, 1, 2, 3, 5, 6, 7, 8, 9, 11, 1
13, 14, 15, 17, 18, 19, 21, 26, 27, 29, 30, 33, 35, 36, 38, 4
41, 43, 44, 46, 49, 50, 51, 52, 53, 55, 56, 59, 61, 62, 64, 6
66 and 70 for approval of the House.

Those who are in favour say 'Ayes'

Those who are against say 'Noes'

Ayes have it, Ayes have it, Ayes have it.

The Supplementary Deamands for Grants N
37, 1, 2, 3, 5, 6, 7, 8, 9, 11, 12, 13, 14, 15, 17, 18, 19, 2
26, 27, 29, 30, 33, 35, 36, 38, 40, 41, 43, 44, 46, 49, 50, 5
52, 53, 55, 56, 59, 61, 62, 64, 65, 66 and 70 are passe

Now item No. 4 (a)—The Assam Appropriation (No. III) Bill, 1995.

Now, Minister, Finance to move.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg leave to introduce the Assam Appropriation (No. III) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(Leave is granted)

There is a message from the Governor of Assam.

RAJ BHAWAN

Guwahati

19-9-95

Under the provision of Article 207 (1) of the Constitution of India, I Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. III) Bill, 1995.

Sd/- Loknath Misra
Governor of Assam.

Now, Minister, Finance to introduce the Bill.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg leave to introduce the Assam Appropriation (No. III) Bill, '95.

(Secretary, ALA read out the title of the Bill.)

Mr. Speaker : Now, item No. 4 (b).

There is a message from the Governor of Assam.

RAJ BHAWAN

Guwahati

19-9-95

Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (No. III) Bill, 1995 be taken into consideration by the Assam Legislative Assembly.

Sd/- Loknath Misra
Governor of Assam.

Now, Minister, Finance to move.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to move that the Assam Appropriation (No. III) Bill 1995 be taken into consideration.

Mr. Speaker : Now, discussion on the Assam Appropriation (No. III) Bill, 1995. Now Mr. Patowary.

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই এপ্রপিয়েচন বিলখনৰ সম্পর্কে আমি বিৰোধীতা কৰিলেও পাচ নকৰাকৈ নেথাকো পইচা পাবই। আমাৰ প্রশ্ন হল এই পইচাখিনিৰ সৎ ব্যৱহাৰ হৈছেনে নাই। পইচাখিনি যাতে সৎ ব্যৱহাৰ হয় সেইটোৰ ওপৰতহে দুআষাৰ কৰ বিচাৰিছো। আমি এই পইচাখিনি বিধান সভাত আজি সদনত বা চেচনত যে পাচ কৰি দিছো সেইখিনি সৎ কামত ব্যৱহাৰ হৈছেনে নাই। আমাৰ আলোচনা বিলাক যাতে সাফল্যমণ্ডিত হয় সেইটোহে আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আজি আপুনি মোক দুআষাৰ কথা কবলৈ সুযোগ দিয়াৰ কাৰণে আপোনাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। আজি ৪ বছৰে বিভাগীয়

* Speech not corrected.

মন্ত্রীক এটা কথা কৈ মই ভাগবি পৰিলো। এই ৪ বছৰে বিভাগীয় মন্ত্রী মহোদয়ে কামখিনি কৰিব নোৱাৰিলে কাৰণেহে মই আজি মুখ্যমন্ত্রীৰ দৃষ্টি আকৰ্ষণ কৰিলো। সেইটো হৈছে স্বাস্থ্য বিভাগৰ কথা। আজি হার্টৰ বেমাৰত বহুতো মানুহ মৰি আছে। আমাৰ শিক্ষামন্ত্রী মুকুট শর্মা ডাঙৰীয়া হার্টৰ অসুখত দিল্লীত পৰি আছে। আমি ওখেত সোনকালে আৰোগ্য হোৱাটো ভগৰানৰ ওচৰত কামনা কৰিছো। শিক্ষামন্ত্রী ভাল হওঁক। আমাৰ ইয়াত হার্টৰ বেমাৰৰ মেচিন নাই। ভাল ডাক্তৰ আছে কিন্তু মেচিন নাই ভাৰত চৰকাৰে তেজিয়াৰ স্বাস্থ্য আৰু হিউমেন ৰিচার্চ এণ্ড ডেভলপমেণ্ট মন্ত্রী বর্ত্তমান প্রধান মন্ত্রী শ্রীনৰসিংহ ৰাৱে এই মেচিন কিনিবৰ কাৰণে ৯ কোটি ২৫ লাখ টকা দিছিল। অসমৰ ৩ খন মেডিকেল কলেজত এই মেচিন কিনাৰ কাৰণে দিছিল। সেই টকাখিনি ভাৰত চৰকাৰে কোনো প্লেন বা ঋণলৈ দিয়া নাছিল সেইখিনি এনেয়ে দিছিল। দুর্ভাগ্যৰ বিষয় এই তিনিখন মেডিকেল কলেজে সেই মেচিন কিনিব নোৱাৰিলে। আজি কেন্দ্রাৰৰ সাহায্যৰ বাবে মুখ্য মন্ত্রীৰ পূজিৰ পৰা বহু টকা গৈ আছে এই 'কোৱাণ্ট-মেচিন'টো তেজিয়া এটমিক এনার্জি ৰিচার্চ চেণ্টাৰ কোম্পানীটোৱে সেই মেচিনটো কিনাৰ কাৰণে ৪৯ লাখ টকা ধার্য্য কৰি দিছিল। কিন্তু সেই সময়ত নিকিনাৰ কাৰণে এতিয়া দুগুণ দামত কিনিবলগীয়া হব।

গতিকে এইবিলাক বিষয়ত মই মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। গুৱাহাটী মেডিকেল কলেজত ২ কোটি ৫০ লাখ টকা দি যিটো কার্ডিঅ কেথলেৰ মেচিন কিনিলে সেইটো আজি চাৰি বছৰে জি, এম, চিৰ বাৰান্দাত পৰি আছে। সেইটো বহুৱাবলৈ ৪/৫ টামান এ, চি লাগিব আৰু এটা কোঠা লাগিব। বর্ত্তমান মন্ত্রী মহোদয়ে টকাৰ নাটনি বুলি কব পাৰে, কিন্তু সেইটো বহুৱাবলৈ বৰ বেছি পইচা নালাগিব। এ, চি চাবিটা বহুৱাওতে খুব বেছি ১ লাখ ৬০ হাজাৰমান লাগিব আৰু কোঠাটো মার্ব্বল আদি লগাওঁতে ৪০ হাজাৰমান লাগিব মুঠতে ২ লাখমান টকা লাগিব। যদি দৰকাৰ হয় আমি প্রতিজন বিধায়কেই একোহাজাৰকৈ টকা দিওঁ চৰকাৰে এই মেচিনটো বহুৱাৰ বাবে ব্যৱস্থা কৰক। তেতিয়া অন্ততঃ সাধাৰণ মানুহৰ উপকাৰ হব। আজি

আমাৰ মন্ত্ৰী মুকুট শৰ্মা হাৰ্টৰ অসুখৰ চিকিৎসা কৰিবলৈ দিল্লীলৈ গৈছে। তেওঁ মন্ত্ৰী মানুহ কাৰণে যাব পাৰিছে। কিন্তু সাধাৰণ মানুহ এজনে কি কৰিব। গতিকে এই মেচিনটো বহুৱাৰ কথাটো আমাৰ মুখ্যমন্ত্ৰীয়ে চোৱা ভাল। মই মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটা দৃষ্টিগোচৰ কৰিব খুজিছো যে শেহতীয়া ভাবে গুৱাহাটী মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ আৰু ডিব্ৰুগড় মেডিকেল কলেজত কিছুমান মেচিন কিনিছে। এইবিলাক আপুনি ভিজিলেঞ্চ চেলৰ দ্বাৰা অনুসন্ধান কৰক। কাৰণ যত এটা মেচিন লাগে তাত তিনি/চাৰিটাকৈ মেচিন কিনিছে। আমাৰ মেডিকেল কলেজ কেইখনৰ পেথলজি বিভাগ বিলাকৰ অৱস্থা অতি বেয়া। তাৰ লেবাৰেটৰী বিলাক বন্ধ হৈ আছে। গুৱাহাটী মেডিকেল কলেজৰ পেথলজি বিভাগৰ কাৰণে 'অটো এনালাইজাৰ' মেচিন এটা কিনা হৈছিল, সেইটোও এনেয়ে পৰি আছে। মই গুৱাহাটী মেডিকেল কলেজৰ প্ৰিন্সি-পালক সুধিছিলো তেওঁ মেচিনটো চলি থকা বুলি কৈছিল, কিন্তু পিচত নিজে চাই দেখো যে মেচিনটো আউট অৱ অৰ্ডাৰ। তেতিয়া তেখেতে মোক কলে যে মোৰ ভুল হৈ গ'ল এতিয়া কি হব। মই কলো এতিয়া প্ৰিভিলেজ হব। তেতিয়া তেখেতে কলে যে আপুনি কিবা এটা কৰক। মই তেতিয়া কলো যে, আপুনি চিন্তা কৰিব নালাগে, আপুনি মেচিনটো চলোৱাৰ ব্যৱস্থা কৰক। মই মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বৰ্ত্তমান চৰকাৰৰ যি দ্বিতীয় সংকট চলি আছে যি সময়ত চৰকাৰী কৰ্ম্মচাৰীক দৰমহা দিব পৰা নাই সেই সময়ত স্বাস্থ্য বিভাগৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগা চাৰি কোটি টকা পৰি থকাটো অতি দুৰ্ভাগ্যজনক। আগতে দিয়া ৪ কোটি ২৫ লাখ টকাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিব নোৱাৰাৰ কাৰণেই এই চাৰি কোটি টকা আনিব পৰা নাই। আজি এই কুৰি শতিকাত আমাৰ অসমত কলেৰাত ৫০০ মানুহ মৰিছে, মেলেৰিয়াত মানুহ মৰিছে, এনকেফেলাইটিচত মানুহ মৰিছে। আমাৰ চৰকাৰৰ দিনত এনকেফেলাই-টিচ হৈছিল তেতিয়া আমি জাপানৰ পৰা ভেকচিন আনি মানুহক দিছিলো। এনে একোটা ভেকচিনৰ দাম ৩০ টকা এজন মানুহক তিনিটাকৈ দিব লাগে আৰু প্ৰতিজনত ৯০ টকাকৈ খৰচ পৰিছিল। বৰ্ত্তমান এনে

কেইটিন আমাৰ ভাৰতত তৈয়াৰ কৰা হৈছে তথাপি আপোনালোকে কিয় আনি দিয়াব পৰা নাই। এনকেফেলাইটিচত মানুহ মৰি আছে আনকি এনে যোগীক চিকিৎসা কৰা ডাক্তৰবো মৃত্যু হৈছে। বৰ্ত্তমান অসমত 'ব্লাড চিৰাম' টেষ্টৰ বাবে কোনো ব্যৱস্থা নাই, এনে টেষ্টৰ বাবে মানুহ নতুন দিল্লী, কলিকতা আদিলৈ যাব লাগে। আপোনালোকে আমাৰ ইয়াতো এইবিলাক সুবিধা কৰাব বাবে চিন্তা কৰিব লাগে আৰু এটা কথা মই মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। বৰ্ত্তমান অসমত লাইফ চেভিং ঔষধৰ চাৰ ষ্টেণ্ডার্ড কোৱালিটি চলি আছে। আমি ঔষধ কিনিবলৈ গলে ভাল কোম্পানীৰ নামী কোম্পানীৰ ঔষধ কিনিম, কিন্তু সাধাৰণ মানুহৰ ক্ষেত্রত কি হব। গতিকে অসমৰ হস্পিতাল বিলাকত ভাল কোম্পানীৰ ঔষধ যোগানৰ কথাটো বিবেচনা কৰিব লাগে। আমি মেডিকেল কলেজত সাধাৰণ গল্ড ব্লাডাৰৰ অপাৰেচন এটাৰ বাবে গলে ৪/৫ হাজাৰ টকাৰ কমত মানুহ ঘুৰি আহিব নোৱাৰে। দৰৰ পাতিৰ পৰা আদি কৰি সকলো বিলাক নিজে কিনি দিবলগীয়া হয়। সেই বিলাকত ডাক্তৰ নাই। ঔষধ নাই।

মাননীয় অধ্যক্ষ : আপুনি কইনচাইজ কৰক।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : স্বাস্থ্য বিভাগৰ কথা এইখিনি এই কাৰণেই কৰ বিচাৰিছো যে এই বিভাগ সাধাৰণ লোকৰ লগত জড়িত, আজি গাওঁ অঞ্চলত এনে অৱস্থা হৈছে যে.....

মাননীয় অধ্যক্ষ : দুই বজাৰ পৰা মন্ত্রীয়ে উত্তৰ দিব।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : গাওঁ অঞ্চলত এনে অৱস্থা হৈছে যে হস্পিতালত ঔষধ নাই, ডাক্তৰ নাই। গতিকে মই মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যে স্বাস্থ্য বিভাগৰ বিষয়া সকলৰ লগত আলোচনা কৰি ক'ত কোন কোন হস্পিতালত ডাক্তৰ নাই, কিমান থাকিব লাগে, কিমানজন আছে, ঔষধ কিমান থাকিব লাগে, কি কি থাকিব লাগে, কি কি আছে সেইবিলাক আলোচনা কৰি গাওঁ অঞ্চলৰ ৰাইজৰ চিকিৎসাৰ ব্যৱস্থাৰ প্রতি মন কৰক। মেচিন ক'ত কিমান বিলাক পৰি আছে সেইবিলাক

* Speech not corrected.

কি অবস্থাত আছে সেইটো চাই ঠিক অবস্থাত যথাৰ ব্যৱস্থা কৰক মই আমাৰ স্বার্থৰ কাৰণে কৈছো। কোনোবাই হাঁহিলেও মই কব লাগিব কেন্সাৰ ইনষ্টিটিউটো ঠিক কৰিব লাগে। নহলে কেন্দ্ৰল ওৱাল্ড বেংকৰ টকা আনি মাটি পোতাৰ নামত পইচা খাই যহি থাকিলেই কেন্সাৰ ইনষ্টিটিউট নচলিব। গাজী আহমেদক আনিব বুলি এই বিধান সভাত কৈছিল। কিন্তু ডাঃ গাজী আহমেদক আজিলৈকে অনা নাই। কি আনিব নোৱাৰো বুজি নাপাওঁ। তাৰ সলনি টি, কে, ৰ্মা নামৰ এজনক যি যকৃৎ কেন্সাৰ ইনষ্টিটিউটৰ ডাইৰেক্টৰ কৰি ৰাখিছে। ভাৰতবৰ্ষত ভিতৰতে দ্বিতীয় বিশেষজ্ঞ ডাঃ গাজী আহমেদক কেন্সাৰ ইনষ্টিটিউটলৈ অনাত কি বাধা বুজি নাপাওঁ। কেন্সাৰ ইনষ্টিটিউটটো গেলি পচি গ'ল অসমৰ একমাত্ৰ এই অনুষ্ঠানটো কিয় গেলিবলৈ দিছে আমাৰ ৰাইজৰ স্বার্থত কিয় কাণসাৰ দিয়া নাই বুজি নাপাওঁ। এইখিনি কথা কৈয়ো মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, বিনিয়োজন বিলৰ জৰিয়া যি টকা অনুমোদন বিচাৰি সদনত দাবী মঞ্জুৰী উত্থাপন কৰিছে এই ক্ষেত্ৰত অনা কৰ্ত্তন প্ৰস্তাৱ সমর্থন কৰি মই মাত্ৰ দুটা কথা কব বিচাৰিছো। এই কথা কেইটাৰে এই সদনৰ জৰিয়তে মন্ত্ৰী সভাৰ তথা মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আমাৰ দুখীয়া ৰাজ্যখনৰ টকা পইচা নাই অথচ এ-আই-ডি-চি আৰু ষ্টেটফেডৰ কাৰণে পিয়াৰলেচ পৰা দুশ কোটি টকা সুদৰ বিনিময়ত ধাৰলৈ আমি আৰু-ডিষ্ট কৰা অর্থ আমি বিচাৰি পোৱা নাই। তাৰ কাৰণে চাৰে চৌত্ৰিশ কোটি টকা আমি ৰাজ্যখনে সুদ দিচাৰে ভৰিব লাগিব। টকা পইচা অনাটন সময়ত অযথা অপচয় বিলাক বন্ধ কৰিব লাগে। পৰিপূৰক বাজেট জৰিয়তে অতিৰিক্ত ধন বিচাৰিছে অথচ এল-ও-চি স্কেণ্ডেলৰ জৰিয়ে টকা বিলাকৰ অপচয় হৈ আছে আৰু আমাৰ ৰাজকোষ লুট কৰা হৈ আছে। এই অনিয়ম বিলাক বন্ধ কৰিবৰ বাবে যথাযথ ব্যৱস্থা লবলৈ মই বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। ইয়াৰ কাৰণে কিনান চিয়েল বিচিত্ৰিন ব্যৱস্থা নকৰিবলৈ পৰিপূৰক বাজেটৰ উদ্দেশ্য সফ

নহব। ইতিমধ্যে মুখ্য সচিবৰ পৰা Untied fund ৰ সম্পর্কে এখন চাৰ্কুলাৰ গৈছে যিখনে আমাৰ বিধায়ক হিচাবে ভোল কৰি থকা কিছুমান প্ৰিভিলেজত আঘাট কৰিছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে দৃষ্টি দিব আৰু এই নিৰ্দেশ ৰিভিউ কৰিব বুলি আশা ৰাখি বিষয়টো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে দৃষ্টিগোচৰ কৰি মোৰ বক্তব্য সামৰিলো।

* শ্ৰীনজমুল হক : অধ্যক্ষ মহোদয়, পৰিপূৰক বাজেটত দেখা গৈছে যে অসম বিধান সভাৰ মিটিং মাতি চৰকাৰে টকা বিচাৰে। বাজেট মানেই বাইজৰ ওপৰত টেক্স বাঢ়ে। টকা দিয়াত আপত্তি নাই যদি টকাখিনি অপচয় নহয়। প্ৰশাসনৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই, হেৰাই গৈছে। অসম ৰাজ্যৰ বিভিন্ন ৰাস্তা ঘাটৰ কাৰণে গড়কাপ্তানী বিভাগে যথেষ্ট টকা খৰচ কৰিছে। টকা কম হোৱা নাই কিন্তু গোৱালপাৰাত ডি-চি আৰু ই-ইৰ মাজত কোনো ক'অৰডিনেশ্বন নাই কাৰণে একো কাম হোৱা নাই। জলেশ্বৰ সমষ্টিত এখনো বাছ নচলে। মোৰ সমষ্টিটো একেই অৱস্থা। দলং ভাল নকৰিলে অথচ বানপানীয়ে সকলো দলং ভাঙি পেলাইছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে বিশেষ ইণ্টাৰেষ্ট দি ৰাস্তা ঘাটৰ অৱস্থা ভাল কৰাত গুৰুত্ব দিয়ে। সকলোবোৰ ৰাস্তাতে যানবাহন চলিব পৰা ব্যৱস্থা কৰিব লাগে।

(সময়ৰ সংকেত)

আৰু এটা কথা কৈ শেষ কৰিম চাব। চৰকাৰৰ ফালৰ পৰা দুটকীয়া চাউল যোগানৰ কথা কোৱা হৈছে। এটা কথা কবলৈ বাধ্য হৈছো যে ইয়াৰ কাৰণে ষোল্ল কোটি নব্বৈ লাখ এষাৰ হাজাৰ টকা খৰচ কৰিছে। এই ৰাজ্যখন ইমান দুখীয়া যে পোন্ধৰ লাখ মানুহক দুটকীয়া চাউল খুৱাবলগীয়া হৈছে। এই ষোল্ল কোটি হিচাব কৰি দুখীয়া বাইজৰ উপকাৰ কৰাৰ কাৰণে উন্নয়নমূলক কাম কৰিবলৈ চিন্তা কৰিব লাগিব।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, শেষত এটা কথা কবলৈ বিচাৰিছো যে ডি-আৰ-ডি এ

* Speech not corrected.

বিভাগত আটাইতকৈ টকাৰ পৰিমাণ বেছি। গতিকে ডি-আৰ-ডি এ
গুৰুত্বপূৰ্ণ বিষয়। যি পৰিমাণৰ টকা আছে সেই হাৰত অপচয়ো হয়
এইটো নিয়ন্ত্ৰণ কৰিব লাগিব। মন্ত্ৰী মহোদয়ৰ হাতত কঠোৰ ভাবে
নিয়ন্ত্ৰিত হব লাগিব। অন্ততঃ শতকৰা পঞ্চাশ ভাগ টকমতে খৰচ
হলেও বহুত হব। এইটো মোৰ বলিষ্ঠ প্ৰতিবাদ। এইখিনিকে মৈ
মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* Shri Samarendra Nath Sen : Mr. Speaker Sir, I wan to draw the attention of the Hon'ble Minister, Pan chayat and Rural Development about one bridge i my Silchar Constituency which was constructed b P & R D Department costing about Rs. 11 to 12 lakhs

(then pandemonium in the House)

Mr. Speaker : Mr. Sen, please sit down.

* Shri Parameswar Brahma : Mr. Speaker Sir, Hon'bl Finance Minister has demanded certain amount unde Education Head. This time I will reqnest the Hon'- ble Chief Minister to open Bodo Department i Gauhati University. My next point is Sir, that ther are four High Schools which had been provincialise in the year 1991 but surprisingly enough, these school are running without Headmasters.

My next point is that Matric Scholarships an Post Matric Scholarships have not been given i SC/ST areas since 1991. This should be given regu larly. Because the students are very badly sufferin Lastly Sir, for teaching Assamese, to Bodo mediu

---

* Speech not corrected.

students there is provision for language teachars. These teachers teach Assamese to the Bodo medium students but most surprisingly Sir. these posts of language teachers have not been sanctioned although the Bodo medium students are very much interested to learn Assamese. I would request the Hon'ble Chief Minister to take personal attention in this matter.

শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এপ্রোপিয়েচন বিল আহিছে পাচো হব। দুখীয়া দেশ এখনৰ মানুহ আমি আৰু যিহেতু আমিয়েই এই দেশ শাসনত আছো সেই কাৰণে শাসনৰ ক্ষেত্ৰত অলপ ইকোনমিক হব লাগে। এতিয়া আমি দেখিছো যে ২ কোটি ৪১ লাখ টকা মন্ত্ৰী সকলৰ গাড়ী কিনাৰ কাৰণে দিছে। টেলিফোন বিলৰ কথাও আছে। মন্ত্ৰীসভা ডাঙৰ হলে ব্যয় বৃদ্ধি হব পাৰে কিন্তু এই ক্ষেত্ৰত অযথা ব্যয় নকৰাৰ দিশত সতৰ্ক হব লাগে আৰু ইকোনমিক হোৱাটো চিন্তা কৰিলে ভাল। হেলিকাপ্তাৰ এখন কিনাৰ কাৰণে ১৬ কোটি ৯০ লাখ টকাৰ চাপ্লিমেণ্টৰী ডিমাণ্ড আহিছে। আমাৰ নিচিনা দুখীয়া ৰাজ্য এখনত চৰকাৰে হেলিকাপ্তাৰ ৰখাটো উচিত হব নে নহয় চিন্তা কৰিব লাগে। হেলিকাপ্তাৰখন প্ৰপাৰ্লি ইউজ হয় নে নহয় সেইটোও চাব লাগিব। আনহাতেদি মই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো যে আমাৰ দৰে দুখীয়া দেশ এখনত চাবচিডি দিয়াৰ কথা চিন্তা নকৰি কেনেকৈ মানুহৰ দুখ মিনিমাইজ কৰিব পাৰি সেইটো চিন্তা কৰিব লাগে। প্ৰত্যেক পৰিয়ালকে দুটকীয়া চাউল মাহেকত ১৬ কিঃ গ্ৰাম যোগান ধৰি ১০০ টকাকৈ লাভ দিলেই নহব। চৰকাৰে অন্যান্য সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধৰ প্ৰতি চকু দিব লাগে। নহলে দুখীয়া জন সাধাৰণক দুটকীয়া চাউল দি প্ৰকৃত লাভবান কৰা সম্ভৱ নহয়। অধ্যক্ষ মহোদয়, যিবিলাক বিভাগ দুখীয়া জনসাধাৰণৰ লগত জৰিত ঘাইকৈ পানী যোগান এই বিলাকৰ প্ৰতি চৰকাৰে মনোযোগ দিয়া নাই।

চাপ্লিমেণ্টবী ডিমাণ্ডত যথেষ্ট টকা চবকাবে বিচাবিছে। কিন্তু পানী যোগান বিভাগত অতিবিক্ত পূজি ধবা হোৱা নাই বা বিচবা নাই। কেন্দ্রীয় চবকাবব পবা বাজ্য চবকাবে বামপানী যোগব ক্ষেত্রত যথেষ্ট টকা পোৱাব পবা বঞ্চিত হৈছে। মেয়ে অহা বাজেটত বামপানী যোগব বিশত পূজি আবণ্টন কেনেধবণে বিফ্লেক্ট কবিব সেইটো চবকাবে চাব লাগে আক এটা কথা কেভিনিউ ডিপোজিটব থকা উন্নয়নমূলক কামত আবণ্টিত টকা উলিওৱাব ক্ষেত্রত মাননীয় মুখ্যমন্ত্রীয়ে বলিষ্ঠ ভূমিকা লব বুলি আশা বাখিছো। যাতে বাজ্য চবকাবে জনসাধাবণব বৃহত্তব স্বার্থব খাতিবত উন্নয়নমূলক কামত এই টকা সমূহ খবচ কবি দুখীয়া জনসাধাবণক সহায় কবিব পাবে। এইখিনি কৈয়েই মোব বক্তব্যব সামবণি মাবিলো।

(মাননীয় সদস্য শ্রীবমেন্দ্র নাবায়ণ কলিতাই সদনত নিজব বক্তব্য বাখিবলৈ নিদিয়াব প্রতিবাদত অকলে সদন ত্যাগ কবে।)

Mr. Speaker : Now, Minister, Health is to reply.

* ডাঃ ভূমিধব বর্মন (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীচন্দ্রমোহন পাটোৱাবী ডাঙবীয়াই কেথলিক মেচিনব কথা কৈছে। প্রথমতে যি কোম্পানীব লগত চুক্তি কবা হৈছিল তেওঁলোকে অলপ দিগদাবী কবিছে। এতিয়া সেইবোব থিক কবিছো। সেই কোম্পানীক নিদি এতিয়া বেলেগ কোম্পানীক দিয়া হৈছে। ২০ লাখ টকা লাগিব। দুই তিনিমাহব ভিতবতে সম্পূর্ণ হব। ইয়াবোপবি এ, এম, চি আক এচ, এম, চিব কাবণে কোবাল্ট আহিছে। গড়কাপ্তানি বিভাগে ঘব সম্পূর্ণ কবিব পবা নাই। সেই কাবণে বহুতাব পবা নাই ঘব সম্পূর্ণ হলেই বহুওৱা হব। জি, এম, চিব কাবণে বর্ত্তমানে অহা নাই।

* শ্রীদিলীপ কুমাব শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ডিব্রুগড় মেডিকেল কলেজব পবা ডাক্তব বিলাক লৈ আহিছে। উত্তব পাবব বহুত মানুহ ভালে চিকিৎসাব কাবণে যায়। তাত ডাক্তব নিযুক্তি দিলেও নাযায়। তাব পবা গুচি আহে।

---

* Speech not corrected.

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যই নিকিনিব-লগীয়া মেচিন কিনা বুলি কৈছে যদি কিবা কিনা হৈছে ইনকুৱাৰী কৰিব লাগিব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, বেডিওলজি বিভাগৰ যিবিলাক মেচিন কিনা হৈছে সেইবিলাকৰ ব্যৱহাৰ হোৱা নাই।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পৰাকীয়ে বেডিওলজি বিভাগৰ মেচিন বেচিকৈ কিনাৰ কথা কৈছে। এটা মেচিন কেনেকৈ আহিছে কব নোৱাৰো বুলি কৈছে। মই এতিয়া চাব দিছো। তিনিটা কিনিবলৈ দিয়াটো সচা। দুদিনমানৰ আগতে মোক কৈছে যে আৰু এটা কিনিব দিছে। মই কৈছো এইটোৰ অৰ্ডাৰ আছে নে নাই। তেওঁলোকে কৈছে নাই। মই এনকুৱাৰী কৰি মোক জনা-বলৈ দিছো। দুটা বহুওৱা হৈছে। এটা বহুৱাবলৈ বাকী আছে। এইবোৰৰ পৰা মানুহৰ উপকাৰ হৈছে। চতুৰ্থটো সম্পৰ্কত কেনেকৈ আহিছে জনাবলৈ দিছো। ইয়াৰোপৰি অ'টো এনালাইজাৰ সম্পৰ্কত মোক কৈছে যে অ'টো এনালাইজাৰে কাম কৰি আছে। ঔষধৰ সম্পৰ্ক-তেওঁলোকে কৈছে। তখন বিচনাযুক্ত হাস্পতালত ডাক্তৰ নাই বুলি কৈছে। আজি ১ মাহৰ আগতে ২০০ ডাক্তৰ নিয়োগ কৰিছো। তেওঁ-লোকৰ কিছুমানে জইন কৰিবলৈ অহা নাই। ধুবুৰীত আটাইতকৈ ডাক্তৰ কম যিবিলাকক দিছিলো সেইবিলাকো যোৱা নাই। ডাক্তৰ বিলাকে জইন নকৰে। তেওঁলোকে নাৰ্চিং হোমত কাম কৰে কাৰণ নাৰ্চিং হোমৰ অভাৱ নাই। গাওঁলৈ ডাক্তৰ বিলাক নেযায়। সেইকাৰণে আমি বিটায়াৰ্ড ডাক্তৰ বিলাকক গাওঁত দিম বুলি ভাবিছো।

(ভইচ : বিটায়াৰ্ড ডাক্তৰ কেনেকৈ দিব নতুন পোষ্ট দিব নেকি) আমাৰ যিবিলাক চেংচন পোষ্ট আছে তাতে দিয়াৰ ব্যৱস্থা কৰিম। অধ্যক্ষ মহোদয়, এজন প্ৰাক্তন স্বাস্থ্য মন্ত্ৰীয়ে প্ৰশ্ন কৰিছে তাৰ উত্তৰ মই দিছো আৰু দিব লাগিব। ঔষধৰ মানদণ্ড উন্নত হব লাগে। ভাল কোম্পানীৰ দাম

---

* Speech not corrected.

বেচি হলেও কিনিব লাগে। মই নিজেও এজন ডাক্তৰ আছিলো মই সদায় ভাল কোম্পানীৰ দামী ঔষধেই প্ৰেচক্ৰাইব কৰিছিলো

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে 'এন্টিবায়টিক' আৰু লাইফ চেভিং ডাৰ্গচ্ ঔষধৰ বিষয়ে চাব লাগে। বেচি দাম দি হলেও ঔষধ কিনক।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আমাৰ কিছুমান নিয়ম আছে। লোকেল কোম্পানীৰ পৰা ঔষধ কিনিব লাগে। সেই কাৰণে কেতিয়াবা ভাল কোম্পানীৰ দামী ঔষধ কিনিব পৰা নাযায়। আগৰ পৰাই জি, এম, চি, এ, এম, চিৰ ঔষধ নাই। এতিয়া বহুত উন্নত হৈছে। আগতকৈ বহুত ভাল হৈছে। আমাৰ মেডিকেলৰ যদি কেপাচিটি ১ হেজাৰ বেড থাকে তেতিয়াহলে তাত বোগী হয় ১৪/১৫ শ। সেই অনুপাতে ঔষধ দিব লাগে কাৰণে ঔষধৰ নাতনি হয়। কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে আগতকৈ বহুত ভাল হৈছে। মাননীয় সদস্য সকলে গৈ চাই আহিব পাৰে। ডাঃ বি, বৰুৱা কেঞ্চাৰ ইন্সটিটিউটৰৰ সম্পৰ্কে আলোচনা হওতে মই ভাবিছিলো এই বিষয়ে নিশ্চয় কাগজে পত্ৰে ওলাব অৱশ্যে, সেইদিনা পাটোৱাৰী ডাঙৰীয়াও নাই আৰু মাননীয় শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াও নাই, সেইদিনা ডাঃ কলিতাই ভাগ লৈছিল। তেতিয়া আমি উত্তৰ দিছিলো। তাত এইবাৰ নতুনকৈ ডিৰেক্টৰ হব, চিলেকশ্যন কমিটি কৰা হব। তাত আমি এক্সপাৰ্ট দিছো, এইবাৰৰ পৰা মনৰ মতন চিলেকশ্যন কৰিব, বাইজে বিচৰা মতে।

Mr. Speaker : Now Hon'ble Finance Minister.

শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য সংক্ৰান্তত মাননীয় স্বাস্থ্য মন্ত্ৰীয়ে ইতিমধ্যে উত্তৰ দিলে। মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই ৰেভিনিউ ডিপজিট জমা ৰখা টকাৰ কথা কৈছে তাৰ ৮০ শতাংশ বিলিজ কৰা হৈছে। পিয়েৰলেচৰ লোণৰ প্ৰায় টকাই ঘুৰাই দিয়া হৈছে। তেখেতে আৰু এটা কথা কৈছে যে ফাইনেন্সিয়েল ডিচিপ্লেন

* Speech not corrected.

হব লাগে। এইটো নোহোৱা নহয়। কেন্দ্রীয় মন্ত্রী আৰু প্লেনিং কমিশ্যনৰ ডেপুটি চেয়াৰমেন শ্রীপ্রণৱ মুখার্জীয়ে আমাৰ বিত্তীয় নিয়মানুসাৰে প্রশংসা কৰিছে আৰু সেইবাবে অসম চৰকাৰলৈ আজি বিচৰা সম্পূর্ণ ১৪ শ ১৮ কোটি টকা দিছে। আন-টাইড ফাণ্ড বিভিও কথাৰ কথা কৈছে। এইটো চাব লাগিব। মাননীয় সদস্য নজমুল হক ডাঙৰীয়াই কৈছে যে বাস্তা-ঘাটত যি টকা দিয়া হৈছে তাৰ সৎ ব্যৱহাৰ হোৱা নাই। হেলিকাপ্তাৰ নোহোৱাৰ কথা কৈছে। হেলিকাপ্তাৰ এতিয়া নহয় আগতে লগ লাগিছিল অসমৰ নিচিনা বাস্তা-ঘাট নোহোৱা ঠাইত হেলিকাপ্তাৰৰ বৰ প্রয়োজন। কাৰণ হেলিকাপ্তাৰ হলেহে বানপানীৰ সময়ত বানপ্রপীড়িত ঠাইলৈ হেলিকাপ্তাৰেৰে যাব পাৰি। আৰু কিছুমান পাহাৰীয়া ঠাইলৈও যাব পাৰি। আমাক কোৱা মতে বিহাৰ, ইউ পি আদি বহু বাজ্যত হেলিকাপ্তাৰ আছে। এইটো এটা বাজ্যৰ সম্পত্তি। অকল হেলিকাপ্তাৰ নহয় অসমৰ কাৰণে এখন সক এৰোপ্লেনৰো দৰকাৰ।

মাননীয় সদস্য শ্রীনজমুল হক ডাঙৰীয়াই ডি, আৰ, ডি, এৰ যি কথা কৈছে আচলতে নহয়, ডি, আৰ, ডি, এত ভাল কাম হৈছে অসমৰ চুকে কোণে নগৰে চহৰে বহুত ভাল কাম হৈছে। মাননীয় সদস্য শ্রীপৰমেশ্বৰ ব্রহ্ম ডাঙৰীয়াই শিক্ষক নোহোৱাকৈ থকা বুলি কৈছে। সেইটো চাম, মেট্রিকৰ স্কলাৰশ্বিপৰ কথাও কৈছে সেইটোও চোৱা হব, আনহাতে বড়ো মাধ্যমৰ যি শিক্ষকৰ পোষ্ট চেংচনৰ কথা কৈছে সেইটোও চাম। মাননীয় সদস্য শ্রীহিতেশ্বৰ ডেকা ডাঙৰীয়াই ১৯৮৫ চনৰ পৰাই টেলিফোনৰ বিল দিয়া নাই বুলি কৈছে। এইটো ১৯৮৫ চনৰ পৰাই চলি আছে। মাননীয় সদস্য শ্রীগোস্বামী ডাঙৰীয়াই হুটকীয়া চাউলৰ কথা কৈছিল আৰু মূল্য বৃদ্ধিৰ ওপৰত চকু দিব লাগে বুলি কৈছিল। মূল্য বৃদ্ধি যাতে নহয় তাৰ কাৰণে ব্যৱস্থা কৰা হব। ফ্লাড কণ্ট্রোলৰ কাৰণে আগতে টকা দিয়া নাছিল, কেন্দ্রীয় চৰকাৰৰ পৰা টকা আহিব বুলি কৈছে। টকা আমাক দিব আমি খৰচ কৰিম। মাননীয় সদস্য শ্রীগোস্বামী ডাঙৰীয়াই আৰু এটা কথা কৈছে বেভিনিউ ডিপোজিটত যথা টকা উঠাই দিব লাগে। আমি ৮০ শতাংশ টকা মোকলাই দিছো।

